# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE ELEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

NO. 22

The 10th April, 2002

Price, Rs. 46

# CONTENTS

## BUDGET SESSION

## NO. : 22

***Dated, the 10th April, 2002***


| | | Page |
|---|---|---|
| 1. | QUESTIONS & ANSWERS : | 1-67 |
| 2. | DISCUSSION ON ZERO HOUR MATTER | 68-75 |
| 3. | POINT OF ORDER | 76-78 |
| 4. | STATEMENT BY MINISTER | 79 |
| 5. | CALL ATTENTION NOTICE | 80-82 |
| 6. | MATTER UNDER RULE 301 | 83-85 |
| 7. | STATEMENT BY MINISTER | 86 |
| 8. | CONSIDERATION AND PASSING OF GOVERNMENT BILLS | 87-102 |
| 9. | VALEDICTORY SPEECH | 103-104 |
| 10. | PRESENTATION OF COMMITTEE REPORT | 105-106 |
| 11. | ADJOURNMENT | 107 |
| 12. | ANNEXURES I TO XIX | 109-145 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

**Wednesday, the 10th April, 2002.**

The House met at 9 A. M. of the Clock in the Assembly Chamber at Dispur with Shri Prithibi Majhi, Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

## (To which oral replies were given)

**Mr. Speaker :** Starred Question No. 381, Hon'ble Member, Smti Pramila Rani Brahma,

### Re. : Social Welfare Board.

**Smti Pramila Rani Brahma asked :**

*381. Will the Minister of Social Welfare be pleased to State :

(a) How many employees are there in Social Welfare Board, Assam?

(b) Whether they have been paid their Salaries as per present revised pay scale of State Government?

(c) If not, the reason of not being paid as per present pay scale for employees of the Government of Assam?

**Shri Gautam Roy (Minister, Social Welfare) replied :**

(a) There are 18 employees in the Assam State Social Welfare Advisory Board.

(b) No.

(c) There matter is under consideration of State Government.

* **শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ** অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল চোচিয়েল ৱেলফেয়াৰ এডভাইচেৰী বোৰ্ডত কিমান জন কৰ্ম্মচাৰী আছে আৰু তেওঁলোকক ৰিভাইচ পে স্কেল দিয়া হৈছে নে নাই? মন্ত্ৰী মহোদয় ১৮ জন কৰ্ম্মচাৰী আছে আৰু ৰিভাইচ পে স্কেল দিয়া হোৱা নাই বুলি কৈছে। আমাৰ ৰাজ্যৰ কৰ্মচাৰী সকলে ৰিভাইচ পে স্কেল ড্ৰ কৰিছে। কিন্তু চোচিয়েল ওৱেলফেয়াৰ এডভাইচেৰী বোৰ্ডৰ কৰ্মচাৰী

সকলে এতিয়ালৈকে পুৰণা স্কেলকে লৈ থাকিব লগীয়া হৈছে কিয়? এই বোৰ্ডৰ কৰ্মচাৰী সকলৰ দৰমহা শতকৰা ৫০ ভাগ কেন্দ্ৰীয় চৰকাৰে বহন কৰে। কেন্দ্ৰীয় চৰকাৰে বিয়াৰ কৰা স্বত্তেও ৰাজ্য চৰকাৰে ৰিভাইচ স্কেল নিদিয়া কাৰণে কেন্দ্ৰীয় চৰকাৰে তেওঁলোকৰ অংশ থৈ দিয়া নাই। ৰাজ্য চৰকাৰে কেতিয়াকে এই ৰিভাইচ পে স্কেল দিব মন্ত্ৰী মহোদয়ে জনাব নে? আনহাতে চোচিয়েল ৱেলফেয়াৰ বোৰ্ড কেতিয়া ফৰ্ম হৈছিল আৰু ফৰ্ম কৰা সময়ত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ মাজত কিবা এগ্ৰিমেণ্ট হৈছিল নেকি বা কিবা আন্দাৰস্টেণ্ডিং হৈছিল নেকি?

* **শ্ৰী গৌতম ৰয়(মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মাননীয়া সদস্যা গৰাকীয়ে তেখেতৰ প্ৰশ্নৰ উত্তৰ নিজে নিজেই দিছে। শতকৰা ৫০ ভাগ কেন্দ্ৰীয় চৰকাৰে বিয়েৰ কৰাটো সচা। ৰাজ্য চৰকাৰৰ চেয়াৰটোৰ কাৰণে আমি বিত্ত বিভাগৰ লগত মোভ কৰিছো। অহাৰ লগে লগে আমি টকাটো ৰিলিজ কৰিম। দ্বিতীয়তে কিবা মেমোৰাণ্ডাম অৱ আন্দাৰস্টেণ্ডিং আছিল নেকি আৰু কেতিয়া ফৰ্ম হৈছিল তাৰ কাৰণে বেলেগ প্ৰশ্ন দিলে জনাব পাৰিম।

* **শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ** কেতিয়া ফৰ্ম হৈছিল মন্ত্ৰী মহোদয়ে নজনা কথাটো আচৰিত তেখেতে মন্ত্ৰী হিচাৱে এই কথাটো জানিব লাগে, কেতিয়া ফৰ্ম হৈছিল, কেন্দ্ৰীয় চৰকাৰৰ লগত কি চুক্তি আছিল। মন্ত্ৰী হিচাৱে নাজানো বুলি ক'ব নোৱাৰে আৰু তাৰ কাৰণে বেলেগ প্ৰশ্নও দিয়াৰ কথা নুঠে।

* **শ্ৰী গৌতম ৰয়(মন্ত্ৰী) ঃ** স্পষ্ট তাৰিখটো লাগিলে বেলেগ প্ৰশ্ন লাগিব, ফৰ্মটো তেখেত সকলৰ দিনতে হৈছে আৰু মাননীয়া সদস্যা গৰাকীয়ে জানে, এতিয়ালৈকে দেৰ বছৰমান সম্পূৰ্ন হৈ গ'ল, তাৰিখটো মই আজিয়ে জনায় দিম।

* **শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ** ৰিভাইচ পে স্কেলৰ কাৰণে কৰ্মচাৰী সকলে দাবী কৰি আছে। এই বোৰ্ডত আগতে ২১ জন কৰ্ম্মচাৰী আছিল এতিয়া ১৮ জন আছে। বাকী পোষ্ট কেইটা খালী হৈ আছে। গতিকে এওঁলোকক এৰিয়াৰ দিবলৈ কিমান টকাৰ দৰকাৰ হ'ব জনাব নেকি? তেওঁলোকক ৰিভাইচ পেস্কেল প্লেনৰ পৰা দিয়া হ'ব নে নন প্লেনৰ পৰা দিয়া হব? তেওঁলোকে নন প্লেনৰ পৰা বিছাৰি আছে, দিয়াৰ ব্যৱস্থা কৰিব নে?

* **শ্ৰী গৌতম ৰয়(মন্ত্ৰী) ঃ** মাননীয়া বিধায়িকা গৰাকীয়ে প্লেন নন প্লেনৰ যিটো কথা কৈছে সেইটো মই মানি ল'ব নোৱাৰো। সেইটো নিয়মৰ মাজেদি হ'ব। এৰিয়াৰ কিমান হ'ব তাৰ কাৰণে বেলেগ প্ৰশ্ন লাগিব।

* **শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ** এইটো বৰ দুৰ্ভ্যগ্যৰ কথা যে মন্ত্ৰী মহোদয়ে ৰেডি নোহোৱাকৈ উত্তৰ

* Speech not corrected

দিবলৈ আহিছে। এনেকৈ মন্ত্ৰী মহোদয়ে হাজিৰা দিবলৈ আহিছে নেকি? কিমান এৰিয়াৰ হ'ব জনাব লাগে।

* শ্ৰী গৌতম ৰয়(মন্ত্ৰী) ঃ নিৰ্দিষ্ট ভাবে প্ৰশ্ন কৰিলে উত্তৰ দিব পাৰি কিন্তু কিমান এৰিয়াৰ হ'ব কোন হেডৰ পৰা দিয়া হ'ব এইবিলাকৰ অংক কৰি তৎক্ষনাৎ ক'ব নোৱাৰি।

* শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ বোৰ্ড কেতিয়া গঠণ হৈছে সেইটো কিয় ক'ব নোৱাৰে?

* শ্ৰী গৌতম ৰয়(মন্ত্ৰী) ঃ মাননীয়া সদস্যা গৰাকী নিজে বোৰ্ডত আছে। গতিকে তেখেতে জানিব।

* শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ তেখেতে মোক ভাললৈ আশ্বাস দিয়া নাই কেতিয়াৰ ভিতৰত দিব।

* শ্ৰী গৌতম ৰয়(মন্ত্ৰী) ঃ আজিৰ ভিতৰত দিম।

* শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ ৰিভাইচ পে স্কেল কেতিয়া দিব?

* শ্ৰী গৌতম ৰয়(মন্ত্ৰী) ঃ সেইটোৰ কাৰণে যোগা যোগ চলি আছে এতিয়াই ক'ব নোৱাৰো।

* শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ কেন্দ্ৰীয় চৰকাৰে বিভন্ন আচনিৰ বহুত টকা এই বোৰ্ডক দিছে কিন্তু ৰাজ্য চৰকাৰে বোৰ্ডক মেটচিং চেয়াৰ নিদিয়াৰ কাৰণে দুখীয়া ৰাইজৰ কাৰণে কৰা আঁচনি বিলাক ৰূপায়ণ কৰিব পৰা নাই। বোৰ্ডৰ হেণ্ডিক্ৰেফ্ট আদি বহুত আঁচনি আছে গতিকে মেটচিং চেয়াৰটো অসম চৰকাৰে সেনকালে ৰিলিজ কৰাৰ আশ্বাস দিবনে?

**Mr. Speaker** : Starred question no. 382, questioner Shri Ali Akbar Miah.

**বিষয় ঃ ICDS Project ৰ স্থান আৰু কাম-কাজ।**

**শ্ৰী আলী আকবৰ মিঞাই সুধিছে ঃ**

* ৩৮২। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাৰ কোন কোন ICDS Project ত কোন কোন স্থানত CDPO ই কোন কোন তাৰিখৰ পৰা কাম কৰি আছে আৰু তেওঁলোকে বিভাগীয় স্থায়ী কাৰ্য্যালয় নে উন্নয়ণ খণ্ডৰ কাৰ্য্যালয় নে নিজা ঘৰৰ পৰা কাম কৰি আছে? (কাম কৰি থকা স্থান উল্লেখ কৰি উত্তৰ দিব)

(খ) উপৰোক্ত ICDS Project বোৰৰ অধীনস্থ অঙ্গনবাদী কেন্দ্ৰ সমূহ সঠিক ভাৱে ছাৰ্ভে কৰি ঠিক চুড়ান্তকৰণ হৈছে নে?

(গ) যদি হৈছে, তেন্তে Project বিপৰীতে অঙ্গনবাদী কেন্দ্ৰ সমূহ চুড়ান্ত কৰণৰ তাৰিখ উল্লেখ কৰিব?

(ঘ) নায়েৰ আলগা আৰু মহামায়া ICDS Project ৰ i/c CDPO ই বাছনি পৰীক্ষা

---

* Speech not corrected

নপতাকৈ সেই অঙ্গনবাদী কৰ্মী / মহায়িকা পদত প্ৰাৰ্থীক নিযুক্তি দিছে সচাঁনে?

(ঙ) উক্ত নিযুক্তি প্ৰসংগত হাইকোৰ্টৰ নিৰ্দ্দেশৰ ভিত্তিত চৰকাৰে CDPO দুগৰাকীক কোনো আদেশ / নিৰ্দ্দেশ দিয়াটো সচাঁনে? (যদি সচাঁ তেন্তে আদেশ / নিৰ্দ্দেশৰ কপি সংলগ্ন কৰি উত্তৰ দিব)

(চ) যদি সচাঁ, তেন্তে সেই আদেশ / নিৰ্দ্দেশ বিষয়া দুগৰাকীয়ে মানি চলিলে নে?

(ছ) যদি মানি চলা নাই তেন্তে চৰকাৰে বিষয়া দুগৰাকীৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰিছে বা কৰিব?

**শ্ৰী গৌতম ৰয় (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) তথ্য-সহ তালিকা সংলগ্ন কৰা হ'ল (See Annexure I)

(খ) হয়।

(গ) প্ৰকল্প সমূহৰ নামৰ বিপৰীতে তথ্য সংলগ্ন কৰা হ'ল (See Annexure II)

(ঘ) নিযুক্তি দিয়াটো সচাঁ নহয়। কিন্তু অংগনবাদী কৰ্মী - সহায়িকাৰ বছৰে বাচনি কৰি দিয়া কমিটী সমূহৰ ম্যাদ ২৫/২/২০০২ তাৰিখে অন্ত পৰাত আৰু ২৮/২/২০০২ তাৰিখৰ ভিতৰত নতুন প্ৰকল্প সমূহ ৰূপায়ণ কৰিব লগীয়া হোৱাত নায়েৰ আলগা আৰু মহামায়া ICDS Project দুটাত সম্পূৰ্ণ অস্থায়ীভাৱে মাত্ৰ তিনিমাহৰ বাবে কেৱল অংগনবাদী কৰ্মীকহে কামত লগোৱা (Engagement) হৈছে।

(ঙ) ধুবুৰী জিলাৰ উপায়ুক্তৰ জৰিয়তে নিৰ্দ্দেশ দিয়া হৈছে। (See Annexure III)

(চ) মানি চলিছে কাৰণ আচল নিযুক্তি বন্ধ আছে।

(ছ) 'চ' প্ৰশ্নোত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

* **শ্ৰী আলী আকবৰ মিঞা ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়, উত্তৰত কৈছে যে নিযুক্তি দিয়া সচাঁ নহয়। কিন্তু অঙ্গনবাদী কৰ্মী সহায়িকাৰ বাবে বাচনি কৰি দিয়া কমিটি সমূহৰ ম্যাদ ২৫/২/২০০২ তাৰিখে অন্ত পৰাত আৰু ২৮/২/২০০২ তাৰিখৰ ভিতৰত নতুন প্ৰকল্প ৰূপায়ন কৰিব লগীয়া হোৱাত নায়েৰ আলগা আৰু মহামায়া প্ৰজেক্টৰ সম্পূৰ্ণ অস্থায়ী ভাৱে মাত্ৰ তিনি মাহৰ বাবে অঙ্গনবাদী কৰ্মীক কামত লগোৱা হৈছে। অধ্যক্ষ মহোদয়, আমাৰ মনত আছে ৭/৩/২০০২ তাৰিখে মাননীয় সদস্য ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়াৰ এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছিল যে নিযুক্তি বন্ধ আছে। এধোক ভাৱে কোনোবাই নিযুক্তি দিছে যদিও তেওঁৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হ'ব বুলি কৈছে। আনকি বিভাগৰ আয়ুক্ত ডাঙৰীয়াও হাইকোৰ্টৰ নিৰ্দ্দেশত নিযুক্তি বন্ধ ৰাখিবলৈ মেচেজ দিছিল ১১/২/২০০২ তাৰিখে। তাত কোৱা হৈছে

* Speech not corrected

—Please instruct the concerned child Development Project officer to stop the selection process of Anganwadi worker/ Anganwadi Helper for the Mahamaya ICDS Project, Nayaralga ICDS Project and Delitola/Rupsi ICDS Project of Dhubri Dist, & Mancachar ICDS Project, Bongaigaon District in view of the Hon'ble High Court Order. হাইকোৰ্টৰ অৰ্ডাৰ থকা স্বত্তেও কেনেকৈ নিযুক্তি দিয়া হৈছে? এই অনিয়মৰ বিৰুদ্ধে মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা ল'ব?

* শ্ৰী গৌতম ৰয় (মন্ত্ৰী) ঃ এটা নিৰ্দ্দিষ্টভাৱে পৰিপূৰক প্ৰশ্ন কৰক তেতিয়াহে উত্তৰ দিব পাৰিম।

* শ্ৰী আলী আকবৰ মিঞা ঃ হাইকোৰ্টৰ অৰ্ডাৰ এভইড কৰি নিযুক্তি দিছে। নিযুক্তি দিয়া সকলৰ ওপৰত কি একেশ্বন লোৱাৰ ব্যৱস্থা কৰিছে।

* শ্ৰী গৌতম ৰয় (মন্ত্ৰী) ঃ হাইকোৰ্টৰ অৰ্ডাৰ আছে কাৰণে পাৰমেনেন্ট নিযুক্তি দিয়া হোৱা নাই। কিন্তু আঁচনিৰ কাম নকৰিলে টকা ঘূৰি যাব। আমাৰ ৮৯ টা প্ৰজেক্ট লোৱা হৈছিল। আমি ছমাহ মানৰ ভিতৰতে কৰিবলৈ লৈছো। ধুবুৰীৰ ক্ষেত্ৰত কাক নিযুক্তি দিয়া হয় সেই বিলাকৰ তালিকা তেখেতৰ হাতত আছে। প্ৰজেক্ট বিলাক সম্পূৰ্ণ হৈছে। কিন্তু এতিয়া বন্ধ আছে।

* শ্ৰী প্ৰেমধৰ বৰা ঃ যি বিলাক ব্লকত নিযুক্তিৰ খেলিমেলি আছে বুলি সদনত দৃষ্টিআকৰ্ষণ কৰা হৈছে সেই বিলাক তদন্ত কৰাৰ কি ব্যৱস্থা কৰিছে বিশেষকৈ লক্ষীমপুৰ আৰু ধুবুৰী জিলাত কি কৰিছে?

* শ্ৰী গৌতম বৰ ঃ অধ্যক্ষ মহোদয়, মই স্পেচিয়েলি ধুবুৰীৰ কথাহে কৈ আছো। দিল্লীৰ পৰা কমিশ্বনাৰ আহি আছে। গোটেই বিলাক খেলিমেলিৰ কথা বিধান সভা শেষ হোৱাৰ পিচতে তদন্ত কৰাৰ আৰম্ভ হ'ব আৰু তেতিয়া গম পাব।

* শ্ৰী আলী আকবৰ মিঞা ঃ নিযুক্তি দিয়াটোৱেই ইল্‌লিগেল।

* শ্ৰী গৌতম ৰয় ঃ সেই বিলাক টেম্পৰাৰি এগ্ৰিমেন্ট মাত্ৰ।

* শ্ৰী আলী আকবৰ মিঞা ঃ নায়েৰ আলগা আৰু মহামায়াত নিযুক্তি দিয়াৰ আগতে মই গুণগুণনি শুনি লিখি ৰাখিছিলো। তাৰ পিচত টেলিগ্ৰাম যাব বুলিও সকলোৱে গম পাইছে। মই পঢ়িছিলো। I am directed to kindly institute an enquiry into the matter.

মাননীয় অধ্যক্ষ ঃ আপুনি প্ৰশ্ন কৰক।

* শ্ৰী আলী আকবৰ মিঞা ঃ এই নিযুক্তিত কমিশ্বনাৰো জড়িত নেকি?

* শ্ৰী গৌতম ৰয় (মন্ত্ৰী) ঃ কমিশ্বনাৰ জড়িত নহয়। আমাৰ বিধায়ক সকলেই কৰি আছো। এ-

* Speech not corrected

জি-পিৰ কোনো বিধায়ক চেয়াৰম্যান পাতিবলৈ অহা নাই।

(সদনত ভালেকেইজন মাননীয় সদস্যই ক'বলৈ থিয় হয় কাৰো কথা ভালকৈ ধৰিব পৰা নাযায়।)

* শ্ৰী আলী আকবৰ মিঞা ঃ আচলতে বিধায়কক সোমাব লাগে। MLAs should monitoring of the District Committee and also Selection Committee. আমাৰ হাতত গাইডলাই আছে। গাইডলাইন থকাৰ পিচতো বিৰোধী দলৰ বিধায়কক কিয় চেয়াৰম্যান বা সদস্য পতা নাই।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য সকলে নিজে ভাবি চোৱা দৰকাৰ তেখেতসকলে নিজে সময় বেছি খৰচ কৰা হ'লে বাকী সদস্য সকলে কি কৰিব।

* শ্ৰী আলী আকবৰ মিঞা ঃ দ্বিতীয় কথা হৈছে চি-ডি-পি-অ দুজনে ব্লক অফিচত কাম কৰে যদিও দুমাহে অফিচলৈ যোৱা নাই।

* শ্ৰী ৰিপুণ বৰা ঃ পইন্ট অব অৰ্ডাৰ চাৰ, এজন বিধায়কে ইমান সময় ল'লে আমি কি কৰিম? আমাৰ বহুত প্ৰশ্ন আছে সেই বিলাক নাহিবই।

* শ্ৰী আলী আকবৰ মিঞা ঃ মহামায়া আৰু নায়েৰ আলগা ব্লকত বি-ডি-অ'ই লিখি দিছে দুমাহে ব্লক অফিচাৰ নাই পোৱা বুলি। তেনেহলে নিযুক্তি কেনেকৈ হ'ল মন্ত্ৰী মহোদয়ে পৰিস্কাৰ কৰি ক'বনে?

* শ্ৰী গৌতম ৰয় (মন্ত্ৰী) ঃ এই কথাটো চাই মই ব্যৱস্থা কৰিম চাৰ।

(সদনত গোলমাল)

(ভালেকেইজন মাননীয় সদস্যই ক'বলৈ উঠে। কাৰো মাত ভালকৈ ধৰিব পৰা নাযায়।)

**Mr. Speaker :** Now, Starred Question No. 383. Hon'ble Member, Shri Rameswar Tele to put his supplementaries.

**বিষয় ঃ কেচাঁ চাহ পাতৰ কৰ।**

**শ্ৰী ৰামেশ্বৰ তেলিয়ে সুধিছে ঃ**

* ৩৮৩। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কেঁচা চাহপাতৰ ওপৰত ৰাজ্য চৰকাৰে প্ৰতি কেজিত কিমান পইচাকৈ কৰ সংগ্ৰহ কৰে আৰু ইয়াৰ পৰা মুঠতে কিমান টকা চৰকাৰে লাভ কৰে?

(খ) অসমৰ চাহ শ্ৰমিকৰ উন্নয়ণৰ বাবে ইয়াৰ পৰা কিমান টকা খৰছ কৰা হয়?

**শ্ৰী দেৱানন্দ কোঁৱৰ (বিত্ত মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) Assam Taxation (on Specified Lands) Act. 1990 ৰ অধীনত ৰাজ্য

* Speech not corrected

চৰকাৰে প্ৰতি কেজি কেঁচা চাহপাতত ব্ৰহ্মপুত্ৰ উপত্যকাৰ চাহ বাগিছা সমূহৰ পৰা ৩২ পইচা আৰু বৰাক উপত্যকাৰ চাহ বাগিছা সমূহৰ পৰা ২৯ পইচা নিৰিখত কৰ সংগ্ৰহ কৰা হয়। অৱশ্যে ৪ হেক্টৰৰ ওপৰৰ পৰা ৪০ হেক্টৰ মাটি কালিৰ পৰিমানৰ বাগিছা সমূহৰ পৰা প্ৰতি কেজি কেঁচা চাহপাতত ২০ পইচা নিৰিখত কৰ সংগ্ৰহ কৰা হয়। ৪ হেক্টৰৰ তলৰ বাগিছা সমূহৰ ক্ষেত্ৰত কেঁচা চাহপাতৰ ওপৰত কৰ ৰাজহ সংগ্ৰহ কৰা নহয়। বিগত ২০০০-২০০১ বিত্তীয় বৰ্ষত এই কৰ সংগ্ৰহৰ পৰিমাণ আছিল ৫৫.৯৪ কোটি টকা (সাময়িক) কৰ ৰাজহ সংগ্ৰহ কৰা হৈছে।

(খ) কেঁচা চাহপাতৰ পৰা সংগৃহিত কৰ ৰাজহ চাহ শ্ৰমিকৰ উন্নয়নৰ বাবে পোনপতীয়াকৈ খৰচ কৰা নহয়।

* **শ্ৰী ৰামেশ্বৰ তেলী** ঃ চাৰ, মোৰ এটা প্ৰশ্ন আছিল। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। ২০০০-২০০১, ২০০২ এই কেইটা বছৰত ব্ৰহ্মপুত্ৰ উপত্যাকা আৰু বৰাক উপত্যকাত কিমান চাহপাত উৎপন্ন হৈছিল?

* **শ্ৰী দেৱানন্দ কোঁৱৰ (বিত্ত মন্ত্ৰী)** ঃ তেখেতে দুই নম্বৰত যিটো প্ৰশ্ন সুধিছিল তাৰ সম্পূৰ্ণ উত্তৰ দিয়া হৈছে। এতিয়া যিটো প্ৰশ্ন উত্থাপন কৰিছে সেইটো হ'ল অসমত প্ৰতি কিলোগ্ৰাম চাহপাতত কিমান কৰ সংগ্ৰহ কৰা হয় আৰু চৰকাৰৰ কিমান লাভ হয় আৰু চাহ শ্ৰমিকৰ উন্নয়ণৰ কাৰণে কিমান টকা খৰচ কৰা হয়। এইটোয়ে আছিল প্ৰশ্ন। মই ইয়াত সম্পূৰ্ণ উত্তৰ ইতিমধ্যে দিছো। ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰতি কেজিত ৩২ পইচাকৈ আৰু বৰাক ভেলিত প্ৰতি কেজিত ২৯ পইচাকৈ কৰ সংগ্ৰহ কৰা হয়। অৱশ্যে চাৰি হেক্টৰৰ পৰা চল্লিশ হেক্টৰলৈ যিবিলাক বাগান আছে তাত প্ৰতি কেজিত বিশ পইচাকৈ কৰ সংগ্ৰহ কৰা হয় আৰু চাৰি হেক্টৰৰ তলৰ যি বিলাক বাগিচা আছে তাৰ কেচাপাতৰ ওপৰত কোনো ৰাজহ সংগ্ৰহ কৰা নহয়। ২০০১-২০০২ এই বিত্তীয় বৰ্ষত দুয়োটা কৰ সংগ্ৰহৰ পৰিমাণ হৈছে ৫৫.৯৪ কোটি টকা আৰু ৪৯.২৬ কোটি টকা।

* **শ্ৰী ৰামেশ্বৰ তেলী** ঃ সেইটো উত্তৰ পাইছো কিন্তু ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত কিমান কেজি চাহপাত উৎপন্ন হৈছিল?

**মাননীয় অধ্যক্ষ** ঃ আপোনাৰ মূল প্ৰশ্ন আছিল মূল্যৰ ওপৰতহে।

* **শ্ৰী দেৱানন্দ কোঁৱৰ (বিত্ত মন্ত্ৰী)** ঃ আমি যিটো কৰ সংগ্ৰহ কৰিছিলো তাত ব্ৰহ্মপুত্ৰ উপত্যকাত ৩২ পইচা পাৰ কেজি আৰু বৰাক উপত্যকাত ২৯ পইচা। ইয়াত সৰ্ব্বমুঠ কৰ সংগ্ৰহৰ পৰিমাণ দিয়াই আছে গতিকে অংকতো কৰিলেই ওলাই পৰিব। উৎপাদন

---

* Speech not corrected

ফিগাৰটো বৰ্তমান মোৰ হাতত নাই। প্ৰয়োজন মতে পিচত দিব পৰা যাব।

* **শ্ৰী ৰামেশ্বৰ তেলী** ঃ চাহবাগানৰ পৰা কেচাপাত সংগ্ৰহ কৰা কোম্পানীয়ে কিমান টকা কৰ দিবলৈ বাকী আছে?

* **শ্ৰী দেৱানন্দ কোঁৱৰ (বিত্ত মন্ত্ৰী)** ঃ ইয়াৰ কাৰণে সম্পূৰ্ণ বেলেগ প্ৰশ্নৰ প্ৰয়োজন হ'ব।

* **শ্ৰী শৰৎ শইকীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে (খ) প্ৰশ্নৰ উত্তৰত যিটো কথা কৈছে সেই ক্ষেত্ৰত মই এটা কথা ক'ব বিচাৰিছোঁ যে কেঁচা চাহপাতৰ পৰা সংগৃহীত কৰ ৰাজহ চাহ শ্ৰমিকৰ উন্নয়ণৰ বাবে পোনপটীয়াকৈ খৰছ কৰা নহয় সেই ক্ষেত্ৰত কওঁ এই ৰাজহৰ পৰা কিছু টকা চাহ শ্ৰমিকৰ উন্নয়ণৰ বাবে দিলে ভাল হয়। অধ্যক্ষ মহোদয় আমাৰ অসমৰ চাহ বাগান সমূহত যি বিলাক বিদ্যালয় আছে সেই বিলাকত আমাৰ চৰকাৰৰ ফালৰ পৰা পোনপটীয়াকৈ একো নকৰে। বিশেষকৈ এল পি স্কুল সমূহত আমাৰ চৰকাৰৰ ফালৰ পৰা কিবা এটা অনুদান দিব পৰা ব্যৱস্থা কৰিলে ভাল হয়, কাৰণ এইটো ছাত্ৰ-ছাত্ৰীৰ পঢ়াশুনাৰ কথা সেয়ে এইটো মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলোঁ।

* **শ্ৰী দেৱানন্দ কোঁৱৰ (বিত্ত মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যিটো কথা কৈছে সেই কথাটোসম্পূৰ্ণ সঁচা নহয়। চাহবাগানৰ স্কুলৰ কাৰণে চৰকাৰৰ ফালৰ পৰা একো কৰা হোৱা নাই বুলি কৈছে সেইটো আমি মানি ল'ব নোৱাৰোঁ। কাৰণ তেখেতে নিজেও জানে তেখেতৰ সমষ্টিত আৰু মোৰ সমষ্টিতো চাহবাগানৰ স্কুল সমূহক অগ্ৰাধিকাৰ দি যি বিলাক চাহ বাগানত স্কুল নাই সেই ঠাইত এম এল এৰ ফাণ্ডৰ পৰা টকা দি চাৰিখন স্কুল কৰি দিছোঁ। চাৰিখন স্কুল কৰি দিয়া হৈছে। প্ৰয়োজন হ'লে মই নাম দিব পাৰো। কেঁচা চাহপাতৰ পৰা সংগ্ৰহ কৰা ৰাজহ পোনপটীয়াকৈ চাহবাগানৰ শ্ৰমিকৰ উন্নয়ণৰ কাৰণে খৰছ কৰিব পৰা নহয় কাৰণে বাজেটত চাহ বাগানৰ শিতানত শ্ৰমিকৰ উন্নয়ণৰ বাবে টকা ধাৰ্য্য কৰা হয়। সেইটো খৰছ কৰা হয়। চাহবাগানৰ টেক্সৰ পৰা পোনপটীয়াকৈ খৰছ কৰা নহয়, এইটো চৰকাৰৰ ৰাজহত জমা হয়। ২০০১-২০০২ চনৰ বিত্তীয় বৰ্ষত চাহ শ্ৰমিকৰ উন্নয়ণৰ বাবে ধাৰ্য্য কৰা ধনৰ পৰিমাণ আমি দিব পাৰো। তিনিটা হেডত এই টকা ধৰা হৈছে। প্ৰথমতে বাগিছা শ্ৰমিকৰ বাবে সামূহিক কেন্দ্ৰ পৰিকল্পনা বহিৰ্ভূত শিতানত ৬৯.৯৪ লাখ, আৰু পৰিকল্পনা শিতানত ৫.০০ লাখ। তাৰোপৰি চাহ কৰ্ম্মচাৰী কল্যাণ পুঁজিলৈও আমি দিওঁ। অসম চাহ কৰ্ম্মচাৰী কল্যাণ পুঁজিলৈ পৰিকল্পনা বহিৰ্ভূত শিতানত ১২ লাখ আকৌ পুৰণি চাহ বাগিছা আৰু চাহ বাগিছাত জনজাতিৰ বাবে কল্যাণ পুঁজি পৰিকল্পনা বহিৰ্ভূত শিতানত ৭.৫৮ লাখ আৰু পৰিকল্পনা শিতানত ১৫০ লাখ। ইয়াৰ উপৰিও ইতিমধ্যেই আমি চৰকাৰৰ ফালৰ পৰা চাহ শ্ৰমিকৰ উন্নয়ণৰ কাৰণে

* Speech not corrected

খৰছ কৰিব পৰাকৈ কিছু ব্যৱস্থা কৰি আছো।

* **শ্ৰী শৰৎ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে যিটো কৈছে সেইটো কাছাৰৰ আৰু অবিভক্ত শিৱসাগৰ জিলাৰ কথা কৈছে সেইটো আমি জানো। কিন্তু মই এই কাছাৰ বা শিৱসাগৰ জিলাক বাদ দি আৰু অন্যান্য জিলাৰ চাহ বাগান সমূহতো যাতে এই ব্যৱস্থা কৰে সেইটোহে অনুৰোধ কৰিছো। আসাম টি ট্ৰাইবচ্ ষ্টুডেন্টচ্ ইউনিয়নৰ ফালৰ পৰাও এই দাবী আহিছে। কেঁচা চাহপাতৰ পৰা পোৱা ৰাজহৰ পৰা তেওঁলোকৰ উন্নয়ণৰ বাবে অলপ দিবলৈ দাবী কৰিছে, এইটো আদিবাসী ছাত্ৰ সভাৰ দাবী। ময়ো এইকথাটোকে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

* **শ্ৰী দেৱানন্দ কোঁৱৰ (বিত্ত মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো বিবেচনা কৰিব পৰা যাব নিশ্চয়।

**Mr. Speaker :** Now, Starred Question No. 384. Hon'ble Member, Shri Girindra Kumar Barua.

## বিষয় ঃ কলং নদীৰ গড়াখহনীয়া।

**শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

* ৩৮৩। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাওঁ চহৰৰ সোঁ মাজেৰে বৈ যোৱা কলং নদীৰ গড়াখহনীয়া প্ৰতিৰোধৰ বাবে বিভাগৰ তৰফৰ পৰা এখন আঁচনি গ্ৰহণ কৰা হৈছিল নেকি?

(খ) যদিহে গ্ৰহণ কৰা হৈছিল, এই আঁচনিৰ কাম সম্পূৰ্ণ হ'ল নে?

(গ) এই আঁচনিৰ বাবে মুঠ কিমান টকাৰ অনুমোদন দিয়া হৈছিল?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, হৈছিল।

(খ) এই আঁচনিৰ কাম বৰ্তমানলৈ সম্পূৰ্ণ হোৱা নাই।

(গ) এই আঁচনিৰ বাবে মুঠ ১৭২.৪৫ লাখ টকাৰ অনুমোদন দিয়া হৈছিল।

মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মেজত দিয়া হৈছে।

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে তেখেতে (খ) প্ৰশ্নৰ উত্তৰত যিটো কৈছে যে আঁচনিৰ কাম সম্পূৰ্ণ হোৱা নাই সেই ক্ষেত্ৰত মোৰ প্ৰশ্নটো হ'ল কামটো সম্পূৰ্ণ নকৰাৰ কাৰণ কি? আঁচনিখনৰ কোন কোনো অংশ কৰিবলৈ বাকী আছে?

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** মাননীয় অধ্য মহোদয়, কামটো সম্পূৰ্ণ নকৰাৰ কাৰণটো হ'ল গোটেই

* Speech not corrected

স্কীমটোত মুঠ ১৭২.৪৫ লাখ টকা ধাৰ্য্য কৰা হৈছিল যদিও তাৰ পৰা আমি এতিয়ালৈকে ৪৫.৯৮ লাখহে পাইছো আৰু তাৰ পৰা ঠিকাদাৰক পেমেন্ট দিয়া হৈছে। গোটেই টকা খিনি নোপোৱাৰ কাৰণে কামটো সম্পূৰ্ণ কৰিব পৰা নাই আৰু আমি কামত আগবাঢ়িব পৰা নাই।

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই যিখন নদীৰ কথা কৈছো এইখন কলং নদী, নগাওঁ চহৰৰ মাজেদি বৈ গৈছে। আগতে চহৰৰ সৌন্দৰ্য্য বৰ্দ্ধন কৰিছিল যদিও শেহতীয়াকৈ ই অভিশাপতহে পৰিণত হৈছে। কাৰণ চহৰৰ মাজমজিয়াত এই নদীয়ে এতিয়া গড়াখহনীয়াৰ সৃষ্টি কৰিছে। এইটো আজি চাৰি বছৰ ধৰি হৈ আহিছে। সেই কাৰণে এই নগাওঁ চহৰ খনৰ স্বাৰ্থতে হওক বা নাগৰিকৰ স্বাৰ্থতে হওঁক এই কামৰ বাবে যি টকাৰ অনুমোদন আছিল সেই অনুমোদিত টকাখিনি মোকলাই অনাৰ ব্যৱস্থা কৰি এই কামটো সম্পূৰ্ণ কৰিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ব্যৱস্থা লোৱা হ'ব। কাৰণ আমাৰ এই গোটেই আঁচনিটোৰ শতকৰা ৬০ ভাগ কাম হৈয়েই গৈছে বাকী মাথো শতকৰা ৪০ ভাগহে আছে। এইটো ৰাজ্য চৰকাৰৰ অধীনৰ স্কীম গতিকে ২০০২-২০০৩ চনৰ ভিতৰতে এই আঁচনিৰ কামখিনি সম্পূৰ্ণ কৰিবৰ কাৰণে ব্যৱস্থা লোৱা হ'ব।

**Mr. Speaker :** Now, Starred Question No. 385. Hon'ble Member, Shri Gunin Hazarika.

**বিষয় ঃ সূতা কল।**

**শ্ৰী গুণীন হাজৰিকাই সুধিছে ঃ**

* ৩৮৩। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোলাঘাটৰ সূতাকল বৰ্তমান কি অৱস্থাত আছে?

(খ) কুশল কোঁৱৰ সূতাকল পুনৰ কাৰ্য্যক্ষম কৰিবলৈ চৰকাৰে কেনে ধৰণৰ ব্যৱস্থা লৈছে?

(গ) ব্যক্তিগত কোনো উদ্যোগপতি/কোম্পানীক লিজত (Lease) দিয়া হৈছিল নেকী?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (সমবায় বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বৰ্তমান শ্বহীদ কুশল কোঁৱৰ সমবায় সূতাকলৰ অৱস্থা সংকটজনক।

(খ) সূতাকলটোৰ পৰিচালনা উন্নত কৰিবৰ কাৰণে সমবায় কলটো ব্যক্তিগত খণ্ডৰ উদ্যোগীৰ হাতত লীজত অৰ্পণ কৰাৰ ব্যৱস্থা লোৱা হৈছিল।

(গ) ব্যক্তিগত খণ্ডৰ উদ্যোগপতিৰ হাতত সমবায় কলটো লীজত দিয়াৰ উদ্দেশ্য এখন সাময়িক চুক্তি (Provisional MOU) স্বাক্ষৰ কৰা হৈছিল। লীজৰ চুক্তি স্বাক্ষৰিত হোৱা নাই।

* Speech not corrected

* শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মেজৰ ৰখা হৈছে।

* শ্ৰী গুণীন হাজৰীকা ঃ মাননীয় অধ্যক্ষ মহোদয়, গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ সমবায় সূতা কল বন্ধ হৈ আছে। মাননীয় মন্ত্ৰী মহোদয়ে (খ) প্ৰশ্নৰ উত্তৰত কৈছে যে সমবায় কলটো ব্যক্তিগত খণ্ডত উদ্যোগীৰ হাতত লীজত অৰ্পণ কৰাৰ ব্যৱস্থা লোৱা হৈছিল। এতিয়া কথা হ'ল কি কাৰণত লীজত দিয়াৰ ব্যৱস্থা কৰাৰ পিছতো এতিয়ালৈকে লোৱা হোৱা নাই? সাময়িক ভাৱে চুক্তি এখনো কৰা হৈছিল বুলি কৈছে কিন্তু তথাপিও এতিয়ালৈকে কিয় দিয়া হোৱা নাই?

* শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, শ্বহীদ কুশল কোঁৱৰ সমবায় সূতা কল M/s Balra নামৰ উৰিষ্যাৰ এই প্ৰতিষ্ঠানটোক লীজত দিয়াৰ কথা আছিল কিন্তু তেওঁলোকে এতিয়া সময় লৈছে। লীজত দিয়াৰ কাৰণে যি চুক্তি ৰখা হৈছে সেইটো টেম্পৰেৰীহে। ফাইনেল এগ্ৰিমেন্ট কৰিবৰ কাৰণে পাৰমেনেন্ট চুক্তি যোৱা ৮ ডিচেম্বৰ তাৰিখে কৰা হৈছে।

* শ্ৰী গুণীণ হাজৰিকা ঃ মাননীয় অধ্যক্ষ মহোদয়, গোলাঘাট জিলাৰ কুশল কোঁৱৰ সূতাকলটো কাৰ্য্যক্ষম কৰাৰ বাবে কিবা ব্যৱস্থা হাতত লৈছে নেকি?

* শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি এই বিষয়ে বিভিন্ন গ্ৰুপৰ লগত আলোচনা কৰি আছো। আগতে উৰিষ্যাৰ যিটো গ্ৰুপক এই কামটো কৰিবলৈ দিয়া হৈছিল তেওঁলোকৰ টাৰ্ম ইতিমধ্যে শেষ হোৱা কাৰণে আমি অন্যান্য গ্ৰুপৰ লগত আলোচনা চলাই আছো।

* শ্ৰী প্ৰেমধৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই সূতাকলটো কাৰ্য্যক্ষম কৰাৰ কাৰণে যিটো গ্ৰুপৰ লগত চুক্তি হৈছিল সেই চুক্তিখন মাননীয় মন্ত্ৰী মহোদয়ে আজি সদনত দাখিল কৰিব নেকি?

* শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, তেওঁলোকক সাময়িক ভাবেহে দিয়া হৈছিল কিন্তু এতিয়া তেওঁলোকৰ টাৰ্ম শেষ হৈছে। সেই সময়তে তেওঁলোকে মেৰামতিৰ বাবে কিছুমান কাম হাতত লৈছিল আৰু ৮০ শতাংশ কাম শেষ কৰিছিল।

* ডঃ জয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই সূতাকলটোত চৰকাৰৰ কিমান টকাৰ চেয়াৰ আছিল?

* শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্য চৰকাৰৰ চেয়াৰ আছিল ১৮৭৪৩.৫০ কোটি টকা।

* শ্ৰী জীতেন গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে বাত্ৰা কম্পেনীয়ে শ্বহীদ কুশল কোঁৱৰৰ নামফলকখন উঠাই পেলাইছে। ইয়াৰ ফলত শ্বহীদ জনক অবমাননা কৰা হৈছে।

* Speech not corrected

গতিকে অতি সোনকালে নামফলক খন লগোৱাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

* শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বাট্ৰাৰ কম্পেনীৰ লগত কৰা চুক্তিখনৰ ম্যাদ শেষ হোৱাৰ পিচত গোলাঘাট জিলাৰ উপায়ুক্তক এই সূতাকলটো চলোৱাৰ বাবে নিৰ্দ্দেশ দিয়া হৈছিল। কিন্তু, বাট্ৰা কম্পেনীয়ে উচ্চ ন্যায়ালয়ে কাষ চপাৰ ফলত তেওঁলোকক পুনৰ এই কামটো চলাবৰ বাবে ন্যায়ালয়ে ৰায় দিয়ে। নামফলক আঁতৰোৱাৰ খবৰ আমি এতিয়াহে পালো মই এই বিষয়ত জিলাৰ উপায়ুক্ত নিৰ্দ্দেশ দিম আৰু অতি শীঘ্ৰে নামফলক লগোৱা ব্যৱস্থা কৰা হ'ব।

**Mr. Speaker :** Starred Question No. 386, Hon'ble Member, Shri Mission Ranjan Das,

## Re. : Lease of Karimganj Natia Khal.

**Shri Mission Ranjan Das asked :**

* 381. Will the Minister of Revenue be pleased to State :

(a) Whether the Government has taken any step on the proposal submitted by the Deputy Commissioner, Karimganj in 2000 for giving "Karimganj Natia Khal" on lease for 4/5 years term instead of one year?

(b) If so, state it in detail?

(c) If not, state reason thereof?

(d) From when "Karimganj Natia Khal" has not been given on lease and what are the reasons of not giving it on lease?

(e) What are the problems facing by people of Karimganj Town due to non-maintenance of it and what step will taken to remove such problems and when?

**Shri Debanand Konwar (Minister of Revenue) replied :**

(a) No such proposal received from the Deputy Commissioner, Karimganj in 2000.

(b) Does not arise.

(c) Does not arise.

(e) Since 1994.

<u>Reasons are</u> :

(i) The Fishery is converted into various parts due to settlement of portion of it to N.R.I. and construction of

* Speech not corrected

road in place of Earl Bridge and three other embankments and as such Natia Khal Fishery has lost its original shape.

(ii) This fishery is not registered fishery under Rule 16 of Assam Land Revenue Regulation.

(e) (i) That water body has become a common place for the entire town people for dumping of garbages and other wastes. As a result it has created an unhygenic atmosphere.

(ii) It has affected some buildings situated at its bank. Reportedly, no scheme is taken by the concerned authorities till data to undertake development works of this water body.

* **শ্ৰী মিশ্বন ৰঞ্জন দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিছে সেইটো সম্পূৰ্ণ শুদ্ধ নহয়। কৰিমগঞ্জ জিলাৰ নাটিয়াখাল পুখুৰিটো মাত্ৰ ১ বছৰৰ বাবে লিজত দিয়া হৈছিল। ১ বছৰৰ বাবে লিজত দিয়াৰ বাবে সেইটো কোনেও ল'ব নোখেজে। কাৰণ ১ বছৰৰ কাৰণে ল'লে যথেষ্ট লচ্ হয়। এইটো অন্ততঃ ৪/৫ বছৰৰ কাৰণে লিজত দিয়া ব্যৱস্থা কৰিব লাগে। আমি দেখিছো যে যোৱা ১৯৯৪ চনৰ পৰা ৰাজ্য চৰকাৰে ইয়াৰ পৰা কোনো ৰাজহ পোৱা নাই। এইটো একমাত্ৰ হৈছে ৰাজ্য চৰকাৰৰ পলিচিৰ কাৰণে। সেইকাৰণে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে এইটো অন্ততঃ কমেও ৩ বছৰৰ কাৰণে লিজত দিয়াৰ ব্যৱস্থা কৰে যেন।

**Shri Debanand Konwar (Minister of Revenue)** : Since 1994, Natia Khal Fishery has not been given on lease because of the Fishery is now converted into various parts due to settlement of portion of it to N.R.I. and construction of Road in place of Earl Bridge and three other Embankments and as such the Natia Khal Fishery has lost its original shape. The Fishery is not a registered Fishery under rule 16 of the provision of the State Acquisition of Zamindaries Act, 1951. This Fishery is located in the middle of Karimganj Town and it has become a common place for the entire town people for dumping of garbages and other wastage. As a result, this has created an unhygenic atmosphere - On the other hand water of Natia Khal Fishery caused crack on some

* Speech not corrected

buildings situated at bank of this Fishery.

To remove the problems, the Natia Khal Fishery can be utilised for development of Karimganj town if proper planning is made either by Town and Country Planning Deptt. or by Tourism Deptt. with immediate effect. Deputy Commissioner is being asked to mobilise resources from various sources and draw up a scheme for its development. The sanction of area development fund under the MLAs and MPs can also be explored by the Deputy Commissioner.

**Shri Mission Ranjan Das :** It is only an official reply. Whether the Govt. is willing to look into it? What action has been taken on the report submitted by D.C. in this regard.

**Shri Debanand Konwar (Minister of Revenue) :** D.C. Karimganj has submitted a report of non-submission of report.

**Mr. Speaker :** Now, Starred Question No. 387 was not taken up for discussion as the questioner was not present in the House when called for. However, the said question deemed to have been laid on the table of the House with replies thereto.

**বিষয় ঃ বিদ্যুৎ উৎপাদন।**

**শ্ৰী শুকুৰ আলি আহমেদে সুধিছে ঃ**

*৩৮৭। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান বিদ্যুৎৰ চাহিদা কিমান?

(খ) অসমৰ কোন বিদ্যুৎ উৎপাদনৰ প্ৰকল্পৰ উৎপাদন ক্ষমতা কিমান আৰু উৎপাদন কৰিছে কিমান?

**শ্ৰী দেৱানন্দ কোঁৱৰ (শক্তি মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসমত বৰ্তমান সৰ্ব্বোচ্ছ বিদ্যুৎৰ চাহিদা ৫৮০ মেগাৱাট।

(খ) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ বিদ্যুৎ উৎপাদক প্ৰকল্প সমূহৰ উৎপাদন ক্ষমতা আৰু তাৰ বিপৰীতে বৰ্তমানে উৎপাদন কৰি থকা বিদ্যুৎৰ পৰিমাণ তলত দিয়া ধৰণৰঃ-

| কেন্দ্ৰৰ নাম | উৎপাদন ক্ষমতা | উৎপাদন কৰা বিদ্যুৎৰ পৰিমাণ |
|---|---|---|
| ১। বঙাইগাওঁ তাপবিদ্যুৎ কেন্দ্ৰ | - ২৪০ মেগাৱাট | - ২০ মেগাৱাট |

| কেন্দ্ৰৰ নাম | উৎপাদন ক্ষমতা | | উৎপাদন কৰা বিদ্যুৎৰ পৰিমাণ | |
|---|---|---|---|---|
| ২। চন্দ্ৰপুৰ তাপবিদ্যুৎ কেন্দ্ৰ | - ৬০ | মেগাৱাট | - ০ | মেগাৱাট |
| ৩। লাকুৱা তাপবিদ্যুৎ কেন্দ্ৰ | - ১২০ | ” | - ৫০ | ” |
| ৪। নামৰূপ তাপবিদ্যুৎ কেন্দ্ৰ | -১৩৩.৫ | ” | - ৬০ | ” |
| ৫। মবাইল গেচ টাৰ্বাইন কেন্দ্ৰ (কঠালগুৰি, গেলেকী) | - ১৮.৯ | ” | - ০ | ” |
| ৬। বৰদিখাৰু ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্প | - ২.০ | ” | - ০ | ” |
| | ৫৭৪.৪ | মেগাৱাট | - ১৩০ | মেগাৱাট |

**Mr. Speaker :** Now, Starred Question No. 388 Hon'ble Member, Shri Dilip Kumar Saikia.

**বিষয় ঃ আমিন গাঁৱৰ ৰাজীৱ গান্ধী সোঁৱৰণী ক্ৰীড়া প্ৰকল্প।**

**শ্ৰী দিলীপ কুমাৰ শইকীয়া আৰু**

**শ্ৰী জগদীশ ভূঞাই সুধিছে ঃ**

* ৩৮৮। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটীৰ আমিন ৰাজীৱ গান্ধী সোঁৱৰণী ক্ৰীড়া প্ৰকল্প বৰ্তমান কি পৰ্য্যায়ত আছে?

(খ) উক্ত প্ৰকল্পৰ বাবে অসম চৰকাৰে, ৰাজীৱ গান্ধী ন্যাস, আদিকে ধৰি কি কি উৎসৰ পৰা কিমান কিমান টকা আহিছিল, মুঠ কিমান টকা আৱন্টন হৈছিল?

(গ) উক্ত টকা কি কি কামত ব্যয় হ'ল আৰু কিমান টকা বাকী আছে? (সবিশেষ দাখিল কৰিব)

(ঘ) উক্ত প্ৰকল্প কোনে তদাৰক কৰিছিল? (ব্যক্তি হ'লে ব্যক্তিৰ নাম, আৰু সংগঠন হ'লে সংগঠনৰ নাম আৰু বিষয়ববীয়া সকলৰ নাম ঠিকনা জনাব)

(ঙ) ৰাজ্য চৰকাৰে কিমান মাটি আৱন্টন দিছিল আৰু কাৰ নামত দিছিল? (সবিশেষ জনাব)

(চ) উক্ত প্ৰকল্পৰ আধাৰশিলা কোন চনত আৰু কোনে স্থাপন কৰিছিল?

(ছ) আধাৰ শিলাৰ ফলক বৰ্তমানেও আছেনে?

(জ) এই সম্পৰ্কে ৰাজ্য চৰকাৰে তদন্ত সমিতি গঠন কৰিছিল নেকি?

(ঝ) যদি কৰিছিল, কেতিয়া কৰিছিল আৰু তদন্তৰ প্ৰতিবেদন কেতিয়া দাখিল কৰিছিল আৰু তদন্তৰ প্ৰতিবেদনৰ ওপৰত ব্যৱস্থা হ'লনে?

(ঞ) তদন্তৰ প্ৰতিবেদন সদনত দাকিল কৰিবনে?

শ্ৰী গৌতম ৰয় (ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) নিৰ্মাণৰ প্ৰাৰম্ভিক পৰ্য্যায়ত আছে।

(খ) চৰকাৰে ১৯৯৫-৯৬ বিত্তীয় বৰ্ষত মুঠতে ২৭৫ লাখ টকাৰ অনুদান দিছিল। ৰাজীৱ গান্ধী ন্যাস তথা অন্য কোনো উৎসৰ পৰা কোনো আৱন্টন লাভ কৰাৰ কথা চৰকাৰৰ জ্ঞাত নহয়।

(গ) ১০০ লাখ টকা আৰ্কট্ৰেক নামৰ নিৰ্মাণ সন্থাটোক আগধন হিচাবে দিয়াত ব্যয় কৰা হৈছে আৰু বাকী ১৭৫ লাখ টকা এতিয়াও চৰকাৰৰ ৰাজহ শিতানত জমা হৈ আছে।

(ঘ) প্ৰকল্পৰ কাম হৈ থকা অৱস্থাত তদাৰক কৰিছিল "ৰাজীৱ গান্ধী সোঁৱৰণী ক্ৰীড়া ন্যাস"। এই ন্যাসৰ সেই সময়ৰ সভাপতি আছিল মাননীয় মুখ্যমন্ত্ৰী আৰু সদস্য সচিব আছিল শ্ৰী হিমন্ত বিশ্ব শৰ্মা। (তেতিয়াৰ অধিসূচনাৰ প্ৰতিলিপি আৰু বিষয়ববীয়া সকলৰ তালিকা ক্ৰমে পৰিশিষ্ট 'ক' আৰু 'খ' গাঠি দিয়া হ'ল।

(ঙ) ৰাজিক্য ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিলৈ চৰকাৰে আমিনগাঁৱত ৯৯ বিঘা ৪ কঠা ১৫ লেচা (দাগ নং ৩০৫) মাটিৰ আৱন্টন দিছিল।

(চ) ১৯৯৫ চনত প্ৰয়াত ৰাজীৱ গান্ধীৰ পত্নী শ্ৰীমতী ছোনিয়া গান্ধীয়ে প্ৰকল্পৰ আধাৰ শিলা স্থাপন কৰিছিল।

(ছ) হয় আছে।

(জ) নাই কৰা।

(ঝ) প্ৰশ্ন নুঠে।

(ঞ) প্ৰশ্ন নুঠে।

* শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰত দেখা গৈছে যে গোটেই উত্তৰ কেইটায়ে বিসংগতি পূৰ্ণ। অৰেলত এটা উত্তৰ আৰু ৰিটেনত এটা বেলেগ উত্তৰ। বিশেষকৈ গ প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে ১০০ লাখ টকা আৰ্কট্ৰেক নিৰ্মাণ সংস্থাটোক আগধন হিচাবে দিয়াত ব্যয় কৰা হৈছে আৰু বাকী ১৭৫ লাখ টকা এতিয়াও চৰকাৰৰ ৰাজহ শিতানত জমা হৈ আছে। এইটো হ'ল অৰেলৰ উত্তৰ। ৰিটেনত গ প্ৰশ্ন উত্তৰত আছে যে ১৯৯৫/৯৬ বিত্তীয় বৰ্ষত

* Speech not corrected

মুঠতে ২ কোটি ৭৫ লাখ টকা আগবঢ়াইছিল। ইয়াৰে ১ কোটি টকা ক্রীড়া সঞ্চালকালয়ৰ জৰীয়তে ২১-১১-৯৫ তাৰিখে সেই সময়ৰ সদস্য সচিবক দিয়া হৈছিল। বাকী টকা চৰকাৰৰ ৰেভিনিউ ডিপজিটত আছে। মাননীয় অধ্যক্ষ মহোদয়, একেজন মন্ত্রী একেটা বিভাগ, অথচ অৰেলট এটা উত্তৰ আৰু ৰিটেনত এটা উত্তৰ। অৰেল ৰিটেন আজি দুয়োটায়ে একেলগে আহিছে। ১ কোটি টকাৰ কাম নকৰাকৈ কেনেকৈ আগধন দিলে। এইটো মাননীয় মন্ত্রী মহোদয়ে উত্তৰ দিব লাগে। আৰু কেইটামান বিসংগতিপূৰ্ণ হৈছে। ৰাজীব গান্ধী ক্রীড়া প্রকল্পটো প্রাক্তন প্রধান মন্ত্রী ৰাজীব গান্ধীৰ সোঁৱৰণত হৈছে সেইটো আমি বেয়া পোৱা নাই। এই প্রকল্পটোৰ কাম কৰিবলৈ প্রত্যেক চনৰ কাৰণে বাউন্দাৰী ওৱাল নির্মাণ কৰা হৈছিল। পাইল ফাউন্দেচন কৰা হৈছিল ৭০ লাখ টকা খৰছ কৰি। যিখিনি পাইল ফাউন্দেচন হৈছিল তাৰ গোটেইখিনি ৰ'ড এতিয়া উঠাই লৈ গৈছে। ইয়াৰ ফলত কমেও ৫০ লাখ টকা নষ্ট হৈছে। ইয়াৰ বাবে পুলিচ কেচ দিয়া হৈছে নে নাই মন্ত্রী মহোদয়ে জনাব লাগে।

* **শ্ৰী গৌতম ৰয় (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে নিজেই কৈছে যে এই প্রকল্পটো চাবলৈ মাননীয় মুখ্যমন্ত্রী নিজেই গৈছিল। তেখেতে যিটো অৰেলৰ উত্তৰৰ কথা কৈছে সেইটো ঠিকেই আছে। তেওঁ যিটো আগধন দিয়াৰ কথা কৈছে সেইটো দিয়া হৈছে। কিছুমান কামৰ ক্ষেত্ৰত আগধন দিয়াৰ নিময় আছে। অধ্যক্ষ মহোদয়, এইটো বৰ দুখৰ কথা যে তাত যিবিলাক কাম হৈছিল সেই বিলাক আমাৰ চৰকাৰ যোৱাৰ লগে লগে নষ্ট হৈ গ'ল। আমাৰ চৰকাৰৰ দিনত তাত সেইবোৰ চোৰা-চিতাৰ বাবে এসকর্ট দিব নোৱাৰে বুলি। আমাৰ মাননীয় সদস্য হিমন্ত বিশ্ব শৰ্মা সেই সময়ত এই প্রকল্পৰ সদস্য সচিব আছিল। ইমান ধুনীয়া এটা কাম আমাৰ ৰাজ্যখনৰ কাৰণে হোৱাৰ বাবে সঁচাকৈয়ে শৰ্মা ডাঙৰীয়াক আমি ধন্যবাদ জনাব লাগে। ইমানবোৰ বস্তু এসকর্টৰ অভাৱত নষ্ট হৈ যোৱাৰ ফলত গোটেই অসমৰে ক্ষতি হ'ল। আজি সকলোৱে কৈ আছে যে গুৱাহাটীত এখন ভাল ষ্টেডিয়াম লাগে। আজিও ষ্টেডিয়ামৰ বাবে আমাৰ মাননীয় সদস্য উৎপল দত্তই মোক এখন চিঠি দিছে। অধ্যক্ষ মহোদয়, মই তেখেতক ধন্যবাদ জনাইছো, এই কাৰণেই যে তেখেতে খেলৰ বাবে যথেষ্ট উৎসাহ লোৱাৰ বাবে।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত দুটা উত্তৰ হৈছে। এইটো বৰ সাংঘাটিক কথা। যিজন বিষয়াই এই তথ্য দিছে সেইজন বিষয়াৰ ওপৰত কিবা শাস্তিমূলক ব্যৱস্থা ল'ব নে নাই? সেই বিষয়াজনক চাচপেন কৰিব লাগে।

* **শ্ৰী গৌতম ৰয় (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, The answer is same. সেই কোম্পানীৰ

* Speech not corrected

মানুহ আৰু এদিন আহিছিল। তেওঁলোকে আৰু ১ কোটি টকাৰ ওপৰত পাব। কিন্তু এ,জি,পি চৰকাৰ আহিয়েই এসৰ্কট উঠাই দিয়াৰ ফলত তাত থকা সকলো বস্তু নষ্ট হৈ গ'ল। ইয়াৰ বাবে এ,জি,পি চৰকাৰেই দায়ী।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি এ,জি,পি চৰকাৰেই দায়ী তেনেহলে তদন্ত হওঁক তাত আমাৰ আপত্তি নাই। আমি আদৰণি জনাম। অধ্যক্ষ মহোদয়, তেওঁলোকে একিউজ কৰিছে। মন্ত্ৰী মহোদয়ে অৰেলৰ এটা উত্তৰ দিছে আৰু ৰিটেনত এটা উত্তৰ দিছে। গতিকে গোটেই বিষয়টো তদন্তৰ বাবে হাউচ কমিটিক দিয়ে, এফ বি আইক দিয়ে, 'ৰ'ক দিয়ে, চি আইক দিয়ে যতেই দিয়ে দিয়ক তাত আমাৰ আপত্তি নাই, কিন্তু তদন্ত হ'ব লাগে। অধ্যক্ষ মহোদয়, মই টেকনিকেল মানুহ নহয়। কিন্তু মই টেকনিকেল এক্সপাৰ্টৰ লগত কথা পাতি গম পাইছো যে তাত যিবোৰ পাইল নষ্ট হৈ গ'ল তাৰ বাবে সেইবোৰ নতুনকৈ পুনৰ নিৰ্মাণ কৰিব লাগিব। সেই কোম্পানীটোক আগধন হিচাপে কিয় ১ কোটি টা দিয়া হৈছিল। অধ্যক্ষ মহোদয়, এনেদৰে আগধন দিয়াৰ নিয়ম নাই। গতিকে এই বিষয়ে তদন্ত হ'ব লাগে। লগতে বিষয়াজনৰ শাস্তি হ'ব নে নাই জনাব লাগে।

* **শ্ৰী গৌতম ৰয় (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়াজনৰ ওপৰত ব্যৱস্থা লোৱাৰ প্ৰশ্নই উঠিব নোৱাৰে। অধ্যক্ষ মহোদয়, আমি জানো যে কিছুমান কামৰ ক্ষেত্ৰত আগধন দিয়াৰ নিয়ম আছে। আমাৰ ইয়াৰ গড়কাপ্তানি মন্ত্ৰী আৰু বান নিয়ন্ত্ৰণ মন্ত্ৰী আছে তেওঁলোককো আগধন দিয়াৰ বিষয়ে সুধিব পাৰে। যিহেতু কিছুমান কামৰ ক্ষেত্ৰত আগধন দিয়াৰ নিয়ম আছে সেই কাৰণে তেওঁলোকক এই কামৰ বাবে আগধন দিয়া হৈছিল।

* **শ্ৰী হিমন্ত বিশ্ব শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পৰ কথা ওলাওতে মোৰ নামো যিহেতু আহিছে সেয়ে মই এই সম্পৰ্কে দুষাৰ ক'বলৈ বিচাৰিছো। অধ্যক্ষ মহোদয়, শংকৰদেৱ কলাক্ষেত্ৰ আৰু ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পৰ কাম এটা পাৰ্টিকে দিয়া হৈছিল। শংকৰদেৱ কলাক্ষেত্ৰৰ কামৰ বাবে ১৫ শতাংশ আগধন আৰু ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পৰ বাবে ১৪ শতাংশ আগধন দিয়াৰ ব্যৱস্থা কৰা হৈছিল। এই এগ্ৰিমেন্টটো এডভোকেট জেনেৰেল আৰু এল, আৰে কৰি থৈছিল। অধ্যক্ষ মহোদয়, ১৯৯৭ চনত মাননীয় সদস্য দিলীপ শইকীয়াই এই প্ৰকল্পটোৰ বাবে এটা প্ৰশ্ন কৰিছিল, তেতিয়া মুখ্যমন্ত্ৰী শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই উত্তৰত কৈছিল যে ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পৰ বাবে বৰ্তমান ৬৪০ টা পাইলিং কৰা হৈছে বুলি উত্তৰ দিছিল। এই ৰেকৰ্ড সদনত এতিয়াও আছে। সিদিনা যেতিয়া মই মাননীয় মুখ্যমন্ত্ৰীৰ লগত এই প্ৰকল্পটো চাবলৈ গৈছিলো তেতিয়া দেখিলো যে সেই সময়ত মুখ্যমন্ত্ৰীয়ে দিলীপ

* Speech not corrected

শইকীয়াৰ প্ৰশ্নৰ উত্তৰত দিয়া আইটেম কেইটা এতিয়া তাত নাই।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী দিলীপ শইকীয়া ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰত যি কেইটা আইটেম আছিল বুলি কৈছে, সেই কেইটা নাই। প্ৰথমে ৰ'দ কাটিছিল, পুলিচক চিঠি দিয়া হৈছিল মই নিজেও চিঠি দিছিলো। মই চিঠিত কৈছিলো উত্তৰ দিয়ক, কিন্তু উত্তৰ নিদিলে। ৰ'দ চুৰি কৰি লৈ গৈছে, ৰেকৰ্ড কৰি থৈ দিছে। আজিও মই মাননীয় সদস্য শ্ৰী বৃন্দাবন গোস্বামী ডাঙৰীয়াৰ লগত আলোচনা হৈছো। এতিয়া প্ৰশ্ন কৰিব খুজিছো ৰাজীৱ গান্ধী স্মৃতিৰ কাৰণে এক কোটি সাত শ টকাৰ কাম হৈছিল। মই ক্ৰীড়া মন্ত্ৰী ডাঙৰীয়াক প্ৰশ্ন কৰিব খুজিছো, প্ৰথম কথা ১৯৯৯ চনত ভাস্কৰজ্যোতি মহন্ত, এচ,পি, থাক্লোতে চুৰি ৰ'দৰ কাৰণে তদন্ত কৰিবলৈ নিৰ্দ্দেশ দিব লাগে বুলি কোৱা হৈছিল। কাৰণ তাত ৰাজীৱ গান্ধীৰ স্মৃতি বিজৰিত হৈ আছে। মই প্ৰশ্ন কৰিছো এতিয়া এই ক্ৰীড়া প্ৰকল্পটোত যিটো ঘটিছে তাৰ তদন্ত কৰা হ'ব নেকি?

* শ্ৰী গৌতম ৰয় (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গৰাকীক আশ্বাস দিছো নেচনেল পাৰ্ক, ৰাজীৱ গান্ধী ষ্টেডিয়ামৰ বাবে যদি নিৰ্দ্দেশ পোৱা হয় তাৰ ব্যৱস্থা কৰা হ'ব।

* শ্ৰী জগদীশ ভূঞা ঃ মাননীয় অধ্যক্ষ মহোদয়, ষ্ট্ৰাক্টৰ বাই নেম আছিল, ন'টিফিকেশ্বন হৈছে নেকি, পি, ডবলিউ, ডি,ৰ এচেচমেন্ট আহিছে নেকি?

* শ্ৰী গৌতম ৰয় (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, অহা নাই।

* শ্ৰী জগদীশ ভূঞা ঃ অধ্যক্ষ মহোদয়, ইয়াৰ ব্যৱস্থা কৰিব নেকি?

* শ্ৰী গৌতম ৰয় (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, কৰা হ'ব।

* শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, এমাহত নে দুমাহত হ'ব, কোনে কৰিব?

* শ্ৰী গৌতম ৰয় (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, সোনকালে ব্যৱস্থা কৰা হ'ব।

* শ্ৰী হিমন্ত বিশ্বা শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, দুৰ্নীতি তদন্ত কৰিবৰ কাৰণে দাবী কৰিছো। ৰ'দ কাটি লৈ যোৱা হৈছে, সেইটো তদন্ত কৰিব লাগে।

* শ্ৰী জগদীশ ভূঞা ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰ দিছিল, চৰকাৰে মূল্য নিৰ্দ্ধাৰণ নিৰ্দ্দেশ দিছিল, চৰকাৰে মূল্য নিৰ্দ্ধাৰণ কৰিব নেকি?

মাননীয় অধ্যক্ষ ঃ এইটো হৈ গৈছে। এতিয়া তাৰাংকিত প্ৰশ্ন নং ৩৮৯, মাননীয় সদস্য শ্ৰী সৰ্ব্বানন্দ সোনোৱাল।

---

* Speech not corrected

**বিষয় ঃ বিদ্যুৎ যোগান।**

**শ্ৰী সৰ্বানন্দ সোনোৱালে সুধিছে ঃ**

* ৩৮৯। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সমগ্ৰ অসমতে বিদ্যুৎ যোগানৰ ক্ষেত্ৰত স্বাৱলম্বীতা আনিবৰ কাৰণে বিভাগৰ তৰফৰ পৰা কিবা নতুন আঁচনি প্ৰস্তুত কৰিছে নেকি আৰু যদি কৰিছে কি কি কৰিছে?

(খ) বৰ্তমান সময়ত সমগ্ৰ অসমৰ বাবে কিমান পৰিমাণৰ বিদ্যুৎ শক্তি প্ৰয়োজন?

**শ্ৰী দেৱানন্দ কোঁৱৰ (শক্তি মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) কৰিছে। বিদ্যুৎ যোগানৰ ক্ষেত্ৰত স্বাৱলম্বিতা আনিবৰ বাবে উৎপাদন, প্ৰৱহন আৰু বিতৰণৰ কেইবাটাও আঁচনি গ্ৰহণ কৰা হৈছে।

নিজস্ব উৎপাদনৰ ঘাটি কেন্দ্ৰীয় চৰকাৰৰ অধিনস্থ বিদ্যুৎ উৎপাদন কৰা প্ৰতিষ্ঠান সমূহৰ পৰা ক্ৰয় কৰি পূৰণ কৰা হ'ব।

আঁচনি সমূহৰ সবিশেষ উল্লেখ কৰা হ'ল।

<u>উৎপাদন ঃ</u>

(১) কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্প - 2 x 30 MW.

(২) ধনশিৰি প্ৰকল্প - 20 MW.

(৩) লাকুৱা ওৱেষ্ট হিট প্ৰকল্প - 25 MW.

(৪) আমগুৰি প্ৰকল্প - 3 x 30 MW.

ইয়াৰ উপৰিও তলত দিয়া নতুন প্ৰকল্প Detailed Project Report প্ৰস্তুত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(১) কাৰ্বি লাংপি প্ৰকল্প (Upper stage)-2x30 MW.

(২) লৱাৰ কপিলি প্ৰকল্প - 2x50+1x50 MW.

(৩) কাৰ্বি লাংপি প্ৰকল্প (Intermediate Stage) - 1 x 30 MW.

(৪) মিনট্ৰিয়াং জলবিদ্যুৎ প্ৰকল্প (Stage-I)- 2x30 MW.

(Stage-II)2x1.5

<u>প্ৰৱহণ লাইন আৰু উপকেন্দ্ৰ ঃ-</u>

১। 220 KV. BTPS - আগিয়া সৰুসজাই লাইন

২। 220 KV. সৰুসজাই - লাংপি লাইন

৩। 220 KV. তিনিচুকীয়া কঠালগুৰি লাইন

৪। 2x100 MVA, 220/132 KV. সৰুসজাই উপকেন্দ্ৰ

৫। 2x50 MVA, 220/132 বালিপাৰা উপকেন্দ্ৰ

৬। 2x100 MVA, 220/132 KV. মৰিয়নি উপকেন্দ্ৰ

৭। 2x50 MVA, 220/132 KV. তিনিচুকীয়া উপকেন্দ্ৰ

বিতৰণ ঃ

11 KV. line - 51 CKT km.

LT. line - 87 CKT Km.

(খ) বৰ্তমান সমগ্ৰ - অসমৰ বাবে ৫৮০ মেগাৱাট বিদ্যুৎ শক্তিৰ প্ৰয়োজন।

* **শ্ৰী সৰ্বানন্দ সোনোৱাল** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শক্তি মন্ত্ৰী ডাঙৰীয়াই মোৰ প্ৰশ্নৰ উত্তৰত যি উত্তৰ দিয়া হৈছে সেই উত্তৰ ৰাজ্যখনত স্বাৱলম্বনৰ ক্ষেত্ৰত চৰকাৰে বিশেষ ভাবে চাব লগা হৈছিল। শক্তি মন্ত্ৰী ডাঙৰীয়াই যি উত্তৰ দিছে, এই উত্তৰৰ দ্বাৰা ৰাজ্যখনত কেতিয়াও শক্তিৰ ক্ষেত্ৰত স্বাৱলম্বী হ'ব নোৱাৰে। মই শক্তি মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো বিদ্যুৎ বিভাগৰ পৰা চাৰভে কৰি যিখিনি তথ্য যোগান ধৰা হয়, সেই মতে মানি চলিছে নে নাই? সমগ্ৰ অসমত বিদ্যুৎ মাত্ৰ ৮০ এম,ডবলিউ, প্ৰয়োজন। কিন্তু চৰকাৰে ৫৫০ এম, ডবলিউ, বিদ্যুৎ শক্তিৰ প্ৰয়োজন বুলি কৈছে। এইটো মই জানিব বিচাৰিছো।

* **শ্ৰী দেৱানন্দ কোঁৱৰ (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, প্ৰশ্নটো আছিল, সমগ্ৰ অসমতে বিদ্যুৎ যোগানৰ ক্ষেত্ৰত স্বাৱলম্বীতা আঁচনিৰ কাৰণে বিভাগৰ ফালৰ পৰা কিবা নতুন আঁচনি প্ৰস্তুত কৰিছে নেকি? কি কি কৰিছে? এতিয়া ৰাজ্যখনৰ বিদ্যুৎ যোগানৰ স্বাৱলম্বিতাৰ ক্ষেত্ৰত মাননীয় সদস্য সকলে জানে, কিছুমান বিদ্যুৎ প্ৰকল্প চলি আছে আৰু কিছুমান বিকল হৈ আছে। কিন্তু ৰাজখনৰ বিদ্যুৎ যোগানৰ ক্ষেত্ৰত আমি অসুবিধা পোৱা নাই। কিয়নো অসমত চেন্ট্ৰেল গৰ্ভনমেন্টৰ প্ৰকল্প আছে। তাৰ পৰা বিদ্যুৎ ক্ৰয় কৰি আমাৰ প্ৰকল্পৰ পৰা বিদ্যুৎ উৎপাদন কৰি থকা হৈছে। এই কথাটো জানিবলৈ পাই সুখী হৈছো, অকল অসমতে নহয়, উত্তৰ পুৰ্বাঞ্চলৰ দুই হেজাৰ মেগাৱাটৰ অধিক বিদ্যুৎ পোৱা হয়। অসমত ছয় শ মেগাৱাট আচলতে ৫৮০ মেগাৱাট লাগে। গোটেই উত্তৰ পুৰ্বাঞ্চলৰ বাবে ১১ শ মেগাৱাট, ন শ সাত মেগাৱাট চাপ্লাই কৰি আছে। এইটো আমি পাইছো নামৰূপ, লাকোৱা, বঙাইগাও আৰু এন,টি,পি,চি, নেপকোৰ পৰা ক্ৰয় কৰা হয়। স্বাৱলম্বনৰ ক্ষেত্ৰত ক্ৰয়ৰ বাবে চাপ্লাই এভেইলেবিলিটি আছে। ট্ৰেন্সফৰমাৰৰ অভাৱৰ কাৰণে ইয়াত যোগান ধৰিব পৰা নাই।

* **শ্ৰী সৰ্বানন্দ সোনোৱাল** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিটো ইউনিট আছে, তাৰ পৰা নলৈ অন্য

* Speech not corrected

প্ৰতিষ্ঠানৰ পৰা লোৱাটোক স্বাৱলম্বন নুবুজায়। নেপকো, এন,টি,চি,পি,ৰ পৰা ক্ৰয় কৰি আছে, কুল বেছদ, হাইড্ৰোবেছড কিয় ৭৭৯ সম্পূৰ্ণ কৰিব নোৱাৰে।

* শ্ৰী দেৱানন্দ কোঁৱৰ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, সেইটো সম্ভৱ নহয়। আমাৰ যি কেইটা প্ৰকল্প আছে, বঙাইগাওঁ ২৪০ ৰ ঠাইত ২০ মেগাৱাট উৎপাদন কৰি আছে। দুই কোটি পাৰ মেগৱাট লাগে।

Starred Question No. 390 to 400 could not be taken up for discussion as the Question Hour was over. However the said questions deemed to have been laid on the table of the House with replies thereto.

## Re. : Nos. of Sales Tax Gates.

**Shri Parimal Sukla Baidya asked :**

*390. Will the Minister of Finance be pleased to State :

(a) How many Sales Tax Gates are there in Assam and in what entry points?

(b) How much revenue collected by the Government through these Gates during the year 2000-2001?

(c) What is the amount of tax collected from the Sales Tax Gates at Barak Valley entry & exit points?

(d) Whether the tax collected by the Dholai Check Gate is satisfactory?

(e) If so, how much tax Government of Assam collects from Dholai Sales Tax Gate by taxing Bricks, Sand and Gravels moving to Mizoram from Cachar District during the year 2000-2001/2001-2002?

(f) Whether there is any levy of Sales Tax on 'Pan' (bettle leaf) produced locally in the district by S.T. and S.T.P. people?

(g) If so, what is the rate of Tax and how much tax collected from Cachar District during the year 2000-2001?

**Shri Devanand Konwar (Minister, Finance) replied :**

(a) There are twelve Sales Tax Check gates in Assam.

The names of the check gates and their locations/entry points are given below :-

* Speech not corrected

| Sl. No. | Name of the Check gates | Locations/entry points |
|---|---|---|
| 1. | Boxirhat | Chhagolia, Dist.-Dhubri (At Assam Bengal Border) |
| 2. | Damra | Srirampur, Dist.-Kokrajhar (At Assam Bengal Border) |
| 3. | Kabaitory | Jogighopa, Dist.-Bongaigaon (Internal Checkpost) |
| 4. | Bhalukdubi (on experimental basis) | Bhalukdubi, Dist.Goalpara (Internal Checkpost) |
| 5. | Jalukbari | Jalukbari, Dist.-Kamrup (Internal Checkpost) |
| 6. | Khanapara | Khanapara, Guwahati Dist.-Kamrup (At Assam Meghalaya Border) |
| 7. | Batamari | Batamari, Dist.-Sonitpur (Internal Checkpost) |
| 8. | Biswanath Chariali | Biswanath Chariali, Dist.-Sonitpur (For Assam Arunachal Border) |
| 9. | Sukhanjan | Sukhanjan, Dist.-Karbi Anglong (At Assam Nagaland Border) |
| 10. | Dholaibazar | Dholai, Dist.-Cachar (At Assam Mizoram Border) |
| 11. | Churaibari | Churaibari, Dist.Karimganj (At Assam Tripura Border) |
| 12. | Digharkhal | Digharkhal, Dist.-Cachar (At Assam Meghalaya Border) |

(b) There is no provision of realisation of tax at the check gates. Only the tax security is collected from the vehicles carrying taxable goods without valid statutory documents. During the year 2000-2001 an amount of Rs. 22.83 crores was collected at tax security.

(c) Rs.63.05 lakhs are was collected as tax security during 2000-2001.

(d) The collection of security money at Dholaibazar checkgate has been found to be in order. No tax is collected in the checkgate.

(e) Collection of tax security against Bricks, Sands and Gravels is as under -

| | | |
|---|---|---|
| 2000-2001 | - | Rs. 2.74 lakhs |
| 2001-2002 | - | Rs. 4.85 lakhs. |

(f) Pan (betel leaf) is general are taxable under the Assam General Sales Tax Act, 1993 and this is applicable to all irrespective of whether the producer belongs to S.T.P. or S.T.H. and irrespective of whether the commodity is produced locally or imported from outside the state. The tax is leviable on the dealers whose taxable turnoever in the year exceeds Rs. 1.00 (one) lakhs.

(g) The rate of tax on Pan (betel leaf) is 8%, Amount of tax on 'Pan' collected from S.T.P. and S.T.H. producers of Cachar district is not readily available.

## Re. : Newly Schemes.

**Dr. Zoii Nath Sarmah asked :**

* 390. Will the Minister of Flood Control be pleased to State :

(a) What are the schemes that are being taken up newly by the present Government?

(Division wise figures be shown)

(b) What are the schemes in Darrang District lying incompleted?

(c) What steps have been taken by the Department so as to complete such incomplete schemes?

**Shri Bharat Ch. Narah (Minister of Flood Control) replied :**

(a) The schemes being taken up newly by the present

Government. (as included in the Annual plan for 2001-2002) under different heads are as follows :-

| | No. of schemes | Cost |
|---|---|---|
| (i) State Plan (General | 31 Nos. | Rs. 1905.20 (L) |
| (ii) Centrally sponsored schemes | 15 Nos. | Rs. 6630.79 (L) |
| | Total 46 Nos. | Rs. 8535.99 (L) |

(Division wise list of schemes is furnished in the Annexure)(See the Annexure-VI)

(b) The Schemes lying in-completed in Darrang District are as follows -

(i) "Drainage of Patidarrang and its adjoining low-lying areas under Mangaldoi Civil Sub-Division including re-construction of sluice culvert at 17th Km. of B/dyke from Rangamati to Kurua "Estimated cost Rs. 753.84 (lakhs).

(ii) "R/S of B/dyke from Rangamati to Kurua (Ch. 'O' M to 2050 M)" Estimated cost Rs. 118.96 (lakhs).

(iii) "Construction of M.E. along B/B of river Ghogra from Patgirichuba to Duni-Patharighat P.W.D. road (Ch. 'O' M to 4500 M)" Estimated cost Rs. 149.63 (lakhs).

(iv) "F.D.R. to construction of sluice accross Diggorat 1.5 Km. of Nonoi river R/B for 1999-2000". Estimated cost Rs. 54.00 (lakhs).

(c) To complete these schemes the F.C. Department has been endeavouring with utmost effort to procure adequate fund flow from different sources.

**বিষয় ঃ 'ছাই'ৰ আঞ্চলিক কাৰ্য্যালয়।**

**শ্ৰী মদন কলিতাই সুধিছে ঃ**

* ৩৯২। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) খেলা ধূলা ও যুৱা কল্যাণৰ বৃহত্তৰ স্বাৰ্থত পূৰ্বাঞ্চলৰ দুৱাৰমুখ সদৃশ গুৱাহাটীত 'ছাই' (Sports Authority of India)ৰ আঞ্চলিক কাৰ্য্যালয় এটা নিৰ্মাণৰ বাবে অসম চৰকাৰে ভাৰত চৰকাৰৰ খেল ও যুৱ কল্যাণ মন্ত্ৰালয়ৰ লগত যোগা-যোগ কৰিবনে?

(খ) নতুন প্ৰজন্মৰ অসমৰ খেলুৱৈক অধিক সুশিক্ষিত কৰাৰ মানসৰে বৰ্তমান চৰকাৰে Sports College, Sports Schools, মিনি ষ্টেডিয়াম আদি স্থাপন কৰাৰ কথা বিবেচনা কৰিব নে?

(গ) যদি কৰে, নলবাৰী জিলাত এখন 'Sports College' স্থাপনৰ ব্যৱস্থা ল'ব নে?

(ঘ) বৰ্তমান নলবাৰী জিলাত Sports & Youth Welfare বিভাগৰ অধীনৰ কি কি অনুষ্ঠানে খেলুৱৈৰ উন্নতিৰ স্বাৰ্থত ফলপ্ৰসুভাবে কাম কৰি আছে?

শ্ৰী গৌতম ৰয় (ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, কৰি আছে।

(খ) Sports College আৰু Sports school আদি স্থাপনৰ আঁচনি চৰকাৰে বৰ্তমান হাতত লোৱা নাই যদিও ঠায়ে টায়ে মিনি ষ্টেডিয়ামৰ কাম কৰি থকা হৈছে।

(গ) বৰ্তমান তেনে আঁচনি নাই।

(ঘ) বৰ্তমান নলবাৰী জিলা ক্ৰীড়া সন্থা, চামতা আঞ্চলিক ক্ৰীড়া সংঘ, বৰমা আঞ্চলিক ক্ৰীড়া সংঘ আদিয়ে ফলপ্ৰশুভাবে কাম কৰি আছে। সেই জিলাত বিভাগৰ ফালৰ পৰা এজন জিলা ক্ৰীড়া আৰু যুৱ কল্যাণ বিষয়া নিয়োগ কৰা হৈছে।

**বিষয় ঃ বিদ্যুৎ যোগান ব্যৱস্থা।**

**শ্ৰী পানীৰাম ৰাভাই সুধিছে ঃ**

* ৩৯৩। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰমা সমষ্টিৰ কিমান খন গাওঁত বিদ্যুৎ যোগানৰ ব্যৱস্থা আছে?

(খ) চাপৰা গাওঁৰ ৰাইজে বিদ্যুৎ যোগানৰ বাবে আবেদন কৰিছিল নেকি?

(গ) প্ৰতিটো সমষ্টিৰ বাবে নতুন ট্ৰেন্সফৰ্মাৰ যোগান ধৰিব নেকি?

**শ্ৰী দেৱানন্দ কোঁৱৰ (শক্তি মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১০৮ খন গাওঁত।

(খ) বোৰ্ডৰ স্থানীয় কাৰ্য্যালয়ৰ পৰা পোৱা প্ৰতিবেদন মতে তেনেকুৱা কোনো আবেদন পোৱা হোৱা নাই।

(গ) ধন প্ৰাপ্তিৰ সাপেক্ষে যোগান ধৰা হ'ব।

**বিষয় ঃ ম্যাদীপট্টা প্ৰদান।**

**শ্ৰী ৰঞ্জিত দত্তই সুধিছে ঃ**

* ৩৯৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

বিহালী সমষ্টিত ১৯৯৯-২০০০, ২০০০-২০০১, ২০০১-২০০২ চনলৈকে একচনা আৰু

চিলিং মাটিৰ বসবাস কৰা কিমানজন লোকক ম্যাদী পট্টা দিয়া হ'ল?

(তালিকা দাখিল কৰিব)

শ্ৰী দেৱানন্দ কোঁৱৰ (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

বিহালী সমষ্টিত

(ক) ১৯৯৯-২০০০ চনত ২৫ টা পৰিয়ালক ১৩৬ বিঘা ১ কঠা ১১ লোচা চিলিং উদ্বৃত্ত মাটি একচনা পট্টা দি সেই বছৰতে ম্যাদী কৰি দিয়া হয়।

(খ) ২০০০-২০০১ চনত ১৫৫ টা পৰিয়ালক ৬৫০ বিঘা ৪ কঠা ১২ লোচা চিলিং উদ্বৃত মাটি একচনা পট্টা দি সেই বছৰতে ম্যাদী পট্টা কৰি দিয়া হয়।

(গ) ২০০১-২০০২ চনত কোনো একচনা বা ম্যাদী পট্টা দিয়া হোৱা নাই।

পট্টা পোৱা মুঠ লোকৰ সংখ্যা ১৮৫ জন।

(তালিকা উপায়ুক্তৰ পৰা যোৱা হোৱা নাই)।

**বিষয় ঃ গেটৰ Entry Tax.।**

**শ্ৰী দীনেশ চন্দ্ৰ সৰকাৰে সুধিছে ঃ**

* ৩৯৫। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ছাগলীয়া (বক্সীৰহাট) আৰু শ্ৰীৰামপুৰ চেকগেটৰ চেলটেক্স বিভাগৰ পৰা বছৰি কিমান টকা আয় হয়, পৃথকে পৃথকে দেখুৱাব নে?

(খ) এই আয় চৰকাৰে ভবা মতে হয় নে?

(গ) কি কি বস্তুৰ ওপৰত Entry Tax লোৱা হয়, প্ৰতিবিধ বস্তুৰ Entry Tax ৰ নিৰিখৰ এখন তালিকা দিব নে?

(ঘ) সৰ্বোচ্চ Tax কোনবিধ বস্তুৰ ওপৰত আদায় লোৱা হয় আৰু এইবিধ বস্তুৰ ট্ৰাক গড়ে প্ৰতিদিনে কিমান খনকৈ অহা যোৱা কৰে?

(ঙ) এই চেকগেটবোৰত মনিটৰিঙৰ কিবা ব্যৱস্থা আছে নে?

(চ) যদি আছে এই দায়িত্ব কাৰ কাৰ ওপৰত ন্যস্ত কৰা হৈছে?

**শ্ৰী দেৱানন্দ কোঁৱৰ (বিত্ত মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ছাগালীয়া (বক্সীৰহাট) আৰু শ্ৰীৰামপুৰ চেকগেটত পোনপটীয়া ভাবে কোনো ধৰণৰ কৰ ৰাজহৰ আয় নহয়। কেৱল অসম সাধাৰণ বিক্ৰী কৰ আইন, ১৯৯৩ ৰ বিধি অনুসাৰে আৱশ্যকীয় নথিপত্ৰ (Statutory Documents) তালাচী চকীত দেখুৱাব নোৱাৰা ট্ৰাক সমূহৰ পৰা কৰ আমানত (Tax security) ধনহে সংগ্ৰহ কৰা হয়। ২০০১-২০০২ বিত্তীয় বৰ্ষৰ ফেব্ৰুৱাৰী মাহলৈকে উক্ত গেট দুখনত সংগ্ৰহ

কৰা আমানত ধনৰ পৰিমান এনেধৰণৰ -

(১) ছাগালীয়া (বক্সীৰহাট) চেকগেট - ২৩১.৯১ লাখ টকা

(২) দমৰা (শ্ৰীৰামপুৰ) চেকগেট - ১৬৯.৬৯ লাখ টকা

(খ) প্ৰশ্ন নুঠে।

(গ) অসম Entry Tax আইনৰ তালিকাভুক্ত নিৰ্দ্দিষ্ট দ্ৰব্য সমূহৰ নাম আৰু তাৰ বিপৰীতে কৰৰ নিৰিখ, ইয়াৰ লগত পৰিশিষ্ট হিচাবে সংলগ্ন কৰি দিয়া হৈছে। (See the Annexure - VII)

(ঘ) কৰ পৰীক্ষণ চকীত যিহেতু কোনো কৰ আদায় লোৱা নহয় গতিকে বিশেষ সামগ্ৰীৰ ওপৰত সৰ্বোচ্চ কৰ আধায় পোৱাৰ প্ৰশ্ন নুঠে।

(ঙ) আছে।

(চ) ৰাজ্যিক পৰ্য্যায়ত কৰ আয়ুক্তৰ ওপৰত আৰু সংমণ্ডল পৰ্য্যায়ত সংশ্লিষ্ট উপ-কৰ আয়ুক্তৰ ওপৰত ন্যস্ত কৰা হৈছে।

**বিষয় ঃ ক্ষুদ্ৰ চাহ বাগিছা।**

**শ্ৰী ৰিহন দৈমাৰীয়ে সুধিছে ঃ**

* ৩৯৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নিবনুৱা সমস্যা সমাধান কৰিবৰ কাৰণে শিক্ষিত নিবনুৱা যুৱক সকলক ক্ষুদ্ৰ চাহ বাগিছা খোলাৰ বাবে অসম চৰকাৰৰ আৰ্থিক সাহায্য ঋণ ইত্যাদি দিয়াৰ ব্যৱস্থা আছে নে?

(খ) যদি আছে দৰং জিলাত কিমানখন তেনেকুৱা ক্ষুদ্ৰ চাহ বাগিছা সমূহক আৰ্থিক সাহায্য ঋণ দিয়া হৈছে?

(গ) বৰ্ত্তমান দৰং জিলাত বিশেষকৈ BAC এলেকাত চৰকাৰী খাছ মাটিত কিমান ক্ষুদ্ৰ চাহ বাগিছা আছে আৰু কিমানজন শিক্ষিত নিবনুৱাই ক্ষুদ্ৰ চাহ বাগিছা সমূহত সংস্থাপন পাইছে?

(ঘ) ক্ষুদ্ৰ চাহ বাগিছা থকা এই খাছ মাটিবোৰক আবণ্টন দিয়াৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছে নে?

(ঙ) ওদালগুৰি বিধান সভা সমষ্টিৰ অৰ্ন্তগত থকা 'ব্ৰাদাৰ হুদ টি গ্ৰইং ফাৰ্ম' (Brotherhood Tea Growing Farm) নামৰ ক্ষুদ্ৰ চাহ বাগিছাখনে মাটি আবন্টন ও ম্যাদীকৰণৰ বাবে মহকুমাধিপতিৰ ওচৰত যোগাযোগ কৰাটো সত্য নে, আৰু যদি সত্য হয়, চৰকাৰে কি ব্যৱস্থা লৈছে?

শ্ৰী দেৱানন্দ কোঁৱৰ (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) তেনেকুৱা ব্যৱস্থা চৰকাৰৰ হাতত নাই যদিও ভূমি আৱন্টনত অগ্ৰাধিকাৰ দিয়াৰ ব্যৱস্থা আছে।

(খ) প্ৰশ্ন নুঠে।

(গ) দৰং জিলাৰ BAC এলেকাত ৩২ খন ক্ষুদ্ৰ চাহ বাগিছা আছে আৰু ২৩১ জন শিক্ষিত নিৱনুৱা যুৱকে সংস্থাপন পাইছে।

(ঘ) হয়, আৱন্টন বা পট্টন দিয়াৰ প্ৰণালী বিবেচনাধীন হৈ আছে।

(ঙ) হয়, সঁচা। ২ নং মাজুলী আৰু ৪ নং মাজুলী গাওঁত ২৪১ বিঘা ৩ কঠা ১৬ লেচা মাটি আৱন্টন দিয়া হৈছে।

## বিষয় ঃ উগ্ৰপন্থী বিৰোধী অভিযান।

শ্ৰী পবিন্দ্ৰ ডেকাই সুধিছে ঃ

* ৩৯৭। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) উগ্ৰপন্থী বিৰোধী অভিযান আৰু আইন শৃংখলা ৰক্ষাৰ নামত ২০০১ চনৰ জুন মাহৰ পৰা ২০০২ চনৰ ফেব্ৰুৱাৰী মাহলৈ চৰকাৰৰ কিমান টকা খৰছ হ'ল?

(খ) উগ্ৰপন্থী বিৰোধী অভিযানৰ বাবে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা পায়নে?

(গ) যদি পায় বছৰে কিমান পৰিমাণৰ টকা পায়?

শ্ৰী দেৱানন্দ কোঁৱৰ (বিত্ত বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০১ চনৰ জুন মাহৰ পৰা ২০০২ চনৰ ফেব্ৰুৱাৰী মাহলৈ উগ্ৰপন্থী বিৰোধী অভিযান আৰু আইন শৃংখলা ৰক্ষাৰ কাৰণে ২১১৬.১৩ লাখ টকা খৰছ হৈছে।

(খ) পায়।

(গ) বছৰি ধনৰ পৰিমাণ একে নেথাকে। গৃহ মন্ত্ৰালয়ৰ অনুমৰি কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰলৈ টকা মুকলি কৰে।

## বিষয় ঃ চৰ এলেকাৰ মাটি পটন।

শ্ৰী গোপীনাথ দসে সুধিছে ঃ

* ৩৯৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত বহুবছৰৰ পৰা চৰ এলেকাত বসবাস কৰা লোক সকলৰ মাটি জৰীপ কৰি পট্টন/আৱণ্ট দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

(খ) যদি কৰা হয় তেন্তে কেতিয়া কৰা হ'ব?

শ্ৰী দেৱানন্দ কোঁৱৰ (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বকো সমষ্টিৰ চৰ এলেকা সমূহৰ জৰীপ পৰ্য্যায় ক্ৰমে কৰি থকা হৈছে।

(খ) জৰীপ সম্পূৰ্ণ হ'লে যোগ্যতা ভিত্তিত প্ৰচলিত ভূমি নীতি অনুসৰি পৰ্য্যায় ক্ৰমে পট্টন/আৱণ্টন দিয়া হ'ব।

**বিষয় ঃ টকা ধাৰ্য্য।**

শ্ৰী ৰূপন ছিং ৰংহাংয়ে সুধিছে ঃ

* ৩৯৯। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) Tribal Sub-Planৰ অন্তৰ্গত Hills Areaৰ বাবে ২০০০-২০০১ আৰু ২০০১-২০০২ বছৰত কিমান টকা ধাৰ্য্য কৰা হৈছিল?

(খ) Hills Areaৰ বাবে যোৱা ২০০০-২০০১ আৰু বছৰত কিমান টকা মোকলাই দিয়া হৈছে?

(গ) বিভিন্ন Deptt. ৰ যোগেদি ১৯৯৮ চনৰ পৰা ২০০২ চনৰ জানুৱাৰীলৈ FDR আৰু AR শিতানত কাৰ্বি আংলং আৰু উত্তৰ কাছাৰৰ বাবে কিমান টকা মোকলাই দিয়া হৈছে?

শ্ৰী দেৱানন্দ কোঁৱৰ (বিত্ত বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) পাৰ্বত্য অঞ্চলৰ বাবে ২০০০-২০০১ চনত ১৬৩.০৩ কোটি টকা অৰু ২০০১-২০০২ চনত ১৬৬.৩৭ কোটি টকা ধাৰ্য্য কৰা হৈছিল।

(খ) পাৰ্বত্য অঞ্চলৰ বাবে ২০০০-২০০১ চনত মুঠ ১৬৮.৫৭ কোটি টকা আৰু ২০০১-২০০২ চনত মুঠ ১৮১.০৫ কোটি টকা মোকলাই দিয়া হৈছে।

(গ) ১৯৯৮ চনৰ পৰা ২০০২ চনৰ জানুৱাৰীলৈ FDR আৰু AR শিতানত কাৰ্বি আংলং আৰু উত্তৰ কাছাৰৰ বাবে মুঠ ৬.২১ কোটি টকা মোকলাই দিয়া হৈছে।

**বিষয় ঃ বিল্লেশ্বৰ দেৱালয়ৰ বছৰেকীয়া অনুদান।**

শ্ৰী নীলমনি সেন ডেকাই সুধিছে ঃ

* ৪০০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

বিল্লেশ্বৰ দেৱালয়ৰ বছৰেকীয়া অনুদান চৰকাৰে বৃদ্ধি কৰাৰ বাবে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰী দেৱানন্দ কোঁৱৰ (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

The Assam State Acquisition of Lands Belonging to Religious or Charitable Institution of Public Nature Act., 1959 ৰ ৮ (৭) (খ)

দফা অনুসৰি যি সমূহ দেৱালয়ৰ বছৰেকীয়া অনুদান এক লাখ টকাৰ কম সেই সমূহ দেৱালয়ৰ অনুদান প্ৰথমে নিৰ্দ্ধাৰণ কৰাৰ পাছত প্ৰথমবাৰ মুঠ অনুদানৰ ২৫ শতাংশ বৃদ্ধি কৰিব পাৰি। বিল্লেশ্বৰ দেৱালয়ৰ বাৰ্ষিক অনুদান প্ৰথমে ৬৬০৪ টকাত ধাৰ্য্য কৰাৰ পাছত ১৩৯৫ ভাস্কৰাব্দত প্ৰথম ২৫ শতাংশ বৃদ্ধি কৰি অনুদানৰ পৰিমাণ ৮২৫৫ টকাত ধাৰ্য্য কৰা হয়। গতিকে দেৱালয়ে ১৪০৫ ভাস্কৰাব্দৰ বছৰেকীয়া অনুদান লোৱাৰ সময়ত এই অনুদানৰ পৰিমাণ পুনৰাই ২৫ শতাংশ বৃদ্ধি কৰিব পৰা যাব।

## SHORT NOTICE QUESTION AND ANSWERS

**Hon'ble Speaker :** Now Short Notice Question. Question No. 12 to be raised by Hon'ble Member Shri Ali Akbar Miah.

**বিষয় ঃ হিন্দী শিক্ষকৰ নিযুক্তি বাতিল সম্পৰ্কে।**

**শ্ৰী আলি আকবৰ মিঞাই সুধিছে ঃ**

১২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাৰ আমবাৰী সাহী ইছলামীয়া হাই মাদ্ৰাছাত অকৰ্তৃত্বশীল ভাবে I/S, Dhubri য়ে হিন্দী শিক্ষকৰ পদত ছফিকুৰ আলম নামৰ এজনক নিযুক্তি দিয়াটো সঁচানে?

(খ) উক্ত নিযুক্তিৰ প্ৰসংগৰ B(3)S.123/2001/11 dt. 9.4.2001. নং B(3)S.123/2001/106 dt. 30.03.2001, নং GIS/HE/CC/109/2000/30 dtd. 26.04.2001, নং B(3)S. 694/2001/12 dt. 22.11.2001 ৰ বিপৰীতে নিযুক্তিটো বাতিল কৰা হ'লনে?

(গ) যদি হোৱা নাই তেন্তে অতি সোনকালে উক্ত নিযুক্তি বাতিল কৰাৰ ব্যৱস্থা চৰকাৰে ল'বনে?

(ঘ) এনেদৰে অবৈধ নিযুক্তি দিয়া বিষয়াৰ বিৰুদ্ধে আইন সংগত ব্যৱস্থা গ্ৰহণ কৰিবনে?

**শ্ৰী হেমপ্ৰকাশ নাৰায়ণ (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) সঁচা।

(খ) বাতিল কৰা হ'ল।

(গ) প্ৰশ্ন নুঠে।

(ঘ) প্ৰমাণিত হ'লে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**Mr. Speaker :** Now Short Notice Question No. 13, Hon'ble Member Shri Shri Pabindra Deka.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী।

শ্ৰী পবিন্দ্ৰ ডেকাই সুধিছে ঃ

১৩। মাননীয় বিদ্যুৎ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক প্ৰতিমাহে বিভিন্ন শিতানৰ খৰছৰ বাবদ কিমান টকাৰ প্ৰয়োজন হ'ব?

(খ) প্ৰতিমাহে বিদ্যুৎ পৰিষদৰ কিমান টকা আয় হ'ব?

(গ) বৰ্তমান বিদ্যুৎ পৰিষদত কিমান জন কৰ্মচাৰী (বিষয়াৰ পৰা চতুৰ্থ শ্ৰেণীলৈ) আছে?

(ঘ) এই কৰ্মচাৰী সকলক নিয়মীয়াকৈ দৰমহা দি থকা হৈছেনে?

শ্ৰী দেৱানন্দ কোঁৱৰ (শক্তি মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ক্ৰয় কৰা বিদ্যুৎ পৰিমাণ, নিজস্ব উৎপাদন আৰু বিতৰণ কৰা বিদ্যুৎৰ বাবে ব্যয়

(খ) আৰু বিদ্যুৎ বিক্ৰী কৰি লাভ কৰা আয়ৰ ওপৰত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ মুঠ আয় আৰু ব্যয় নিৰ্ভৰ কৰিব।

(গ) বৰ্তমান বিদ্যুৎ পৰিষদত ১৭,৫২৬ জন কৰ্মচাৰী আছে।

(ঘ) এতিয়ালৈ দৰমহা দি থকা হৈছে।

* ডঃ জয় নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয় পইন্ট অব অৰ্ডাৰ - আপুনি ৰুলিং দিছিল যে সদন চলি থাকোতে বাতৰি কাকত কোনো সদস্যই পঢ়িব নোৱাৰে বুলি। এতিয়া দেখা গৈছে সদনত দুজন মাননীয় সদস্যই বাতৰি কাকত পঢ়ি আছে।

* শ্ৰী ৰিপুণ বৰা ঃ অধ্যক্ষ মহোদয়, ৰুল ২৭৫ ত উল্লেখ আছে Except in connection with the business of the House.

**Mr. Speaker :** Rule 275 clearly says that while the House is sitting, a member -

(i) shall not read any book, newspaper or letter except in connection with the business of the House;

(ii) shall not interrupt any member while speaking by improper expression or noises or in any other improper manner;

(iii) shall bow to the chair while taking or leaving his seat;

(iv) shall not pass between the chair and any member who is speaking;

(v) shall not leave the House when the Speaker is addressing the House;

* Speech not corrected

(vi) shall always address the Chair;

(vii) shall keep his usual seat;

(viii) shall maintain silence when not speaking in the House;

(ix) shall not applaud when a stranger enter any of the gallaries or the Special Box;

(x) shall not while speaking make any reference to the strangers in any of the gallaries

(xi) shall not obstruct proceedings, his or interrupt and shall avoid making running commentories when speeches are being made in the House.

* শ্ৰী ভৰত চন্দ্ৰ নৰহ (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ৰুল ২৭৫ ৰ ১০ ত আছে (x) of Rule 275 says that "shall not while speaking make any reference to the strangers in any of the Gallaries সিদিনা মাননীয়সদস্য ডঃ জয়নাথ শৰ্মাই এজন অফিচাৰ গেলেৰীত বহি থকাৰ কাৰণে —

* শ্ৰী পবিন্দ্ৰ ডেকা ঃ অধ্যক্ষ মহোদয়, ডঃ জয় নাথ শৰ্মা আৰু শ্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মাজত তলে তলে কিবা এটা সম্পৰ্ক আছে যেন পাওঁ।

* ডঃ জয়নাথ শৰ্মা ঃ আছে দিয়ক, সেই কাৰণে তেওঁৰ ওপৰত ১ কোটি টকাৰ অভিযোগ অহাৰ পিচতো মই মনে মনে আছো।

* শ্ৰী হিমন্ত বিশ্ব শৰ্মা ঃ অধ্যক্ষ মহোদয়, ডঃ জয় নাথ শৰ্মাৰ বিৰুদ্ধে ১ কোটি ৪১ লাখ টকাৰ কেলেংকাৰী প্ৰকাশ হোৱাৰ পিচতো মই মাত মতা নাই।

**Mr. Speaker :** Now Short Notice Question No. 14, Hon'ble Member Shri Pabindra Deka.

## বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী।

**শ্ৰী পবিন্দ্ৰ ডেকাই সুধিছে ঃ**

১৪। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত বৰ্তমান কিমানখন উপভোক্তা আদালত আছে?

(খ) এই উপভোক্তা আদালত সমূহত কিমান গোচৰ (Case) পঞ্জীভূক্ত (Register) হৈ আছে?

(গ) এই গোচৰবোৰৰ কিমান গোচৰ ইতিমধ্যে মীমাংসা কৰা হৈছে আৰু কিমান গোচৰ মীমাংসা কৰিবলৈ বাকী আছে?

* Speech not corrected

(ঘ) চৰকাৰে ২০০১-২০০২ চনৰ বিত্তীয় বছৰত এই উপভোক্তা আদালত সমূহৰ খৰচৰ বাবদ কিমান টকা অনুদান দিছে?

**ডাঃ আৰ্ধেন্দু কুমাৰ দে, (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসমত বৰ্তমান ২৩ খন জিলা উপভোক্তা আদালত আৰু ১ খন ৰাজ্যিক উপভোক্তা আদালত আছে।

(খ) এই উপভোক্তা আদালত সমূহত মুঠ ৯৭২৩ টা গোচৰ পঞ্জীভুক্ত হৈছে।

(গ) এই গোচৰবোৰৰ ৭৭৯৩ টা গোচৰ মীমাংসা কৰা হৈছে আৰু ১৯৩০ টা গোচৰ মীমাংসা কৰিবলৈ বাকী আছে।

(ঘ) চৰকাৰে ২০০১-২০০২ চনৰ বিত্তীয় বছৰৰ কাৰণে পৰিকল্পনা শিতানত মুঠ ৭৪.৪৭ লাখ টকা উপভোক্তা আদালত সমূহৰ খৰছৰ বাবদ অনুমোদন কৰিছে।

**Mr. Speaker :** Now Short Notice Question No. 15, Hon'ble Member Shri Pabindra Deka.

**বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী।**

**শ্ৰী পবিন্দ্ৰ ডেকাই সুধিছে ঃ**

১৫। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) চৰকাৰে ৰাজ্য খনত উৎপাদিত ধানৰ মূল্য নিৰূপন কৰি দিছে নেকি?

(খ) যদি দিছে - বৰ্তমান ধানৰ মূল্য প্ৰতি কুইণ্টলত কিমান টকা নিৰ্ধাৰণ কৰা হৈছে?

(গ) যদি দিয়া নাই কিয় দিয়া নাই জনাবনে?

(ঘ) বৰ্তমান ৰাজ্য খনৰ মুকলি বজাৰত ধানৰ মূল্য প্ৰতি কুইণ্টলত কিমান জনাবনে?

**ডাঃ অৰ্ধেন্দু কুমাৰ দে (খাদ্য ও অসামৰিক যোগান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, দিছে।

(খ) চৰকাৰে বৰ্তমান ধানৰ মূল্য প্ৰতি কুইণ্টলত সাধাৰণ বিধৰ বাবে ৫৩০.০০ টকা আৰু উত্তম বিধৰ (Grade-A) বাবে ৫৬০.০০ টকা ধাৰ্য্য কৰিছে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) বৰ্তমান ৰাজ্য খনত মুকলি বজাৰত ধানৰ মূল্য তলত উল্লেখ কৰা হ'ল -

| | |
|---|---|
| ১। উত্তম বিধ ধানৰ মূল্য - | ৭৫০.০০ টকা প্ৰতি কুইণ্টল |
| ২। মধ্যম বিধ ধানৰ মূল্য - | ৫২৫.০০ টকা প্ৰতি কুইণ্টল |
| ৩। সাধাৰণ বিধ ধানৰ মূল্য- | ৪০০.০০ টকা প্ৰতি কুইণ্টল |

**Mr. Speaker :** Now Short Notice Question No. 16, Hon'ble Member Shri Pabindra Deka.

**বিষয় ঃ বিধায়ক শ্ৰী পবিন্দ্ৰ ডেকাই ২০০২ চনৰ বাজেট অধিবেশনত সোধা তাকৰীয়া সময়ৰ জাননী প্ৰশ্ন।**

**শ্ৰী পবিন্দ্ৰ ডেকাই সুধিছে ঃ**

১৬। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম বিত্তীয় নিগমে জন্মৰে পৰা এতিয়ালৈকে বিভিন্ন ব্যক্তি আৰু প্ৰতিষ্ঠানক কিমান টকাৰ ঋণ দিছে?

(খ) এই ঋণৰ সুদ সহ এতিয়ালৈ কিমান টকা আদায় কৰা হৈছে?

(গ) কোন কোন উল্লেখযোগ্য ব্যক্তি অথবা প্ৰতিষ্ঠানে ঋণৰ অলপো ঋণ অথবা সুদ পৰিশোধ কৰা নাই?

(ঘ) ঋণ পৰিশোধ নকৰা এই ব্যক্তি অথবা প্ৰতিষ্ঠান সমূহৰ বিৰুদ্ধে কি আইনগত ব্যৱস্থা লোৱা হৈছে?

**শ্ৰী দেৱানন্দ কোঁৱৰ (বিত্ত মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসম বিত্তীয় নিগমে জন্মৰে পৰা ২০০০-২০০১ বিত্তীয় বছৰলৈকে বিভিন্ন ব্যক্তি আৰু প্ৰতিষ্টানক মুঠ ১৪,৮১২.৫৬ লাখ টকাৰ ঋণ দিছে।

(খ) উক্ত ঋণৰ সুদ সহ ২০০০-২০০১ বিত্তীয় বছৰলৈকে মুঠ ১২,০৮৮.৫৬ লাখ টকা আদায় কৰা হৈছে।

(গ) যিসকল ব্যক্তি বা প্ৰতিষ্ঠানে নিগমৰ ঋণ লৈ অথবা সুদ অলপো আদায় দিয়া নাই বা অতি কম পৰিমাণেহে আদায় দিছে তেনে ব্যক্তি অথবা প্ৰতিষ্ঠানৰ এখনি তালিকা পৰিশিষ্ট 'ক'ত গাঠি দিয়া হৈছে। (See the Annexure-VIII)

(ঘ) ঋণ পৰিশোধ নকৰা এই ব্যক্তি অথবা প্ৰতিষ্ঠান সমূহৰ বিৰুদ্ধে নিগমে সময়ে সময়ে গ্ৰহণ কৰি অহা আইনগত ব্যৱস্থাসমূহ পৰিশিষ্ট 'ক'ত গাঠি দিয়া তালিকাৰ ৮ নং স্তম্ভত সন্নিবিষ্ট কৰা হৈছে।

**Mr. Speaker :** Now Short Notice Question No. 17, Questioner Hon'ble Member Shri Pabindra Deka.

**বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী।**

**শ্ৰী পবিন্দ্ৰ ডেকাই সুধিছে ঃ**

১৭। মাননীয় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) গুৱাহাটী পৌৰ নিগমৰ অধীনত কিমান খন চেকগেট, কিমানখন পাৰ্কিং প্লেচ

(Parking Place) আৰু কিমানখন লোডিং আৰু আনলোডিং (Loading and un-Loading) গেট আছে?

(খ) এই গেট আৰু প্লেচ সমূহৰ পৰা প্ৰতি বছৰে নিগমে কিমান পৰিমাণৰ টকাৰ ৰাজহ হিচাবে লাভ কৰে?

(গ) এই গেট আৰু প্লেচ সমূহ এইবাৰ কোন কোন ব্যক্তি অথবা প্ৰতিস্থানক আৱন্টন দিয়া হৈছে?

**শ্ৰী অঞ্জন দত্ত (গুৱাহাটী উন্নয়ন বিভাগৰ ৰাজ্যিক মন্ত্ৰী স্বতন্ত্ৰ)য়ে উত্তৰ দিছে ঃ**

(ক) গুৱাহাটী পৌৰ নিগমৰ অধীনত চেক গেট ৪ (চাৰি) খন, পাৰ্কিং প্লেচ ৩ (তিনি) খন আৰু লোডিং আৰু আনলোডিং গেট ৪ (চাৰি) খন চলি আছে। ইয়াৰ নাম সমূহ তলত দিয়া হ'ল।

চেকগেট ঃ- (১) খানাপাৰা, (২) শৰাইঘাট, (৩) খনামুখ আৰু (৪) নাৰেঙ্গী।

পাৰ্কিং প্লেচ ঃ- (১) ৩৭ নং নেচনেল হাইওৱে, (২) জালুকবাৰী আৰু (৩) গড়পাণ্ডু।

লোডিং আৰু আনলোডিং পইন্ট ঃ- (১) ফেন্সি বজাৰ, (২) জু-নাৰেঙ্গী, (৩) আঠগাওঁ ৰ'ড আৰু (৪) লখৰা ৰ'ড।

(খ) এই গেট আৰু প্লেচ সমূহৰ পৰা গুৱাহাটী পৌৰ নিগমে ১৯৯৯-২০০০ পৰা ২০০২-২০০৩ চনলৈকে তলত দিয়া ধৰণে ৰাজহ সংগ্ৰহ কৰে।

| নাম | ১৯৯৯-২০০০ | ২০০০-২০০১ | ২০০১-২০০২ | ২০০২-২০০৩ |
|---|---|---|---|---|
| ১। খানাপাৰা চেকগেট | ১,০২,৯৬,২৫৪/- | ২,৯৮,৪১,৫৮০/- | ৩,৫৮,০৯,৮৯৬/- | ৪,৫০,০৩,৮৪৩/- |
| ২। শৰাইঘাট চেকগেট | ৯৫,৬৩,০৪২/- | ২,৬৮,৯৯,০৭৬/- | ৩,২২,৯৩,৮৯১/- | ৪,২৫,১৭,১৯৭/- |
| ৩। খনামুখ চেকগেট | ৮১,০০,৫৫৫/- | ৬৩,২৭,৭৬০/- | ৭৫,৯৩,৩১২/- | বন্দবস্তী হোৱা নাই। |
| ৪। নাৰেঙ্গী চেকগেট। | ৯,১৬,৬৬৪/- | ২৭,১৯,৯৮০/- | ৩২,৬৩,৯৭৬/- | ২৮,২১,১১১/- |
| ৫। N.H.37 পাৰ্কি প্লেচ | ৩৭,১৮,৭৫০/- | ১,০৯,৩৪,৫১৫/- | ১,৩১,২১,৪১৮/- | ২,৬০,৬৬,৪৭৫/- |
| ৬। জালুকবাৰী পাৰ্কিংপ্লেচ | ২০,৯৯,১৫২/- | ৮১,৫০,৮৫৫/- | ৯৭,৮১,০২৬/- | ১,৫২,৮৯,৫৩৮/- |
| ৭। গড়াপাণ্ডু পাৰ্কিংপ্লেচ | ১০,৮৭,৯৬০/- | ২৬,৪৫,০০০/- | ৩১,৭৪,০০০/- | ২৭,৫৭,৭৫৭/- |

খনামুখ চেকগেটৰ আৱন্টন বিধিমতে ইং ৩১/৩/০২ তাৰিখে দিব পৰা হোৱা নাই যিহেতু মাননীয় গুৱাহাটী উচ্চ ন্যায়লয়ে খনামুখ চেকগেটৰ গোচৰ নং ডব্লিউ, পি(চি) ১৫৮২/২০০২ পৰিপ্ৰেক্ষিতত অন্তৰ্বৰ্ত্তী আদেশ জাৰি কৰি ৰাখিছে।

লোডিং আৰু আনলোডিং পইন্ট সমূহৰ বন্দবস্তীৰ বাবে প্ৰথম বাৰৰ বাবে নিবিদা আহ্বান কৰা হৈছে যদিও ইয়াৰ আৱন্টন এতিয়াও হোৱা নাই। সেয়েহে এই পইন্ট সমূহৰ পৰা চৰকাৰে কিমান ৰাজহ পাব সেয়া এতিয়াও নিশ্চিত কৰিব পৰা নাযায়। তথাপি তলত উল্লেখ কৰা লোডিং আৰু আনলোডিং পইন্ট সমূহৰ পৰা অনুমানিক মুঠ ৪৩,৩০,০০০/- টকা ৰাজহ হিচাবে পোৱাৰ আশা কৰিব পাৰি।

| | | |
|---|---|---|
| (১) ফেন্সিবজাৰ পইন্ট | - | ১৭,০০,০০০/- টকা |
| (২) লখৰা ৰ'ড পইন্ট | - | ১২,০০,০০০/- টকা |
| (৩) নাৰেঙ্গী পইন্ট | - | ১১,০০,০০০/- টকা |
| (৪) আঠগাওঁ পইন্ট | - | ৩,৩০,০০০/- টকা |
| | মুঠ | ৪৩,৩০,০০০/- টকা |

**ডাঃ জয় নাথ শৰ্মা** ঃ পইন্ট অব অৰ্ডাৰ চাৰ। 'ঘ' প্ৰশ্নৰ উত্তৰটো আমি বুজি নাপালো। ইয়াত 'ঘ' প্ৰশ্নৰ উত্তৰত ২০০২-২০০৩ চনলৈকে ৰাজহ সংগ্ৰহ কৰে বুলি কৈছে। আচলতে কৰিবহে হ'ব লাগে।

**শ্ৰী অঞ্জন দত্ত (পৌৰ প্ৰশাসন মন্ত্ৰী)** ঃ চাৰ, ২০০২-০৩ চনৰ পৰা পইচা তোলা আৰম্ভ কৰা হ'ল আৰু ৰাজহ সংগ্ৰহ কৰি আছে।

(গ) তলত দিয়া ব্যক্তি সকলৰ নামত চেকগেট আৰু পাৰ্কিং প্লেচ সমূহ আৱন্টন দিয়া হৈছে ঃ

| | | |
|---|---|---|
| (১) খানাপাৰা চেকগেট | - | শ্ৰী প্ৰদীপ বৰ্মণ, |
| (২) শৰাইঘাট ঐ | - | শ্ৰী বাপধন দাস, |
| (৩) নাৰেঙ্গী ঐ | - | শ্ৰী হীমাদ্ৰী কিশোৰ দাস, |
| (৪) ৩৭ নং ৰাষ্ট্ৰী পথ পাৰ্কি প্লেচ। | - | শ্ৰী প্ৰকাশ তালুকদাৰ, |
| (৫) জালুকবাৰী পাৰ্কিং প্লেচ | - | শ্ৰী উবুল বৈশ্য, |
| (৬) গড়পাণ্ডু পাৰ্কিং প্লেচ | - | শ্ৰী নুৰ হক। |

এই প্ৰসঙ্গতে উল্লেখ কৰিব পাৰি যে খনামুখ চেকগেটখন উচ্চ ন্যায়ালয়ৰ অন্তৰ্বৰ্ত্তী হুকুমৰ পৰিপ্ৰেক্ষিতত আৱন্টন দিব পৰা হোৱা নাই। বৰ্তমান মোকৰ্দমা নং ডব্লিউ,পি(চি)১৫৮২/২০০২ মহামান্য উচ্চ ন্যায়ালয়ৰ বিবেচনাধীন।

**Mr. Speaker :** Now Short Notice Question No. 18, Hon'ble Member Shri Pabindra Deka.

**বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী।**

**শ্ৰী পবিন্দ্ৰ ডেকাই সুধিছে ঃ**

১৮। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম এচবেষ্টছ (Assam Asbestos) নামৰ টিনপাত কাৰখানাটোৱে গ্ৰামোন্নয়ণ বিভাগক টিনপাত যোগান ধৰে নেকি?

(খ) এই কাৰখানাটোৰ স্বত্বাধিকাৰী কোন জনাবনে?

(গ) ২০০০-২০০১ আৰু ২০০১-২০০২ বিত্তীয় বৰ্ষ দুটাত এই কাৰখানাটোৱে বিভাগক কিমান টকাৰ টিনপাত আৰু কিমান পৰিমাণৰ টিনপাত যোগান ধৰিছে?

**ডাঃ ভূমিধৰ বৰ্মণ (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) "অসম এচবেষ্টছ" নামৰ কোনো প্ৰতিষ্ঠান বৰ্তমান নাই। উক্ত প্ৰতিষ্ঠানৰ নাম সলনি হৈ বৰ্তমান "আসাম ৰুফিং" নামেৰে জনা যায়। উক্ত প্ৰতিষ্ঠানৰ পৰা সামগ্ৰী কিনা হৈছিল। বৰ্তমান চৰকাৰে বিভাগীয় ভাবে বস্তু কিনা বন্ধ কৰিছে।

(খ) উক্ত প্ৰতিষ্ঠানৰ সঞ্চালক মণ্ডলীৰ নাম তলত উল্লেখ কৰা হ'ল।

(১) শ্ৰী ভগীৰথ পাচাৰী - Managing Director

(২) শ্ৰী চি. কে. পাচাৰী - Director

(৩) শ্ৰী এচ, কে, পাচাৰী - Director

(৪) শ্ৰী এচ, কে, দাগা - Director

(গ) যোগান ধৰা টিনপাতৰ পৰিমাণ আৰু খৰচৰ হিচাব তলত দিয়া হ'ল ঃ

| বছৰ | পৰিমাণ (মেঃ টনত) | খৰচ (লাখ হিচাবত) |
|---|---|---|
| ২০০০-২০০১ | ৫৮৯৮.২৭ | ১৯৫৩.৫২ |
| ২০০১-২০০২ | ৫১৬.৮৭ | ১৬৯.৭৯ |
| মুঠ | ৬৪১৫.১৪ মেঃ টন | ২১২৩.৩১ |

**Mr. Speaker :** Now Short Notice Question No. 19, questioner Hon'ble Member Shri Gunin Hazarika.

**Shri Gunin Hazarika asked :**

19. Will the Minister of State Home be pleased to state :

(a) What is the total manpower in Forensic Laboratory of the State?

(b) Is it a fact that the Senior Scientists of the Laboratory are in Promotional stagnation?

(c) If so, will the Govt. take immediate steps for removal of hurdles, in context of the specialty of service for scientific research?

(d) What steps are being taken by the Govt. to modernize FSL with sophisticated instruments and equipments?

(e) In conformity to the recommendation of the Core Group set up by NHRC, is there any proposal lying with the department to create a separate and independent Directorate of FSL of the State under direct control of Home Department.

(f) If so, kindly state the target date for implementation.

(g) To generate internal resources what plan FSL proposed to Government.

**Sri Pradyut Bordoloi (Minister of State, Home) replied :**

(a) Total number of manpower in Forensic Science Laboratory is, at present, 144 out of which 105 are of technical category and 39 are of non - technical category.

(b) Yes, almost all the senior scientists of the laboratory are, at present, suffering from long time promotional stagnation.

(c) Yes, the matter is under active consideration of the Government.

(d) The Government has taken steps to modernise the Laboratory under Modernisation scheme and also from the award of the 11th Finance Commission. A scheme under N.E.C. plan has also been submitted to modernise and upgrade the Laboratory during the Tenth Plan. It is also included in the 5 years perspective plan under (Police) Modernization scheme.

(e) Based on the recommendation of N.H.R.C., Government of India has recommended setting up of independent

Directorates of Forensic Science Laboratory's in the Country and has asked the State Government to comply with the same. As per recommendation of the last pay Commission, the Government placed this Laboratory under the Level-II Directorates. At present, this Laboratory is under the Administrative Control of the Director General of Police, Assam. However, the State Govt. is examining the above recommendation of independent Directorate of Forensic Science Laboratory.

(f) As the Government is still examining the matter it is difficult to fix a target date at this stage.

(g) The FSL has proposed imposition of fees on cases, which are referred to the laboratory by other States/organizations for examination. Government is actively considering the proposal put forward by the F.S.L.

**Mr. Speaker :** Now Short Notice Question No. 20, questioner Hon'ble Member Shri Gunin Hazarika.

**Shri Gunin Hazarika asked :**

20. Will the Minister Revenue to pleased to state :

(a) Whether there is any proposal with Government to handover land and building of Veterinary Department, located at prime area of Hojai Town, to a Private Organization?

(b) If so the name of the organization?

(c) Is it also a fact that the same organization has already got a possession of Govt. land for the same purpose.

(d) If so what is the present value of land and building of Veterinary Department located at Hojai Town?

(e) Has Vety. Deptt. surrendered the land to Revenue Department?

(f) Kindly furnish total land so far alloted by Govt. to Hazi Abdul Majid Memorial Hospital in Hojai Sub-division and also give the total land (including their own) area they have occupied or possessed.

(g) What is the toal land Markaz-ul-Maa Arif possessed in Hojai Sub-division.

**Shri Debanand Konwar (Minister Revenue) replied :**

20. (a) There is no such formal proposal. Revenue authority is not competent to allot any Land belonging to any Govt. Deptt., to any organization without relinqushment.

(b) Does not arise.

(c) Does not arise.

(d) Does not arise.

(e) No.

(f) 24-B-4 K-10 Lessa. No periodic or Annual lease (patta) Land in their name.

(g) 1. Total Govt. land under their possession is 11 Bigha.

2. Periodic patta land 33 B-4K-19 Lessa.

3. Another 400 bigha of Govt. Land is under their possession.

4. Another 151 bigha of land has been allotted to Hojai Krishi Bikash Kendra - a Sister Organization of Markaz-ul-Maa Arif.

**Mr. Speaker :** Now Short Notice Question No. 21, Hon'ble Member Dr. Zoii Nath Sarma :-

**বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন জাননী।**

**ডঃ জয়নাথ শৰ্মাই সুধিছে ঃ**

২১। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) সমাজ কল্যাণ বিভাগৰ কোন কোন আঁচনিৰ বিপৰীতে কোন কোন জিলাত কি কি খাদ্য সামগ্ৰী যোগান ধৰা হৈছে?

(খ) উক্ত সামগ্ৰী সমুহ কোনে কোনে কি কি হাৰত যোগান ধৰিছে?

(গ) উক্ত সামগ্ৰী সমুহ যোগান ধৰাৰ বাবে দিয়া Tender Notice সমূহৰ কপি সদনত দিব নে?

শ্ৰী গৌতম ৰয় (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) সমাজ কল্যাণ বিভাগৰ দ্বাৰা একমাত্ৰ প্ৰধানমন্ত্ৰী গ্ৰামোন্নয় যোজনাৰ (PMGY) অধীনত স্বায়ত্ব শাসিত পৰিষদ সমূহৰ এলেকাৰ বাহিৰে সকলো জিলাতে উচ্চমানৰ স্থানীয় বিধৰ আইজং চাউল আৰু মগু দাইল যোগানৰ ব্যৱস্থা কৰা হৈছে।

(খ) উক্ত খাদ্য সামগ্ৰী উচ্চমানৰ স্থানীয় বিধৰ আইজং চাউল প্ৰশাসনীয়, পৰিবহন ইত্যাদি

খৰছ সহ প্ৰতি কেজিত ১৭.০০ টকা আৰু মগু দাইল প্ৰতিকেজি ৩০.০০ টকা হাৰত AGMC য়ে যোগান ধৰিছে।

(গ) উক্ত সামগ্ৰী যোগান ধৰাৰ বাবে কোনো নিবিদা (Tender) আহ্বান কৰা হোৱা নাই। কিন্তু বিভিন্ন বিভাগৰো যেনে বিত্ত বিভাগ, খাদ্য ও অসামৰিক যোগন বিভাগ, Statfed, AGMC, ASIDC ৰ সৈতে হোৱা আলোচনাৰ মৰ্মে খাদ্য ও অসামৰিক যোগান বিভাগৰ পাইকাৰী আৰু খুচুৰা মুকলি বজাৰৰ অত্যাৱশ্যকীয় সমগ্ৰীৰ মূল্য তালিকাৰ ওপৰত নিৰ্ভৰ কৰি প্ৰশাসনিক ব্যয়, অঙ্গনবাদী কেন্দ্ৰলৈকে পৰিবহন খৰছ সহ উচ্চমান স্থানীয় বিধ আইজং চাউল প্ৰতিকেজি ১৭.০০ টকা আৰু মগু দাইল প্ৰতিকেজি ৩০.০০ টকা মূল্য নিৰ্দ্ধাৰণ কৰা হৈছে।

**Mr. Speaker :** Now Short Notice Question No. 22, by Dr. Zoii Nath Sarma :-

**বিষয় ঃ হ্ৰস্বকালীন প্ৰশ্ন।**

**ডঃ জয়নাথ শৰ্মাই সুধিছে ঃ**

২২। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বৰ্তমান ৰাজ্যখনত চলি থকা বিত্তীয় সংকটৰ বাবে চৰকাৰে ২০০১ চনৰ এপ্ৰিলৰ পৰা ২০০২ চনৰ মাৰ্চ মাহলৈ আয় বঢ়োৱা আৰু ব্যয় সংকোচনৰ বাবে কি কি ব্যৱস্থা ললে?

(খ) NIPFP নামৰ সংগঠনটিক বিত্তীয় সংস্কাৰৰ সম্পৰ্কত অধ্যয়ন কৰিবলৈ দায়িত্ব দিছে নেকি? যদি দিছে, Term of reference কি কি?

(গ) হৰেণ দাসৰ (অৱসৰ প্ৰাপ্ত মুখ্য সচিব) নেতৃত্বত গঠন কৰা সমিতিয়ে দিয়া পৰামৰ্শমতে আৰু এই বছৰৰ (২০০২-২০০৩) বাজেট প্ৰস্তুত কৰা হ'লনে?

(ঘ) এই কমিটিৰ বাবে ব্যয় কিমান হ'ল?

**শ্ৰী দেৱানন্দ কোঁৱৰ (বিত্ত মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বৰ্তমান ৰাজ্যখনত চলি থকা বিত্তীয় সংকট দুৰীকৰণৰ বাবে ২০০১ চনৰ এপ্ৰিলৰ পৰা ২০০২ চনৰ মাৰ্চ মাহলৈ তলত উল্লেখ কৰা পদক্ষেপসমূহ অসম চৰকাৰে গ্ৰহণ কৰিছে।

(১) আয় বৃদ্ধিৰ বাবে ঃ

(ক) প্ৰৱেশ কৰ (Entry tax) ১/১০/২০০১ ৰ পৰা আৰোপন কৰা হৈছে।

(খ) অসম আৱকাৰী সুল্ক ২২/২/২০০২ ৰ পৰা বৃদ্ধি কৰা হৈছে।

(গ) বিলাসী সামগ্ৰীৰ ওপৰত শুল্ক ৩/১১/২০০১ ৰ পৰা বৃদ্ধি কৰা হৈছে।

(ঘ) সাধাৰণ বিক্ৰী কৰ ১৯/১০/২০০১ ৰ পৰা বৃদ্ধি কৰা হৈছে।

(২) <u>ব্যয় সংকোচনৰ বাবে ঃ</u>

(ক) দৰমহা আৰু পেঞ্চন বহিৰ্ভূত ব্যয় সীমিত ৰখা হৈছে।

(খ) ৰাজ্যিক ভিত্তিত ক্ষমতাসম্পন্ন সমিতি (State Level Empowered Committee) ৰ অনুমোদন ক্ৰমে বিভিন্ন বিভাগৰ ১৫১০ টা পদ বিলুপ্তি কৰা হৈছে।

(খ) NIPFP নামৰ সংগঠনটিক বিত্তীয় সংস্কাৰ সম্পৰ্কিত অধ্যয়ন কৰিবলৈ দায়িত্ব দিয়া হৈছে।

NIPFP ক বান্ধি দিয়া Term of reference সমূহ নিম্নোক্ত ধৰণৰ ঃ

(১) কৰ আৰু কৰ বহিৰ্ভূত শিতানত ৰাজহ বৃদ্ধিৰ বাবে পদক্ষেপ গ্ৰহণ। (Steps to be taken for augmentation of revenues both tax and non-tax).

(২) ব্যৱস্থাপনা ব্যয় আৰু ৰাজহ মূলধনী ব্যয় সমন্বিতে ব্যয় ব্যৱস্থাৰ পুৰ্ণগঠন। (Reorientation of expenditures including revenue capital and maintenance expenditure).

(৩) ঋণ গ্ৰহণ আৰু পৰিশোধৰ ক্ষেত্ৰত উপযুক্ত পৰিচালনা। (Management of debt).

(৪) সম্ভাব্য ব্যয়সমূহৰ সুপৰিচালনা। (Management of contingent liabilities).

(৫) পৰিকল্পনা আৰু উন্নয়ন ব্যয়ৰ ক্ষেত্ৰত বিত্ত যোগান। (Financing of plan/ Developmental expenditures).

(গ) বিত্তীয় সংস্কাৰ কমিটিয়ে ইং ৭/১২/২০০১ তাৰিখে দাখিল কৰা প্ৰতিবেদনৰ পৰামৰ্শসমূহ বাজেটত যথাযথ ভাৱে প্ৰতিফলিত কৰাটো সম্ভৱপৰ নহ'ল।

(ঘ) বিত্তীয় সংস্কাৰ কমিটিৰ বাবদ ৰাজ্য চৰকাৰৰ মুঠ ব্যয়ৰ পৰিমান ৪,১৭,২৬১.০০ টকা।

**Mr. Speaker :** Short Notice Question No. 23, Hon'ble Member Shri Dilip Kumar Saikia :-

**বিষয় ঃ অসমৰ গৃহ নিৰ্মানৰ স্থানৰ সম্পৰ্কে শ্ৰী দিলীপ কুমাৰ শইকীয়াই সুধিছে।**

২৩। মাননীয় গৃহ নিৰ্মান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমৰ কোন কোন ঠাইত কেতিয়া অসম গৃহ নিৰ্মান পৰিষদে গৃহবোৰ নিৰ্মান কৰে?

(খ) সেই ঠাইবোৰত গৃহ নিৰ্মান কৰা সময়ত ভূমিবোৰৰ কিমান মূল্য আছিল?

(গ) সেই নিৰ্মান কাৰ্য্যৰ সময়ত চিমেণ্ট, কাঠ, লোহা, ইটা আদিৰ নিৰ্মান সামগ্ৰীৰ মূল্য কিমান আছিল বিতংকৈ জনাব?

(ঘ) ২০০২ চনত এই ঘৰ নিৰ্মান সামগ্ৰী বোৰৰ মূল্য কিমান আছিল, বিতংকৈ জনাব?

**শ্ৰী শৰৎ বৰকটকী (গৃহ নিৰ্মান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) এই আঁচনিৰ অধীনত ১৯৭৪ ইং চনৰ পৰা ১৯৯৬ ইং চনলৈকে ১৫ খন জিলাৰ ২১ খন ঠাইত বিভিন্ন আৰ্হিৰ ঘৰ নিৰ্মান কৰা হৈছে। (সবিশেষ সংযোজন 'ক' ত গাঠি দিয়া হৈছে)(see Annexure-IX)

(খ) ওপৰৰ 'ক' উল্লেখ কৰা ১৫ খন জিলাৰ ভিতৰত কামৰূপ জিলাৰ হেঙেৰাবাৰী আৰু বৰসজাইৰ বাহিৰে আন জিলা বোৰত থকা অসম গৃহ নিৰ্মান পৰিষদৰ সকলে ভূমি চৰকাৰৰ দ্বাৰা আৱন্তিত। হেঙেৰাবাৰীস্থ আৰু বৰসজাইস্থ ভাৰাতীয়া আঁচনিৰ ভূমিখিনি ক্ৰমে গুৱাহাটী উন্নয়ন কতৃপক্ষ আৰু ব্যক্তিগত পট্টদাৰৰ পৰা কিনি লোৱা হৈছিল। ইয়াৰ কিনা মূল্য ক্ৰমে হেঙেৰাবাৰীত প্ৰতি বিঘাৰ মূল্য ১৪,৪৩৭.০০ টকা আৰু বৰসজাইত প্ৰতিবিঘাৰ মূল্য ১৬,০৪০.০০ টকা আছিল।

(গ) নিৰ্মান কাৰ্য্যৰ সময়ৰ ঘৰ নিৰ্মানৰ বাবে ব্যৱহৃত সামগ্ৰীবোৰ যেনে চিমেণ্ট, কাঠ, লোহা, ইটা আদিৰ মূল্য সেইসময়ৰ প্ৰচলিত গড়কাপ্তানী (ঘৰ) বিভাগৰ অনুসূচীৰ আধাৰত নিৰ্দ্ধাৰণ কৰা হৈছিল।

(ঘ) গড়কাপ্তানী বিভাগৰ ২০০১-২০০২ চনৰ খাদ্য প্ৰকাশিত অনুসূচী নিম্ন উল্লেখিত সামগ্ৰী সমূহৰ মূল্য এনে ধৰণৰ -

(ক) বিলাতী মাটি - ২০০.০০ টকা প্ৰতি বস্তা।

(খ) প্লেইন লোহা - ১৭৫০.০০ টকা প্ৰতি কুইণ্টল।

(গ) পকোৱা লোহা - ১৭০০ টকা প্ৰতি কুইণ্টল।

(ঘ) কাঠ (১) শাল কাঠ - ৩০,৮৯৮.৬৩ পইচা প্ৰতি ঘন কি বিক মিটাৰ।

(২) ন ন শাল কাঠ - ২৭,৪৬৪.০০ পইচা প্ৰতি ঘন কি বিক মিটাৰ।

(ঙ) ইটা - ২০০০.০০ প্ৰতি হাজাৰ।

**Mr. Speaker :** Short Notice Question No. 24, Hon'ble Member Shri Dilip Kumar Saikia.

**বিষয় ঃ অসমৰ গৃহ নিৰ্মাণ পৰিষদৰ আবাস গৃহ আৰু বিজুলী যোগান সৰ্ম্পকে।**

**শ্ৰী দিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ**

২৪। মাননীয় গৃহ নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম কোন কোন নগৰ চহৰত গৃহ নিৰ্মাণ পৰিষদৰ আবাস গৃহ আছে?

(খ) এই আবাস গৃহত যোগান ধৰা বিজুলী কোন নিৰিখৰ ভিত্তিত মাচুল লোৱা হয়?

(গ) এই বিজুলী মাচুল নগৰ ভেদে বেলেগে বেলেগে লোৱা হয় নে কি?

(ঘ) গৃহ নিৰ্মান পৰিষদে গুৱাহাটী হেঙেৰাবাৰী হাউচিং বৰ্ডৰ আবাসত ইউনিট ভিত্তিত নে অন্য বেলেগ নিৰিখত লয়?

**শ্ৰী শৰৎ বৰকটকী (গৃহ নিৰ্মণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসমৰ ১৫ খন চহৰত ভাৰাতীয়া আঁচনিৰ অধীনত আৱাস গৃহ আছে। সবিশেষ সংযোজন 'ক' ত গাঠি দিয়া হৈছে। (see Annexure-X)

(খ) হেঙেৰাবাৰীৰ ফ্লেট সমূহৰ ক্ষেত্ৰত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ বানিজ্যিক নিৰিখত আৰু অন্যান্য সকলো ভাৰাতীয়া আৱাস গৃহৰ ক্ষেত্ৰত Domestic Rate ত বিজুলী মাচুল লোৱা হয়।

(গ) 'খ'ত উল্লেখ কৰা ধৰণে।

(ঘ) আগতে হেঙেৰাবাৰীৰ ফ্লেট সমূহৰ ব্যক্তিগত ফ্লেটৰ আৱাসী সকলে খৰচ কৰা বিজুলীৰ পৰিমাণ ফ্লেট সমূহত থকা মিটাৰৰ ওপৰত ভিত্তি কৰি অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ বানিজ্যিক নিৰিখত লোৱা হৈছিল। কিন্তু যোৱা কিছু বছৰৰ পৰা ফ্লেট সমূহত থকা উপমিটাৰ সমূহ বিকল হৈ থকাৰ বাবে সংশ্লিষ্ঠ ফ্লেটৰ আৱাসী সকলে ইতিমধ্যে খৰচ কৰা বিজুলীৰ পৰিমাণৰ ওপৰত ভিত্তি কৰি তৈয়াৰ কৰা গড় হিচাবত বানিজ্যিক নিৰিখত লৈ থকা হৈছে।

**Mr. Speaker :** Short Notice Question No. 25, Hon'ble Member Dr. Zoii Nath Sarma :-

**বিষয় ঃ AIDS ৰ সন্দৰ্ভত।**

**ডঃ জয়নাথ শৰ্মাই সুধিছে ঃ**

২৫। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত HIV ৰ দ্বাৰা আক্ৰান্ত লোকৰ সংখ্যা কিমান?

(খ) HIV ৰ বাবে পৰীক্ষা কৰাৰ ব্যৱস্থা ক'ত ক'ত আছে?

(গ) AIDS নিয়ন্ত্ৰণৰ বাবে চৰকাৰে যোৱা বছৰ আৰু চলিত বছৰত কিমান টকা ব্যয় কৰিছে?

(ঘ) আগন্তুক বছৰৰ বাবে AIDS নিয়ন্ত্ৰণৰ বাবে কি আঁচনি/পৰিকল্পনা আছে? আৰু বাজেটত কিমান টকা ধাৰ্য্য কৰা হৈছে?

(ঙ) কোন কোন জিলাত কিমান জন AIDS ৰোগী আছে আৰু তেওঁলোকৰ পৰা যাতে আনলৈ এই ৰোগ সম্প্ৰসাৰিত হ'ব নোৱাৰে, তাৰ বাবে জিলা ভিত্তিত কি

কি ব্যৱস্থা লোৱা হৈছে?

(চ) এতিয়ালৈকে অসমত কোন কোন NGO ই AIDS ৰ সংক্ৰান্তত কি কি কাম কৰি আছে, চৰকাৰ অৱগত নে?

ডাঃ ভূমিধৰ বৰ্মণ (স্বাস্থ্য ও পৰিয়াল কল্যাণ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০২ চনৰ ফেব্ৰুৱাৰী মাহলৈকে অসমত HIV ৰ দ্বাৰা আক্ৰান্ত হোৱা ৩৯৫ জন লোক চিনাক্তকৰণ (Detect) কৰা হৈছে।

(খ) অসমৰ তিনিওখন চিকিৎসা মহাবিদ্যালয়ত HIV ৰ বাবে পৰীক্ষা কৰাৰ ব্যৱস্থা আছে। এই পৰীক্ষা চিকিৎসা মহাবিদ্যালয়ৰ Micro Biology Departmentত থকা Voluntary Counselling and Testing Centre সমূহত কৰা হয়। তদুপৰি অসমৰ ৬ খন জিলাৰ অসামৰিক চিকিৎসালয় (Civil Hospital)ত থকা Blood Bank সমূহত HIV পৰীক্ষাৰ বাবে VCTC কেন্দ্ৰ স্থাপন কৰা হৈছে। জিলা কেইখন হ'ল - ১। ধুবুৰী, ২। শোণিতপুৰ, ৩। লক্ষীমপুৰ, ৪। যোৰহাট, ৫। কাৰ্বি আংলং আৰু ৬। নগাওঁ।

তদুপৰি ব্যক্তিগত খণ্ডৰ Blood Transfusion Centres আৰু Microbiological Laboratory সমূহতো এই সুবিধা আছে।

(গ) AIDS নিয়ন্ত্ৰণৰ বাবে অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিয়ে যোৱা দুটা বিত্তীয় বৰ্ষত ব্যয় কৰা ধনৰ পৰিমাণ এনেধৰণৰ —

২০০০-২০০১ = ৩৪৬.২৫ লাখ টকা

২০০১-২০০২ = ৪৪৫.৯২ লাখ টকা

নতুন বিত্তীয় বৰ্ষ ১ এপ্ৰিল তাৰিখৰ পৰা আৰম্ভ হৈছে হে মাথোন। গতিকে এই বছৰৰ খৰচৰ হিচাব দিব পৰা অৱস্থা হোৱা নাই।

বিগত দুই বছৰৰ বাবে আবন্টিত ধনৰ পৰিমাণ আছিল —

২০০০-২০০১ = ৪২১.৫৯ লাখ টকা

২০০১-২০০২ = ৫০৯.৬৪ লাখ টকা

(ঘ) ২০০২-২০০৩ বিত্তীয় বৰ্ষৰ বাবে পাঁচটা শিতানত বিভিন্ন আঁচনি যুগুত কৰি অসম ৰাজ্যিক এইড্‌ছ নিয়ন্ত্ৰণ সমিতিয়ে ইতিমধ্যে Action Plan তৈয়াৰ কৰিছে। অহা ৯,১০ আৰু ১১ এপ্ৰিল তাৰিখে অনুষ্ঠিত হ'ব লগা AIDS সম্পৰ্কীয় কৰ্মশালাত উক্ত Action Plan পৰীক্ষা কৰি ৰাষ্ট্ৰীয় এইড্‌ছ নিয়ন্ত্ৰণ সংস্থালৈ অনুমোদনৰ কাৰণে প্ৰেৰণ কৰা হ'ব।

এইড্‌ছ নিয়ন্ত্ৰণৰ বাবে বাজেটত কোনো ধন ধাৰ্য্য কৰা নহয়। ৰাষ্ট্ৰীয় এইড্‌ছ

নিয়ন্ত্ৰণ সংস্থাৰ পৰা ৰাজ্যিক এইড্‌ছ নিয়ন্ত্ৰণ সমিতিয়ে পোনে পোনে ধন পায়।

(ঙ) বৰ্তমান অসমত নিৰ্নিত এইড্‌ছ ৰোগীৰ সংখ্যা ১৫২ জন। ইয়াৰে ১১৮ জন ৰোগী অসমৰ বিভিন্ন জিলাৰ বাসিন্দা। বাকী ৩৪ জন ভাৰতৰ বিভিন্ন প্ৰদেশৰ পৰা অহা লোক। তেওঁলোকৰ এই ৰোগৰ অসমত চিনাক্তকৰণ কৰা হৈছে। অসমৰ ১১৮ জন ৰোগীৰ তালিকা তলত উল্লেখ কৰা হ'ল। (See the Annexure -XI)

এইড্‌ছ ৰোগীৰ পৰা যাতে আনলৈ এই ৰোগ সম্প্ৰসাৰিত হ'ব নোৱাৰে তাৰ বাবে ৰাজ্যিক আৰু জিলা পৰ্য্যায়ত এইড্‌ছ ৰোগীয়ে ল'ব লগা সাৱধানতা আৰু পৰিচৰ্য্যাৰ বাবে থকা পৰামৰ্শ প্ৰদান (Counselling)ৰ জৰিয়তে ব্যৱস্থা লোৱা হৈছে। তদুপৰি এইড্‌ছ বিয়পাৰ কাৰণ আৰু ইয়াৰ বাবে ল'বলগীয়া সাৱধানতাৰ বাবে ব্যাপক প্ৰচাৰৰ জৰিয়তে ৰাইজৰ মাজত সচেতনতা বৃদ্ধি কৰি এইডছ ৰোগৰ পৰা জনসাধাৰণক মুক্ত ৰখাৰ প্ৰয়াস চলাই থকা হৈছে।

চৰকাৰীভাৱে ৰাজ্যিক আৰু জিলা পৰ্য্যায়ত লোৱা বিভিন্ন ব্যৱস্থাৰ উপৰিও স্বেচ্ছাসেৱী সংস্থা (NGO)ৰ জৰিয়তে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰা তথা অন্যান্য লব লগা সাৱধানতা সম্পৰ্কে প্ৰচাৰ কৰা হৈছে। কিছু NGOৰ জৰিয়তে বিদ্যালয় সমূহতো AIDS সম্পৰ্কে তথ্যমূলক শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি প্ৰশিক্ষণপ্ৰাপ্ত স্বাস্থ্য বিভাগৰ কৰ্মীসকলে গাওঁ অঞ্চলত ঘৰে ঘৰে গৈ এই সম্পৰ্কে সচেতনতা বৃদ্ধি কৰাৰ লগতে যৌন সম্পৰ্কৰ ফলত হ'ব পৰা এইৰোগৰ প্ৰতিৰোধ আৰু চিকিৎসা সম্পৰ্কীয় প্ৰয়োজনীয় তথ্য অৱগত কৰে।

(চ) অন্যান্য এইড্‌ছ সংক্ৰান্ত কামৰ লগত জড়িত NGO সমূহৰ কৰ্ম আঁচনি সম্পৰ্কে চৰকাৰ অৱগত। বৰ্তমান অসমত ১০ টা এনেকুৱা সংস্থা (NGO) ই এইড্‌ছ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বিভিন্ন কাম কৰি আছে। এই সংস্থা সমূহৰ নাম তথা তেওঁলোকৰ কৰ্ম আঁচনি তলত উল্লেখ কৰা হ'ল। (See the Annexure-XII)

তদুপৰি ১৮ খন জিলাত ১৮ টা NGO ই বিদ্যালয়ত AIDS শিক্ষা আঁচনিৰ লগত জড়িত হৈ আছে। (See the Annexure-XIII)

**Mr. Speaker :** Now Short Notice Question No. 26, by Shri Ali Akbar Miah :-

**বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী।**

**শ্ৰী আলী আকবৰ মিঞাই সুধিছে ঃ**

২৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ধুবুৰী জিলাৰ বিলাসীপাৰা মহকুমাত কিমান বিঘা আবাদৰ যোগ্য খালি মাটি আছে (ভূ-চক্ৰ ভিত্তিত তথ্য দাখিল কৰিব)?

(খ) বিলাসীপাৰা ভূ-চক্ৰৰ কাঠালুদি চৰত কিমান বিঘা খাস ও ছিলিং উদ্ধৃত্ত মাটি আছে?

(গ) উক্ত মাটি থকা তথা ধনী পৰিয়ালৰ কোনে কোনে কিমান বিঘাকৈ বেদখল কৰি ৰাখিছে (উক্ত মাটি থকা তথা ধনী লোকৰ নাম, পিতাৰ নাম, গাওঁৰ নাম সহ উত্তৰ দিব)?

(ঘ) উক্ত বেদখল কাৰী ধনীও মাটি থকা সকলক উচ্ছেদ কৰিবলৈ কিমান দিন লাগিব?

(ঙ) কাঠালদি চৰৰ উক্ত খাস মাটি খিনি বিলাসীপাৰা থানাৰ পৰা ১/২ কিঃমিঃ দূৰত্বৰ ভিতৰত সঁচানে?

**শ্ৰী দেৱানন্দ কোঁৱৰ (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ধুবুৰী জিলাৰ বিলাসীপাৰা মহকুমাত বে-দখল মুক্ত আবাদৰ যোগ্য কোনো খালি মাটি নাই।

(খ) খাস মাটি কাঠালদি প্ৰথম খণ্ড, ২য় খণ্ড আৰু ৩য় খণ্ডত ৭৮৯ বিঘা - ৪ কঠা ০ লেচা আছে।

ছিলিং উদ্ধৃত্ত মাটি ৬৫ বিঘা - ৪ কঠা - ১৬ লেচা আছে।

(গ) তালিকা দীঘলীয়া হোৱাত সদনৰ মেজত ৰখা হৈছে।

(ঘ) উচ্ছেদ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। শীঘ্ৰে উচ্ছেদ কৰা হ'ব।

(ঙ) সঁচা নহয়। ১ কিঃ মিঃ দূৰত্বৰ ভিতৰত।

**Mr. Speaker : Now Short Notice Question No. 27, by Dr. Zoii Nath Sarma.**

**বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী।**

**ডঃ জয়নাথ শৰ্মাই সুধিছে ঃ**

২৭। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) দৰং জিলাত ২০০১-২০০২ বিত্তীয় বৰ্ষৰ ভিতৰত কি কি আঁচনিত কোন কিমান চাউল যোগান ধৰিছে?

(খ) উক্ত চাউল সমূহ কোন উৎসৰ পৰা কিমান টকা হাৰত ক্ৰয় কৰা হৈছে আৰু মানদণ্ড কোনে কেনেকৈ নিৰ্ণয় কৰিছে?

(গ) AGMC য়ে উক্ত চাউল যোগান ধৰাটো সচানে?

(ঘ) যদি সঁচা কোন জিলাত কোন কোন তাৰিখত উক্ত চাউল কিমান যোগান ধৰা হৈছে?

(ঙ) AGMC ক কোনে কোনে উক্ত চাউল যোগান ধৰিছে?

শ্ৰী গৌতম ৰয় (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) দৰং জিলাত ২০০১-২০০২ বিত্তীয় বৰ্ষৰ ভিতৰত প্ৰধান মন্ত্ৰী গ্ৰামোদ্বয় যোজনাৰ অধীনত সৰ্ব্বমুঠ - ৩১৩৬.৩৩ কুইন্টল চাউল যোগান ধৰাৰ বাবে AGMC ক নিৰ্দ্দেশ দিয়া হৈছিল।

(খ) উক্ত চাউল সমূহ AGMC ৰ জৰিয়তে প্ৰশাসনিক আৰু পৰিবহন ব্যয় সমন্বিতে উচ্চমানৰ স্থানীয় আইজং চাউল প্ৰতি কেজিত ১৭.০০ টকা হাৰে ক্ৰয় কৰা হৈছে। চাউল সমূহৰ মানদন্দ Public Analyst ৰ দ্বাৰা পৰীক্ষা কৰিহে যোগান ধৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

(গ) হয়।

(ঘ) ৰাজ্যৰ স্বায়ত্ব শাসিত পৰিষদ এলেকাৰ বাহিৰৰ জিলা সমূহত জানুৱাৰী মাহৰ ভিতৰত চাউল যোগান ধৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছিল। জিলা সমূহত তাৰিখ ভিত্তিত যোগানৰ তথ্য বিছৰা হৈছে যদিও তথ্য সময়মতে আহি নোপোৱাত মহামান্য সদনৰ মজিয়াত দাখিল কৰিব পৰা নগ'ল।

(ঙ) AGMC য়ে তেওঁলোকৰ AGMC ৰ জৰিয়তে উক্ত চাউল সমূহ যোগান ধৰিছে।

**Mr. Speaker :** Now Short Notice Question No. 28, by Shri Ali Akbar Miah :

## Re. : Short Notice Question.

**Shri Ali Akbar Miah asked :**

28. Will the Minister of Education be please to state :

(ক) ধুবুৰী জিলাৰ কোন কোন এল,পি,স্কুলত কোন কোন জন শিক্ষকে কাম কৰি আছে, আৰু স্কুলবোৰত ছাত্ৰৰ সংখ্যা কিমান (স্কুলৰ বিপৰীতে ছাত্ৰৰ সংখ্যা আৰু শিক্ষকৰ নাম উল্লেখ কৰি তালিকা প্ৰস্তুত কৰি উত্তৰ দিব)

**Shri Hem Prakash Narayan (Minister of Education) replied :**

(ক) তালিকা দাখিল কৰা হ'ল।

## Re. : Electrification of Rural Areas.

**Shri Romio Brahma asked :**

791. Will the Minister of Power be please to state :

(a) Whether the Government has taken any constructive policy to electrify properly in rural areas of Assam?

(b) If so, how it will be implemented?

(c) Whether the Government is aware that the electrification has

completely been deadlock in rural areas under Bijni Sub-Division about 10 years back?

(d) Whether the Government will take proper initiative for its electrification in rural areas under Bijni Sub-Division (Bongaigaon)?

(e) How much fund is allotted to Bijni Sub-Division for the year 2001-2002?

**Shri Debanand Konwar (Minister, Power) replied :**

(a) Yes.

(b) As per national policy, all villages in the State will be electrified during the 10th Five Year Plan ending in 2007 subject to availability of resources. Govt. of Assam has taken up the programme as a Plan Scheme.

(c) Electrification of rural areas is Bijni Sub-Division is being
(d) done generally as in other rural areas of the state. The Govt. is committed to implementing electrification as per national policy.

(e) Rs. 79.27 lakhs.

## Sub. : Functioning of Sobil Fisherman Cooperative Society in Karimganj District.

**Shri Rathish Ranjan Choudhury asked :**

792. Will the Minister of Cooperation be please to state :

(a) Whether the Govt. is aware of the fact that the Sonbil Fisherman Cooperative Society of Karimganj District is functioning by an adhoc Committee?

(b) If so, since when the adhoc system has been continuing?

(c) Will the Govt. take immediate step to conduct Annual General Meeting of the society to elect its Committee?

(d) If not, why?

(e) What is the total amount of fund received from various sources by the Sonbil Fisherman Cooperative Society since the date on which adhoc committee was formed?

(f) When the last audit was conducted?

(g) Will the Govt. instruct the concerned authority to conduct audit of the society?

**Shri Bharat Ch. Narah (Minister, Cooperation) replied :**

(a) Yes,

(b) Since 1.2.1997.

(c) Yes, as soon as the Court vacates its orders of 19.9.98.

(d) Does not arise.

(e) Rs. 1,06,000/- only as share capital contribution.

(f) Last Audit for 2000-2001 is completed on 30.6.2001.

(g) Audit for 2001-2002 will be conducted in due course.

## বিষয় ঃ Indoor Stadium.

**শ্ৰী উৎপল দত্তই সুধিছে ঃ**

৭৯৩। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) লখিমপুৰত Indoor Stadium নিৰ্মাণ হৈ থকাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) Bank draft No. 1417302, dtd 25/5/95 তাৰিখে লখিমপুৰ Indoor Stadium Construction Committee ক ৩,০০,০০০.০০ টকা দিয়াটো চৰকাৰ অৱগতনে?

(গ) ইয়াৰ ৯০,০০০.০০ হাজাৰ টকা জিলা উপায়ুক্তই মুকলি কৰি দিয়া নাই কিয়?

(ঘ) Indoor Stadium Construction কমিটিৰ কাম চলি আছে গতিকে Indoor Stadium ৰ নামত পাবলগীয়া টকা চৰকাৰে মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰিবনে?

**শ্ৰী গৌতম ৰয় (ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অৱগত।

(খ) অৱগত।

(গ) উপায়ুক্তৰ পৰা পোৱা তথ্য অনুসৰি সেই টকা এটা দুৰ্নিতি মুলক গোচৰত জৰিত হৈ পৰাত মোকোলাই দিব পৰা হোৱা নাই।

(ঘ) ব্যৱস্থা লৈ থকা হৈছে।

## Sub. : Embankments on the bank of river Longai.

**Shri Monilal Gowala asked :**

794. Will the Minister of Flood Control be please to state :

(a) Whether the Govt. is aware of the fact that the embankments on both banks of the river Longai from Baithakhal to Raghurtook under Patharkandi F.C. Sub-Division of Karimganj

Division are quite vulnerable?

(b) If so, what steps are taken as yet for R/S works?

**Shri Bharat Chandra Narah (Flood Control Minister) replied :**

(a) Yes.

(b) For R/S work one scheme costing Rs. 499.23 L has already been sent to N.E.C. for its approval and funding.

Detailed project report of another four schemes are under preparations as recommended by 32nd T.A.C.

**বিষয় ঃ শিল, বালিৰ বাবদ সংগ্ৰহ কৰা কৰৰ পৰিমাণ।**

**শ্ৰী বুবুল দাসে সুধিছে ঃ**

৭৯৫। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) সমগ্ৰ অসমত বিগত ১৯৯৯-২০০০, ২০০০-২০০১ আৰু ২০০১-২০০২ চনত বনজ সম্পদ, শিল আৰু বালিৰ বাবদ বিক্ৰীকৰ হিচাবে সংগ্ৰহ হোৱা মুঠ ধন কিমান? (জিলা ভিত্তিত তথ্য দিব)

(খ) মৰিগাওঁ জিলাৰ অনুজ্ঞাপত্ৰ লাভ কৰা শিল ভঙা মেচিন (Stone Crusher) কেইটাৰ পৰা উক্ত বছৰ কেইটাত সংগ্ৰহ হোৱা বিক্ৰী কৰৰ পৰিমাণ কিমান? (বছৰ ভিত্তিত তথ্য দিব)

(গ) বৰ্তমানলৈ অনুজ্ঞাপত্ৰ লাভ কৰা শিল ভঙা মেচিন কেইটাৰ মালিক সকলে চৰকাৰক দিব লগা আয়কৰ আৰু অন্যান্য কৰ সঠিক ভাৱে চৰকাৰে পাইছেনে?

**শ্ৰী দেৱানন্দ কোঁৱৰ (বিত্ত মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বনজ সম্পদ শিল, বালিৰ বাবদ জিলা ভিত্তিত সংগ্ৰহ কৰা বিক্ৰীকৰৰ পৰিমাণ পৰিশিষ্টত দেখুওৱা হ'ল। (See the Annexure-XIV)

(খ) মৰিগাওঁ জিলাত, অনুজ্ঞাপত্ৰ লাভ কৰা শিলভঙা মেচিন কেইটাৰ পৰা সংগ্ৰহ কৰা বিক্ৰীকৰৰ পৰিমাণ এনে ধৰণৰ -

(১) ১৯৯৯-২০০০ চনত - ০.১৯ লাখ টকা।

(২) ২০০০-২০০১ চনত - ০.২২ লাখ টকা।

(৩) ২০০১-২০০২ চনত - ০.০৯ লাখ টকা।

(গ) আয়কৰ ৰাজ্য চৰকাৰে সংগ্ৰহ নকৰে। ৰাজ্য চৰকাৰৰ কৰ বিভাগে সংগ্ৰহ কৰা বিক্ৰীকৰ আৰু বৃত্তিকৰ (Professional Tax) ঠিকেই পোৱা হৈছে। মাত্ৰ কৰ অধীক্ষকে কৰ নিৰূপণ কৰাৰ পিছত পাবলীয়া সীমিত পৰিমাণৰ ৰাজহৰ বাবে

কেইজনমান মালিকলৈ জাননী জাৰি কৰিছে।

**বিষয় ঃ ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়া।**

**শ্ৰী ইদ্ৰিছ আলীয়ে সুধিছে ঃ**

৭৯৬। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) মৈৰাবাৰীৰ পৰা ভুৰাগাওঁলৈকে ১৮ কিলোমিটাৰ অংশত ব্ৰহ্মপুত্ৰৰ প্ৰবল গড়াখহনীয়াৰ ফলত নগাওঁ-ভুৰাগাওঁ ৰাস্তাৰ উক্ত এলেকাত থকা ১০ খন মান পকী দলং ক্ষতিগ্ৰস্ত হোৱাৰ সম্ভাৱনাই দেখা দিছে এই বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেন্তে চৰকাৰে কি ব্যৱস্থা লৈছে?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) মৈৰাবাৰীৰ পৰা ভুৰাগাওঁলৈ ১৮ কিঃ মিঃ অংশত চলি থকা ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াৰ বিষয়ে চৰকাৰ অৱগত।

(খ) মৈৰাবাৰীৰ পৰা ভুৰাগাওঁলৈ ১৮ কিঃমিঃ ৰ অংশত চলি থকা ব্ৰহ্মপুত্ৰৰ প্ৰবল গড়খহনীয়াৰ প্ৰতিৰোধৰ বাবে প্ৰস্তুত কৰা দুখন আঁচনিত ইতিমধ্যে কেন্দ্ৰীয় জল আয়োগে অনুমোদন জনাইছে আৰু আন দুখন আঁচনিৰ বিস্তৃত প্ৰাক্কলন প্ৰস্তুত কৰি থকা হৈছে।

**বিষয় ঃ ৰাজীব গান্ধী মেম'ৰিয়েল ষ্টেডিয়াম।**

**শ্ৰী দিলীপ কুমাৰ শইকীয়া সুধিছে ঃ**

৭৯৭। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) প্ৰাক্তন প্ৰধান মন্ত্ৰীৰ সোঁৱৰণীত ৰাজীৱ গান্ধী মেম'ৰিয়েল নামৰ মিনি ষ্টেডিয়াম নিৰ্মাণ কৰিবলৈ 'ৰাজীৱ গান্ধী ট্ৰাষ্ট'ৰ পৰা অসম চৰকাৰে ধন দিয়াটো সঁচানে?

(খ) যদি দিছিল, কিমান ধন কেতিয়া দিছিল চিঠি সহ উল্লেখ কৰিবনে?

(গ) এই ৰাজীৱ গান্ধী মেম'ৰিয়েল মিনি ষ্টেডিয়াম নিৰ্মাণ কৰিবলৈ অসম চৰকাৰেও ধন যোগান ধৰিছিল নেকি আৰু যদি ধৰিছিল কেতিয়া কিমান টকা আগবঢ়াইছিল?

(ঘ) সেই ধন কোনে কেতিয়া লৈছিল বিতংকৈ জনাবনে?

(ঙ) সেই ধনেৰে নিৰ্মিত হ'ব লগা ষ্টেডিয়ামখন বৰ্তমান কংগ্ৰেছৰ দলীয় হাইকামাণ্ড শ্ৰীমতী ছনীয়া গান্ধীয়ে আধাৰ শিলা স্থাপন কৰাটো সঁচানে?

(চ) ষ্টেডিয়ামখন এতিয়া কি পৰ্য্যায়ত আছে?

(ছ) এই ষ্টেডিয়ামখন নিৰ্মাণৰ সম্পৰ্কত দুৰ্নীতিৰ তদন্ত কৰা হৈছিল নেকি?

(জ) সেই তদন্ত কোন পৰ্য্যায়ত আছে?

শ্ৰী গৌতম ৰয় (ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাজীৱ গান্ধী ন্যাসৰ পৰা অসম চৰকাৰে ধন আৱন্টন তথা বিতৰণ কৰাৰ প্ৰশ্ন নুঠে।

(খ) প্ৰশ্ন নুঠে।

(গ) হয় ধৰিছিল। ১৯৯৫-৯৬ বিত্তীয় বৰ্ষত মুঠতে ২ কোটি ৭৫ লাখ টকাৰ অনুদান আগবঢ়াইছিল।

(ঘ) ইয়াৰে ১ (এক) কোটি টকা ক্ৰীড়া সঞ্চালকালয়ৰ জৰিয়তে ২১/১১/৯৫ তাৰিখে সেই সময়ৰ সদস্য সচিবক দিয়া হৈছিল। বাকী টকা চৰকাৰৰ 'ৰেভিনিউ ডিপজিটত আছে'।

(ঙ) সঁচা।

(চ) নিৰ্মাণৰ প্ৰাৰম্ভিক পৰ্য্যায়তে আছে।

(ছ) দুৰ্নীতিৰ তথ্য চৰকাৰৰ হাতত নাই। চৰকাৰে গড়কাপ্তানী বিভাগক সম্পূৰ্ণ হোৱা কামৰ মূল্য নিৰ্দ্ধাৰণৰহে নিৰ্দেশ দিছিল।

(জ) প্ৰশ্ন নুঠে।

**ৰিষয় ঃ গড়াখহনীয়াত ক্ষতিগ্ৰস্ত।**

**শ্ৰী গোপীনাথ দাসে সুধিছে ঃ**

৭৯৮। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত নগৰবেৰা আৰু নতুন মালিবাৰী বজাৰ দুখন জলজলী নদীৰ গড়াখহনীয়াৰ ফলত ক্ষতিগ্ৰস্ত হোৱা কথাটো চৰকাৰে জানেনে?

(খ) যদি জানে, তেন্তে চৰকাৰে এই ক্ষেত্ৰত কি ব্যৱস্থা লৈছে?

শ্ৰী ভৰত চন্দ্ৰ নৰহ (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, জানে।

(খ) এই গড়াখহনীয়া প্ৰতিৰোধৰ বাবে ৩৪ তম কাৰিকৰী উপদেষ্টা সমিতিৰ অনুমোদিত দুখন আঁচনিৰ বিস্তৃত প্ৰাক্কলন প্ৰস্তুত কৰি থকা হৈছে।

**বিষয় ঃ ধল পুখুৰী সংহত শিশু উন্নয়ণ প্ৰকল্প।**

**শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

৭৯৯। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) নগাওঁ জিলা ধল পুখুৰী সংহত শিশু উন্নয়ণ প্ৰকল্পত পি এম জি এচ ওৱাই আঁচনিৰ

অধীনত শিশু আৰু মহিলাৰ কল্যাণৰ বাবে চাউল দাইলৰ যোগান ধৰা হৈছিল নেকি?

(খ) যদিহে যোগান ধৰা হৈছিল, তেন্তে কোন তাৰিখে যোগান ধৰা হৈছিল?

(গ) কিমান পৰিমাণৰ যোগান ধৰা হৈছিল?

(ঘ) উক্ত খাদ্য সামগ্ৰী সমূহৰ কাৰ জৰিয়তে আৰু কেতিয়া বিতৰণ কৰা হ'ল?

(ঙ) উক্ত প্ৰকল্পৰ অঙ্গনবাদী কৰ্মী আৰু সহকাৰীৰ পদ সমূহত নিযুক্তিৰ ক্ষেত্ৰত মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ত স্থানীয় কোনো ব্যক্তিয়ে গোচৰ তৰাটো সত্য হয়নে?

(চ) যদিহে সঁচা, তেনেহলে উচ্চ ন্যায়ালয়ে কোনো ধৰণৰ নিৰ্দ্দেশ চৰকাৰক দিছে নেকি?

(ছ) যদিহে নিৰ্দ্দেশ দিছে, তেনেহলে চৰকাৰৰ স্থিতি কি?

**শ্ৰী গৌতম ৰয় (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়।

(খ) খাদ্য সমূহ সংহত শিশু উন্নয়ণ প্ৰকল্প বিলাকত যোগান ধৰিবলৈ যোৱা ২১ ডিচেম্বৰত AGMC ক Indent দিয়া হৈছিল আৰু জানুৱাৰী মাহৰ ৮ তাৰিখৰ ভিতৰত বস্তু সমূহ দিবলৈ নিৰ্দ্দেশ দিয়া হৈছিল।

(গ) ধলপুখুৰী সংহত শিশু উন্নয়ণ প্ৰকল্পত ৪৯৭.৬৬ কুইন্টল চাউল আৰু ১২৪.৪২ কুইন্টল দাইল দিবলৈ নিৰ্দ্দেশ দিয়া হৈছিল।

(ঘ) উক্ত সামগ্ৰী সমূহ AGMC আমবাৰী শাখাৰ জৰিয়তে যোগান ধৰা হৈছিল আৰু বস্তু সমূহ বিভিন্ন অংগনবাদী কেন্দ্ৰত বিলোৱাৰ দায়িত্ব প্ৰকল্প বিষয়াৰ ওপৰত ন্যস্ত কৰা হৈছিল।

(ঙ) সত্য।

(চ) উচ্চ ন্যায়ালয়ৰ পৰা কোনো নিৰ্দ্দেশ পোৱা হোৱা নাই।

(ছ) প্ৰশ্ন 'চ'ৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

## Sub. : Conducting Audit of R.K. Nagar College in Karimganj District.

**Shri Rathish Ranjan Choudhury asked :**

800. Will the Minister of Finance be please to state :

(a) Whether internal audit of R. K. Nagar College was conducted by the staff of local audit fund (Department), Govt. of Assam during last five years?

(b) If so, whether any discrepency/misappropriation of fund was found?

(c) If not, whether the Govt. will instruct the Director, local Audit, Assam to depute a team of auditors to conduct audit of the R. K. Nagar College, since the date of audit conducted last?

**Shri Debanand Konwar (Minister of Finance) replied :**

(a) The Internal Audit of R. K. Nagar College was not conducted by the staff of Local Audit Fund Department during the last five years.

(b) Does not arise.

(c) The arrangement for audit on the accounts of R. K. Nagar College for the period from 1-4-93 to 31-3-2001 has aready been made on 18-2-2002 by the Assistant Director of Audit (Local Fund), Karimganj Circle.

**বিষয় ঃ চেক গেটত টকা সংগ্ৰহ।**

**ডঃ জয়নাথ শৰ্মাই সুধিছে ঃ**

৮০১। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) যোৱা ২০০১ চন এপ্ৰিল মাহৰ পৰা ২০০২ চনৰ ১ মাৰ্চলৈ কোন কোন চেক গেটত কিমান টকা সংগ্ৰহ হৈছে?

(মাহ ভিত্তিত তথ্য দিব চেক গেটৰ বিপৰীতে)

(খ) বিত্ত বিভাগে স্থাপন কৰা চেক গেট সমূহৰ নাম আৰু এই চেক গেটত থকা বিষয়া সকলৰ নাম/পদবী জনাবনে?

(গ) অসমৰ কোন কোন কৰ অধীক্ষকৰ অধীনত উক্ত সময়ছোৱাত কিমান টকাৰ কৰ সংগ্ৰহ হৈছে?

**শ্ৰী দেৱানন্দ কোঁৱৰ (বিত্ত মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) যোৱা ২০০১ চনৰ এপ্ৰিল মাহৰ পৰা ২০০২ চনৰ ফেব্ৰুৱাৰী মাহলৈ মাহ ভিত্তিত বিভিন্ন চেক গেটত সংগ্ৰহ কৰা কৰ আমানতৰ পৰিমাণ পৰিশিষ্ট - ১ত সংলগ্ন কৰি দেখুওৱা হ'ল। (See the Annexure-XV)

(খ) চেক গেট সমূহৰ নাম আৰু চেক গেটত থকা বিষয়া সকলৰ নাম/পদবী পৰিশিষ্ট - ২ত সংলগ্ন কৰি দেখুওৱা হ'ল। (See the Annexure-XVI)

(গ) ২০০১ চনৰ এপ্ৰিল মাহৰ পৰা ২০০২ চনৰ ফেব্ৰুৱাৰী মাহলৈ বিভিন্ন কৰ অধীক্ষকৰ অধীনত থকা গোটা কাৰ্য্যালয় সমূহৰ জৰীয়তে সংগ্ৰহ কৰা কৰৰ পৰিমাণ পৰিশিষ্ট - ৩ ত সংলগ্ন কৰা হ'ল। (See the Annexure-XVII)

## Sub. : Land of Netajee Yogic Hospital.

**Shri Mission Ranjan Das asked :**

802. Will the Minister of Revenue be please to state :

(a) Whether Karimganj Sub-Divisional Land Advisory Committee had approved the proposal of allotment of a plot of Govt. Khas land measuring 3 Katha 5 Chetak under Dag No. 3640 (UMO) Mouza-Karimganj, Town Sheet No. 32/11/2 on 3-11-1994 to Netajee Yogic Hospital/cum Yogasan Training Centre at Karimganj?

(b) Whether the Deputy Commissioner, Karimganj had sent the said proposal to Revenue (S) Deptt. vide No. KRS.1/pt/94-95/17, dt. 18-11-95 for Govt. approval?

(c) Whether the Govt. of Assam Revenue (S) Deptt. approved the said proposal and vide its letter No. RSS/359/96/20 dt. 25-1-01 intimated the Deputy Commissioner, Karimganj with instruction to hand over the said plot of land to Netajee Yogic Hospital cum Yogasan Training Centre at Karimganj?

(d) If so, whether the Deputy Commissioner, Karimganj, has handed over the said plot of land to the party concerned?

(e) If not, why and when it will be handed over?

**Shri Debanand Konwar (Minister of Revenue) replied :**

(a) Yes.

(b) Yes.

(c) Yes.

(d) No.

(e) The matter had in the mean time became subjudice. However, after disposal of the T.S.No.45/2002 arising out of Misc Case No. 20/2002 necessary action will be taken thereon. The matter is udner examination of the Government.

## বিষয় ঃ অঙ্গনবাদী কৰ্মী আৰু সহায়িকা বাচনি কমিটি।

**শ্ৰী আলি আকবৰ মিঞা আৰু**

**শ্ৰী যোচেফ টপ্পই সুধিছে ঃ**

৮০৩। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমৰ কোন কোন জিলাত কিমানটাকৈ ICDS Project আছে (Project ৰ

নাম বিধান সভা সমষ্টি ভিত্তিত তালিকা বনাই দাখিল কৰিব)?

(খ) উক্ত Project বোৰৰ বিপৰীতে অঙ্গনবাদী কৰ্মী আৰু সহায়িকা বাছনিৰ বাবে যিবোৰ কমিটি গঠন কৰা হৈছিল বা হৈছে তাত বিৰোধী দল (অগপ, বিজেপি, বিডিএফ আদি)ৰ বিধায়কক সভাপতি/সদস্য পতা হোৱা নাই সঁচানে?

(গ) যদি সঁচা, তাৰ কাৰণ কি (ব্যাখ্যা কৰিব)?

(ঘ) যদি সঁচা নহয়, তেন্তে বিৰোধী দলৰ কোন কোন জন বিধায়কক কোন কোন Project ৰ বিপৰীতে সভাপতি/সদস্য পতা হৈছে?

(ঙ) ধুবুৰী জিলাৰ কোন কোন Project ৰ অঙ্গঁনবাদী কেন্দ্ৰ সমূহৰ নাম কোন কোন তাৰিখত চূৰান্ত কৰা হ'ল - কোন কোন তাৰিখত তাৰ বিপৰীতে প্ৰাৰ্থীৰ বাছনি পৰীক্ষা লোৱা হ'ল আৰু কোন কোন তাৰিখত প্ৰাৰ্থীক নিযুক্তি পত্ৰ দিয়া হ'ল (তালিকা প্ৰস্তুত কৰি বিতং তথ্য দাখিল কৰিব)?

(চ) জিলা খনৰ উপৰোক্ত Project সমূহৰ অঙ্গঁনবাদী কেন্দ্ৰ বিপৰীতে 'তদাৰক কমিটি'বোৰ গঠন কৰা হৈছে নেকি (যদি হৈছে, তেন্তে কোন Project ৰ 'তদাৰক কমিটি' কোন কোন তাৰিখত গঠন কৰা হৈছে, বিতং ভাৱে উত্তৰ দিব)?

**শ্ৰী গৌতম ৰয় (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসমত মুঠ ১৯৬ টা ICDS Project আছে। জিলা ভিত্তিত তালিকা লগত গাঠি দিয়া হ'ল। সমষ্টি ভিত্তিত ICDS Project সমূহ গঠন কৰা হোৱা নাই। সেয়ে তালিকা দিয়া হোৱা নাই। (See the Annexure-XVIII)

(খ) সঁচা নহয়।

(গ) প্ৰশ্ন নুঠে।

(ঘ) Bajali ICDS Project আৰু Tihu ICDS Project ৰ বাছনি কমিটিত শ্ৰী পবিন্দ্ৰ ডেকা, বিধায়কক সভাপতি পতা হৈছে আৰু Mazbat ICDS Project ৰ বিধায়ক শ্ৰী কৰেন্দ্ৰ বসুমতাৰীক সদস্য পতা হৈছে। তদুপৰি নগাওঁ জিলাৰ Kapili, Khagarijan, Batadraba, Kaliabar, Juria and Barhampur ICDS Project ত স্থানীয় বিধায়কক সভাপতি পতা হৈছে আৰু Kalain ICDS Project ত শ্ৰী কালিৰঞ্জন দেৱ বিধায়কক সদস্য পতা হৈছে।

(ঙ) তথ্য বিচৰা হৈছে। তথ্য পালে সদনত দাখিল কৰা হ'ব।

(চ) তদাৰক কমিটি গঠন কৰা হোৱা নাই।

## বিষয় ঃ ICDS Project.

**শ্ৰী গুণীন হাজৰিকাই সুধিছে ঃ**

৮০৪। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) লামডিং ICDS প্ৰকল্পৰ অঙ্গনবাদী কৰ্মী আৰু সহায়িকা সকলৰ দৰমহা দিয়া হৈছে নেকি?

(খ) কি কাৰণে এতিয়ালৈকে তেওঁলোকৰ দৰমহা দিয়া হোৱা নাই?

(গ) কণ কণ শিশুৰ বাবে পঠিওৱা পুষ্টিকৰ খাদ্য সামগ্ৰী আজিলৈকে কিমান পৰিমাণৰ কেন্দ্ৰ সমূহত বিতৰণ কৰা হ'ল?

**শ্ৰী গৌতম ৰয় (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) দিয়া হোৱা নাই।

(খ) তেওঁলোকৰ নিযুক্তি সমূহ নীতি বহিৰ্ভূত হোৱাত চৰকাৰে নিযুক্তি সমূহ বাতিল কৰাৰ পৰিপ্ৰেক্ষিতত দৰমহা দিয়া হোৱা নাই।

(গ) আইজং চাউল ২০৪.০০ কুইন্টল (স্থানীয়মানৰ) আৰু ৫১ কুইন্টল মগু দাইল কণ কণ শিশুৰ পুষ্টিকৰ খাদ্য হিচাবে কেন্দ্ৰ সমূহত বিতৰণৰ ব্যৱস্থা কৰা হৈছে।

## বিষয় ঃ কৰৰ যোগেদি পাব লগা আয়।

**শ্ৰী সৰ্ব্বানন্দ সোনোৱালে সুধিছে ঃ**

৮০৫। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ৰাজ্য চৰকাৰে কৰৰ যোগেদি পাবলগীয়া আয় শতকৰা ১০০ ভাগ আদায় হৈছেনে?

(খ) বাজেট অধিবেশনৰ আগে আগে Economic Survey ৰিপৰ্ট নিৰ্বাচিত প্ৰতিনিধি সকলক দিয়াৰ ব্যৱস্থা ৰাজ্য চৰকাৰে কেতিয়াৰ পৰা আৰম্ভ কৰিব?

(গ) বৰ্তমান চৰকাৰে COFR আৰু NIPEP য়ে আগবঢ়োৱা কিমানখিনি পৰামৰ্শ এইবাৰ বাজেট প্ৰস্তুত কৰোঁতে গ্ৰহণ কৰা হ'ল?

**শ্ৰী দেৱানন্দ কোঁৱৰ (বিত্ত মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৰাজ্য চৰকাৰে কৰৰ যোগেদি পাবলগীয়া আয় বিভিন্ন কাৰণত শতকৰা ১০০ ভাগ আদায় হোৱা নাই।

(খ) অৰ্থনীতি আৰু পৰিসংখ্যা বিভাগে প্ৰতি বছৰেই Economic Survey ৰিপৰ্ট যুগুতাই বিধানসভাৰ মাননীয় সদস্য সকল তথা অন্যান্য চৰকাৰী বিভাগসমূহক দিয়াৰ ব্যৱস্থা আছে। কিন্তু বিভিন্ন উৎসৰ পৰা তথ্য সময়মতে নোপোৱা অথবা পলমকৈ পোৱাৰ বাবে এই পুস্তিকাখনি যোৱা কেইটামান বছৰ ধৰি বিধান সভাৰ বাজেট

অধিবেশন চলি থকা সময়তে নিৰ্বাচিত প্ৰতিনিধি সকলক দিয়া হৈছিল। পলম হোৱা সত্বেও এই বছৰতো এই পুস্তিকাখনি খৰ খেদাকৈ উলিয়াই চলিত বাজেট অধিবেশনৰ সময়ছোৱাতেই মাননীয় সদস্য সকলক দিয়াৰ চেষ্টা কৰা হৈছে। অসুবিধা থকা সত্বেও অহা বছৰৰ পৰা বাজেট অধিবেশনৰ ঠিক আগে আগে পুস্তিকাখন প্ৰকাশ কৰি মাননীয় সদস্য সকলক দিবলৈ চেষ্টা কৰা হ'ব।

(গ) যিহেতু বাজেট প্ৰস্তুত কৰা কাম অক্টোবৰ মাহৰ পৰা আৰম্ভ হয় আৰু যিহেতু COFR ৰ ৰিপৰ্টখন ডিচেম্বৰ মাহতহে চৰকাৰক দাখিল কৰে সেয়েহে এইবাৰ বাজেট প্ৰস্তুত কৰোতে COFR য়ে আগবঢ়োৱা পৰামৰ্শসমূহ যথাযথভাবে গ্ৰহণ কৰিব পৰা নহ'ল।

NIPFP ৰ চূড়ান্ত প্ৰতিবেদন সম্প্ৰতিহে দাখিল কৰা হৈছে আৰু চৰকাৰৰ বিবেচনাধীন হৈ আছে।

**বিষয় ঃ চৰকাৰৰ দৈনিক গড় আয়।**

**শ্ৰী মদন কলিতাই সুধিছে ঃ**

৮০৬। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) এক চেপ্তেম্বৰ, ২০০১ চনৰ পৰা ১২ ফেব্ৰুৱাৰী, ২০০২ চনলৈকে অসম চৰকাৰৰ প্ৰতি দিনৰ গড় আয় (আনুমানিক) কিমান টকা?

(খ) কেন্দ্ৰীয় চৰকাৰৰ পৰা ২০০১ চনত বিভিন্ন শিতান/যোজনা অনুদান সাহায্য, পৰিকল্পনাৰ ধন ইত্যাদি ধৰি বছৰ/মাহ হিচাবত আনুমানিক কিমান টকা অসম চৰকাৰে পাইছে?

(গ) অসম চৰকাৰে ২০০১ চনত ৰাজ্য চৰকাৰৰ চাকৰিয়াল খিনি দৰমহা দিওতে প্ৰতি মাহত (আনুমানিক কিমান টকা খৰচ হ'ল?

(ঘ) ২০০১ চনৰ পৰা ২০০২ চনৰ ৩১ জানুৱাৰীলৈকে মাহেকত ৰাজ্য চৰকাৰৰ অতিৰিক্ত বিভিন্ন শিতানত কিমান টকা খৰচ হ'ল?

(ঙ) ২০০২ চনৰ ২৮ ফেব্ৰুৱাৰীলৈকে অসম চৰকাৰৰ ঋণৰ টকাৰ পৰিমাণ কিমান?

(চ) 'ঙ' সম্পৰ্কত ঋণৰ টকাৰ ধাৰ মাৰিবলৈ অসম চৰকাৰৰ বৰ্তমান বিত্তীয় নীতি মতে আনুমানিক কিমান বছৰ লাগিব?

**শ্ৰী দেৱানন্দ কোঁৱৰ (বিত্ত বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) আনুমানিক ১৯ কোটি টকা।

(খ) ২০০১-২০০২ চনত প্ৰায় ৩৬৩৬ কোটি টকা অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা পাইছে।

(গ) আনুমানিক ৩৪৬ কোটি টকা।

(ঘ) এতিয়ালৈকে পোৱা তথ্য অনুসৰি বিভিন্ন শিতানৰ বাবে মাহেকত গড় খৰছ হৈছে ৬০৭.১৭ কোটি টকা।

(ঙ) ১১৩৫১.৩৯ কোটি টকা।

(চ) অনুষ্ঠান/প্ৰতিষ্ঠানৰ বিধিগত চৰ্তাৱলী অনুসৰি ঋণ পৰিশোধ কৰাৰ বাবে ৫ বছৰৰ পৰা ২৫ বছৰলৈকে সময় লাগিব।

## বিষয় ঃ বিকলাংগ স্কুল।

**শ্ৰী ৰঞ্জিত দত্তই সুধিছে ঃ**

৮৮৭। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বিহালী সমষ্টিৰ অন্তৰ্গত বালি পুখুৰীত থকা বিকলাংগ স্কুল খন চৰকাৰে লোৱাৰ কথা ভাবিছে নেকি?

(খ) যদি ভাবিছে, তেন্তে কেতিয়াকৈ চৰকাৰে ল'ব?

**শ্ৰী গৌতম ৰয় (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) সদ্যহতে ভবা নাই।

(খ) প্ৰশ্ন নুঠে।

## বিষয় ঃ সীমান্তত পথ নিৰ্মাণত অধিকৃত মাটিৰ খাজনা।

**শ্ৰী দীনেশ চন্দ্ৰ সৰকাৰে সুধিছে ঃ**

৮০৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) সীমান্তৰ পথ (ভাৰত-বাংলাদেশ সীমান্ত নিৰ্মাণ কৰোতে সৰ্বমুঠ কিমান বিঘা মাটি অধিগ্ৰহণ কৰা হৈছিল?

(খ) তাৰ ভিতৰত ধুবুৰী জিলাত কিমান বিঘা অধিগ্ৰহণ কৰা হৈছিল?

(গ) মাটিৰ খাজনা আদায় কৰোতে অধিগৃহীত মাটিৰ খাজনা বাদ নিদিয়াকে চৰকাৰে ধুবুৰী জিলাত কিমান দিনলৈকে মাটিৰ গৰাকীৰ পৰা খাজনা আদায় কৰিছিল আৰু কিমান দিনৰ পৰা অধিগৃহীত মাটিৰ খাজনা বাদ দি মাটিৰ গৰাকীৰ পৰা খাজনা আদায় কৰি আছে?

**শ্ৰী দেৱানন্দ কোঁৱৰ (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) সীমান্তৰ পথ (ভাৰত-বাংলাদেশ সীমান্ত) নিৰ্মাণ কৰোতে সৰ্বমুঠ ২৬৫৯ বিঘা ১ কঠা ১৬ লেছা। ছটাক মাটি অধিগ্ৰহণ কৰা হৈছিল।

(খ) ইয়াৰ ভিতৰত ধুবুৰী জিলাত ১৮৫৩ বিঘা ০ কঠা ১১ লেছা মাটি অধিগ্ৰহণ কৰা

হৈছে।

(গ) অধিগৃহীত মাটিৰ খাজনা বাদ নিদিয়াকৈ বিভিন্ন ৰাজহ চক্ৰত বিভিন্ন সময়লৈকে খাজনা আদায় কৰা হৈছিল। চক্ৰ ভিত্তিত খাজনা আদায়ৰ সময়সীমা দেখুৱা হ'লঃ-

| | | |
|---|---|---|
| আগমনী ৰাজহ চক্ৰৰ | - | ১৯৮৯-৯০ লৈকে (আংশিক) |
| বিভিন্ন অঞ্চলত | - | ১৯৯৩-৯৪ „ „ |
| | - | ১৯৯৯-২০০০ „ „ |
| গোলকগঞ্জ ৰাজহ চক্ৰৰ | - | ১৯৯১-৯২ „ „ |
| | | ২০০০-২০০১ „ „ |
| ধুবুৰী ৰাজহ চক্ৰ | - | ১৯৯৯-২০০০ লৈকে। |
| মানকাছাৰ ৰাজহ চক্ৰ | - | অধিগ্ৰহণৰ দিনৰ পৰা লৈ থকা হৈছে। |

অধিগৃহীত মাটিৰ খাজনা বাদ দি বিভিন্ন ৰাজহ চক্ৰত বিভিন্ন সময়ৰ পৰা খাজনা আদায় কৰাৰ সময়সীমা দেখুৱা হ'ল ঃ-

| | | |
|---|---|---|
| আগমনী ৰাজহ চক্ৰৰ | - | ১৯৯৪-৯৫ লৈকে। |
| | | ২০০০-২০০১ „ |
| গোলকগঞ্জ ৰাজহ চক্ৰ | - | ১৯৯২-৯৩ লৈকে |
| | | ২০০১-২০০২ „ |
| ধুবুৰী ৰাজহ চক্ৰ (সম্পূৰ্ণ) | - | ২০০০-২০০১ লৈকে। |
| মানকাচাৰ ৰাজহ চক্ৰ | - | প্ৰশ্ন নুঠে। |

**বিষয় ঃ বিদ্যুৎ পৰিষদৰ ঋণ।**

**শ্ৰী পবিন্দ্ৰ ডেকাই সুধিছে ঃ**

৮০৯। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে বিভিন্ন উৎসৰ পৰা এতিয়ালৈ কিমান পৰিমাণৰ টকা ঋণ লৈছে?

(খ) এই ঋণৰ বাবদ প্ৰতি বছৰে পৰিষদে কিমান টকা পৰিমাণৰ সুদ দিব লাগে?

(গ) ঋণ লোৱা উৎস সমূহৰ নাম কি কি?

**শ্ৰী দেৱানন্দ কোঁৱৰ (শক্তি মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে বিভিন্ন উৎসৰ পৰা এতিয়ালৈকে মুঠ ৩,৩৩৯.৪৭ কোটি টকা ঋণ লৈছে।

(খ) এই ঋণৰ বাবদ প্ৰতিবাৰে পৰিষদে প্ৰায় ২১০ কোটি টকা সুদ হিচাবে দিবলগীয়া হয়।

(গ) ঋণ লোৱাৰ উৎস সমূহৰ নাম ঃ-

(১) অসম চৰকাৰ

(২) এ,আই,ডি,চি

(৩) এল,আই,চি,

(৪) আৰ, ই, চি

(৫) পি,এফ,চি

(৬) নেড্‌ফি আৰ,

(৭) পাব্লিক বণ্ড (বজাৰ ঋণ)

**বিষয় ঃ ধাৰ্য্য কৰা টকা।**

**শ্ৰী ৰুপনছিং ৰংহাংয়ে সুধিছে ঃ**

৮১০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ জিলাৰ বাবে ২০০১-২০০২ চনৰ বাজেটত ধাৰ্য্য কৰা Non-Plan বিশেষকৈ Salary আৰু repairing কামৰ বাবে কিমান টকা মোকলাই দিয়া হৈছে?

(খ) কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ জিলাৰ বাবে FDR আৰু AR শিতানত থকা ২০০১-০২ চনৰ ধন মোকলাই দিয়া হৈছেনে?

(গ) যদি মোকলাই দিয়া হৈছে, তেতিয়াহলে দুয়োখন জিলালৈ কিমানকৈ ধন মোকলাই দিয়া হৈছে?

(ঘ) Finance Commissioner ৰ পৰা Natural Calamities ৰ বাবে কিমান ধন কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ জিলালৈ মোকলাই দিয়া হৈছে।

**শ্ৰী দেৱানন্দ কোঁৱৰ (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৰাজহ বিভাগৰ ২০০১-২০০২ চনৰ বাজেটত ধাৰ্য্য কৰা Non-Plan শিতানৰ পৰা salary বাবদ মুঠ ৩,৫২,২০০ টকা কাৰ্বি-আংলং জিলালৈ মোকলাই দিয়া হৈছে। উত্তৰ কাছাৰ জিলাৰ বাবে এই শিতানত কোনো ধন ধাৰ্য্য কৰা হোৱা নাই। গড়কাপ্তানী বিভাগে repairing শিতানৰ পৰা সৰ্ব্বমুঠ ৬৬,০০,০০০ টকা কাৰ্বি-আংলং আৰু উত্তৰ কাছাৰ জিলাৰ বাবে মোকলাই দিছে।

(খ) কাৰ্বি-আংলং আৰু উত্তৰ কাছাৰ জিলাৰ বাবে FDR শিতানৰ পৰা ২০০১-২০০২

চনত কোনো ধন মোকলাই দিয়া হোৱা নাই। কিন্তু AR শিতানৰ পৰা ধন গড়কাপ্তানী বিভাগে মোকলাই দিছে।

(গ) ২০০১-২০০২ চনৰ AR শিতানৰ পৰা গড়কাপ্তানী বিভাগে ৪৯,০৫,০০০ টকা কাৰ্বি-আংলং আৰু ১৬,৯৫,০০০ টকা উত্তৰ কাছাৰ জিলাৰ বাবে মোকলাই দিছে।

(ঘ) জিলা ভিত্তিত Natural Calamities ৰ ধন Finance Commissionerৰ পৰা মোকলাই দিয়া নহয়।

## বিষয় ঃ সংখ্যালঘু পৰিয়াল গৃহহীন।

**শ্ৰী বুবুল দাসে সুধিছে ঃ**

৮১১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) মৰিগাওঁ জিলাৰ মায়ং ৰাজহ চক্ৰ, ভুৰাগাওঁ ৰাজহ চক্ৰ আৰু লাহৰিঘাট ৰাজহ চক্ৰৰ অধীনত ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াৰ বাবে মুঠ কিমানটা সংখ্যালঘু পৰিয়াল গৃহহীন হৈছে চৰকাৰে জ্ঞাতনে?

(খ) যদি জ্ঞাত তেনেহলে এই সৰ্বহাৰা সংখ্যালঘু লোক সকলক জীৱিকা নিৰ্বাহৰ বাবে বৰ্তমান চৰকাৰে কি কি আঁচনি গ্ৰহণ কৰিছে?

(গ) বৰ্তমানৰ চৰকাৰে নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰি এই বিভাগৰ দ্বাৰা ৰাজ্য খনৰ প্ৰাকৃতিক দুৰ্যোগ যেনে ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াই গৃহহীন ও সৰ্বশ্ৰান্ত কৰা বান পীড়িত সংখ্যালঘু সকলৰ উন্নয়ণৰ বাবে বাজেটত কিমান টকাৰ আঁচনি ধাৰ্য্য কৰিছে আৰু এই আঁচনি সমূহ কি কি বিতং ভাবে তথ্য দাখিল কৰিব?

**শ্ৰী দেৱানন্দ কোঁৱৰ (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, জ্ঞাত। মৰিগাওঁ জিলাত ব্ৰহ্মপুত্ৰ নদীৰ গড়াখহনীয়াৰ ফলত সংখ্যালঘু সম্প্ৰদায়ৰ মুঠ ১৩,১৬৪ টা পৰিয়াল গৃহহীন নহয়।

(খ) উক্ত ক্ষতিগ্ৰস্ত পৰিয়াল সমূহক জীৱিকা নিৰ্ব্বাহৰ কাৰণে বৰ্তমানলৈ কোনো নিদিষ্ট আঁচনি গ্ৰহণ কৰা নাই। কিন্তু এই সকল পৰিয়ালৰ ভিতৰত ১৫ টা পৰিয়ালক ভুৰাগাওঁ ৰাজহ চক্ৰত আৰু ১৮১ টা পৰিয়ালক লাহৰিঘাট ৰাজহ চক্ৰত পুনৰ সংস্থাপন দিয়া হৈছে। তাৰোপৰি ১৯৯৬ চনত ক্ষতিগ্ৰস্ত ১৯৪ টা পৰিয়ালক এক হাজাৰ টকাকৈ পুনৰ সংস্থাপন সাহায্য দিয়া হৈছে আৰু লাহৰিঘাট ৰাজহ চক্ৰ ১৪০ টা পৰিয়ালক পুনৰ সংস্থাপন দিবৰ বাবে উপাযুক্তই ব্যৱস্থা লৈ আছে।

(গ) গড়াখহনীয়াত ক্ষতিগ্ৰস্ত সংখ্যালঘু পৰিয়াল সমূহৰ উন্নয়ণৰ বাবে বাজেটত ৰাজহ বিভাগৰ শিতানত কোনো নিৰ্দ্দিষ্ট আঁচনি ধৰা নাথাকে।

**Sub. : Construction of Boundary Wall of R.K.Nagar Sub-Treasury.**

**Shri Rathish Ranjan Choudhury asked :**

812. Will the Minister of Finance be please to state :

(a) Whether the Govt. is aware of the fact that the R.K. Nagar Sub-Treasury Office is functioning from a Govt. building without any boundary wall and Chowkidar shed though the concerned Sub-Treasury Officer requested Deputy Commissioner, Karimganj to protect the Office by erecting boundary wall and Chowkidar shed within the Office Campus?

(b) If so, what step has been taken by the Govt.?

(c) Whether the Govt. will instruct the Chief Engineer, P.W.D.(Bldg.) Assam Executive Engineer, Karimganj P.W.D. (Bldg) to submit necessary estimate to the G.A.D. Sectt. for placing necessary fund?

**Shri Debanand Konwar (Minister, Finance) replied :**

(a) The Govt. is aware of the position. The matter is under process.

(b) Necessary action has been taken by the Director of Accounts & Treasuries, Assam.

(c) - do -

**বিষয় ঃ ৰাজ্যিক ক্ৰীড়া পৰিষদ।**

**শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

৮১৩। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ৰাজ্যিক ক্ৰীড়া পৰিষদ আৰু ৰাজ্যিক ক্ৰীড়া সঞ্চালকালয় একগোট কৰিবৰ বাবে বিভাগৰ তৰফৰ পৰা সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল নেকি?

(খ) যদিহে সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল, তেনেহলে বৰ্তমান বিভাগৰ এই সম্পৰ্কত স্থিতি কি?

**শ্ৰী গৌতম ৰয় (ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) তেনে কোনো প্ৰস্তাৱ নাই।

(খ) প্ৰশ্ন নুঠে।

## বিষয় ঃ ক্ষুদ্ৰ চাহ খেতিয়ক।

**শ্ৰী সৰ্ব্বানন্দ সোনোৱালে সুধিছে ঃ**

৮১৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমৰ বৰ্তমান প্ৰায় ৩৮ হাজাৰ ক্ষুদ্ৰ চাহ খেতিয়কৰ মাটি বিলাক কি অৱস্থাত আছে?

(খ) ক্ষুদ্ৰ চাহ খেতিয়কৰ স্বাৰ্থ সুৰক্ষাৰ নিমিত্তে চৰকাৰে এতিয়ালৈকে কি কি বাস্তৱ পদক্ষেপ গ্ৰহণ কৰিছে?

(গ) ক্ষুদ্ৰ চাহ খেতিৰ জৰিয়তে অসমৰ কিমান সংখ্যক লোকে প্ৰত্যক্ষ আৰু পৰোক্ষ ভাবে সংস্থাপিত হৈছে?

(ঘ) অসমৰ মুঠ মাটি কালিৰ কিমান মাটি বৃহৎ চাহ উদ্যোগৰ দখলত আছে।

(ঙ) চৰকাৰে অসমৰ ৰাইজে দাবী জনাই অহা মতে কিমান দিনৰ ভিতৰত বৃহৎ চাহ বাগিছা সমূহৰ অবৈধ মাটি চৰকাৰীভাবে জব্দ কৰি বানবিধস্ত ক্ষতিগ্ৰস্ত আৰু প্ৰক্তন চাহ শ্ৰমিকৰ হাতত অৰ্পণ কৰিব?

**শ্ৰী দেৱানন্দ কোঁৱৰ (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসমৰ ১৩ খন জিলাৰ পৰা প্ৰাপ্ত তথ্য মতে প্ৰায় ৮৪৩২ জন ক্ষুদ্ৰ চাহ খেতিয়কৰ মাটিবোৰ তলত দিয়া ধৰণে বিভিন্ন অৱস্থাত আছে। ১৩ খন জিলাৰ ভিতৰত যোৰহাট, উত্তৰ-লক্ষীমপুৰ, তিনিচুকীয়া, দৰং আৰু শোণিতপুৰ জিলাত মুঠ ৩৯৮৩ ৰিঘা ১ কঠা ১ লেছা মাটি আৱন্টন দিয়া হৈছে। দৰংৰ ১৫৫ বিঘা মাটিৰ পট্টা খোলাৰ হুকুম দিয়া হৈছে। এই জিলাৰ ৩২৪২ বিঘা ৩ কঠা ৪ লেছা মাটি আৱন্টন/পট্টনৰ বাবে প্ৰস্তাব দাখিল কৰা হৈছে। ৮২২ বিঘা মাটি ক্ষুদ্ৰ চাহ খেতিয়কৰ বেদখলো আছে।

(খ) (১) চৰকাৰৰ তৰফৰ পৰা ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ দখলত থকা মাটিবোৰ আৱন্টন/পট্টা প্ৰদাণৰ প্ৰস্তাৱ দাখিল কৰিবলৈ সংশ্লিষ্ট বিভাগ সমূহলৈ নিৰ্দ্দেশ দিয়া হৈছে।

(২) পট্টা প্ৰদাণত মুঠ চৰকাৰী মূল্যৰ মাত্ৰ ৩৩ ১/৩ প্ৰমিয়াম হিচাপে ধাৰ্য্য কৰা হয়।

(গ) ১৩ খন জিলাৰ পৰা পোৱা প্ৰাপ্ত তথ্য মতে প্ৰায় ৮৪৩২ জন লোক পোন পতিয়াকৈ আৰু ১৬২ জন পৰোক্ষভাৱে সংস্থাপিত হৈ আছে।

(ঘ) ধুবুৰী জিলাৰ মুঠ মাটি কালিৰ ০.৬১%, লক্ষীমপুৰ জিলাৰ মুঠ মাটিৰ কালিৰ ৫.১৩% যোৰহাট জিলাৰ মুঠ মাটি কালিৰ ২২.৫৬% তিনিচুকীয়া জিলাৰ মুঠ মাটি কালিৰ

২২.৬% দৰং জিলাৰ মুঠ মাটি কালিৰ ১৩.৫৯%, কোকৰাঝাৰ জিলাৰ মুঠ কালিৰ ৬.১৮%, শোণিতপুৰ জিলাৰ মুঠ মাটি কালিৰ ১২.৮৬% মাটি বৃহৎ চাহ উদ্যোগৰ দখলত আছে।

(ঙ) যোৰহাট জিলাত বৰ্তমানলৈকে ২০৫৯ বিঘা ০ কঠা ১৫ লোছা চাহবাগানৰ চিলিং উদ্বৃত মাটি বানবিধস্ত আৰু প্ৰাক্তন চাহ শ্ৰমিকৰ মাজত বিতৰণ কৰা হৈছে। দৰং জিলাত ১৪৩৬ বিঘা ৪ কঠা ১০ লোছা মাটিৰ ভিতৰত ১৩৪ বিঘা প্ৰাক্তন চাহ শ্ৰমিকৰ মাজত বিতৰণ কৰা হৈছে। কোকৰাঝাৰত ১৭২৪৩ বিঘা ৩ কঠা মাটিৰ ৮১৩ জন প্ৰাক্তন চাহ শ্ৰমিকৰ মাজত বিৰতণ কৰা হৈছে।

বৰ্তমান অসম চৰকাৰৰ বৃহৎ চাহ উদ্যোগৰ বেদখলত থকা মাটিবোৰ আৱন্টন/পট্টন দিয়াৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে।

## বিষয় ঃ বিশ্বনাথ চাৰিআলিৰ ষ্টেডিয়াম।

**শ্ৰী ৰঞ্জিত দত্তই সুধিছে ঃ**

৮১৫। মাননীয় ক্ৰীড়া বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বিশ্বনাথ চাৰিআলিত থকা Stadium খনত এতিয়ালৈকে চৰকাৰে কিমান টকা সাহাৰ্য্য আগবঢ়াইছে?

(খ) কেতিয়াকৈ এই Stadium খন সম্পূৰ্ণ কৰিব?

**শ্ৰী গৌতম ৰয় (ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) এতিয়ালৈকে অসম চৰকাৰৰ পৰা কোনো সাহাৰ্য্য আগবঢ়োৱা হোৱা নাই।

(খ) পুঁজি সাপেক্ষে কাম সম্পূৰ্ণ কৰিব পৰা হ'ব।

## বিষয় ঃ অঙ্গনবাদী কেন্দ্ৰ।

**শ্ৰী ৰঞ্জিত দত্তই সুধিছে ঃ**

৮১৬। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বিহালী সমষ্টিৰ অন্তৰ্গত বিহালী উন্নয়ণ খণ্ডৰ অধীনত কিমান সংখ্যক অঙ্গনবাদী কেন্দ্ৰ চলি আছে?

(তালিকা দাখিল কৰিব)

(খ) এই সমষ্টিৰ অন্তগত বাঘমৰা উন্নয়ণ খণ্ডৰ অধীনত কেতিয়াৰ পৰা অঙ্গনবাদী কেন্দ্ৰ আৰম্ভ কৰিব?

**শ্ৰী গৌতম ৰয় (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ**

(ক) ৬৯ টা (তালিকা লগত দিয়া হ'ল)। (see the Annexure-XIX)

(খ) কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন সাপেক্ষে বাঘমৰা উন্নয়ণখণ্ডৰ অধীনত অঙ্গনবাদী কেন্দ্ৰী আৰম্ভ কৰিব পৰা যাব।

**(Unstarred Question No. 817 was disallowed)**

**বিষয় ঃ বিদ্যুৎ যোগান।**

**শ্ৰী সৰ্ব্বানন্দ চৌধুৰীয়ে সুধিছে ঃ**

৮১৮। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ভৱানীপুৰ সমষ্টিৰ বৃহৎ সংখ্যক গাওঁত এতিয়াওঁ বিদ্যুৎ যোগান দিয়া নাই, এই সম্পৰ্কত চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, তেন্তে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

**শ্ৰী দেৱানন্দ কোঁৱৰ (শক্তি মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ভৱানীপুৰ সমষ্টিত মাত্ৰ ২৩ খন গাওঁ বৈদ্যুতিকৰণ কৰিবলৈ বাকী আছে। এই পৰ্য্যন্ত মুঠ ১০৬ খন গাঁৱত বৈদ্যুতিকৰণ কৰা হৈছে।

(খ) কেন্দ্ৰীয় চৰকাৰৰ নীতি অনুসৰি দশম পঞ্চ বাৰ্ষিক পৰিকল্পনাত অৰ্থাৎ ২০০৭ চনৰ ভিতৰত ধন প্ৰাপ্তি সাপেক্ষে অসমৰ সমূহ গাওঁ বৈদ্যুতিকৰণ কৰা হ'ব।

## DISCUSSION ON ZERO HOUR MATTER

**Mr. Speaker :** I have received as many as 8 Zero Hours Notices for today from the Hon'ble Members.

Shri Ali Akbar Miah, Gunin Hazarika, Dilip Kr. Saikia, Bhupen Roy, Phanibhusan Choudhury, Jagadish Bhuyan, Sarbananda Sonowal, Zoii Nath Sarma Hitendra Nath Goswami, Dilip Kr. Saikia, Phanibhusan Choudhury, Parimal Suklabaidya, Sushil Dutta, Pabindra Deka, Premadhar Bora, Misbahul Islam Laskar, Wazed Ali Choudhury, Himanta Biswa Sarma

As per rules, I have selected only 3 (zero) Hour notices for raising before the House today.

Now, I call upon the Hon'ble Member Shri Sarbananda Sonowal to raise his zero Hour Motion which was published in 'Dainik Janambhumi' dated 06-04-02 under the caption "অনুমোদিত গেছ লাকুৱালৈ স্থানান্তৰৰ যড়যন্ত্ৰ - ৰাজনৈতিক পাশাখেলৰ বলি হৈছে আমগুৰি প্ৰকল্প।"

* **শ্ৰী সৰ্ব্বানন্দ সোনোৱাল ঃ** অধ্যক্ষ মহোদয়, যোৱা ৬ এপ্ৰিল তাৰিখ দৈনিক জনমভূমি কাকতত বাতৰিত প্ৰকাশ পাইছে "ৰাজনৈতিক পাশাখেলৰ বলি হৈছে আমগুৰি প্ৰকল্প" মাননীয় শক্তিমন্ত্ৰীৰ উৰ্দ্দেশ্যে মই এই কথাটো ক'ব খুজিছোঁ। প্ৰশ্নোত্তৰ কালত সদনত শক্তি মন্ত্ৰীয়ে স্পষ্টকৈ জনাইছে যে শক্তি যোগান ধৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ স্বাৱলম্বী হ'ব পৰা নাই, আচলতে চৰকাৰে স্বাৱলম্বী হ'বলৈ ইচ্ছা প্ৰকাশ কৰা নাই, নকৰে। প্ৰকৃতিয়ে আচলতে আমাক অকপটে জল সম্পদ, কলয়া, গেছ আদি দান কৰিছে, কিন্তু আমাৰ অকৰ্মন্যতাৰ কাৰণে শক্তিশালী দৃঢ়তা প্ৰকাশ কৰি ব্যৱস্থা ল'ব পৰা নাই। সেই কাৰণে অধ্যক্ষ ডাঙৰীয়া, ৰাজ্যখনৰ অৰ্থনতিত আজি ডাঙৰ প্ৰভাব পৰিছে। হাৰিয়ানাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ৰাজ্যখনৰ অগ্ৰাধিকাৰৰ ভিত্তিত দুটা কথা গুৰুত্ব দিছিল, এটা হৈছে ৰাস্তা-পদুলি আৰু আনটো হৈছে বিজুলি যোগান।

**মাননীয় অধ্যক্ষ ঃ** কল এটেনশ্যনত যিটো বিষয় আহিছে আপুনি তাৰ ওপৰত কওক।

* **শ্ৰী সৰ্ব্বানন্দ সোনোৱাল ঃ** অধ্যক্ষ মহোদয়, ঐতিহাসিক অসম চুক্তিৰ ভিত্তিত আমগুৰিত ৩৬০ মেগা ওৱাট গেছ প্ৰকল্প স্থাপন হ'ব বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰতিশ্ৰুতি দিছিল আৰু সেই ক্ষেত্ৰত যথেষ্ঠখিনি আগবাঢ়িছিল। কিন্তু ৰাজনৈতিক অভিসন্ধিৰ বলি হৈ আমগুৰিত প্ৰস্তাবিত গেছ ভিত্তিক প্ৰকল্পটো নৌ ওপজোতেই মৃত্যু হোৱাৰ উপক্ৰম হৈছে। অভিযোগ উঠা মতে অসম চুক্তি অনুসৰি প্ৰথম খন অগপ চৰকাৰৰ আমোলত প্ৰকল্পটোৰ আধাৰশিলা স্থাপন কৰাৰ বাবেই বৰ্তমান কংগ্ৰেছ চৰকাৰ খনে প্ৰকল্পটো নিঃশেষ কৰি দিবলৈ বিচাৰিছে। উল্লেখ যোগ্য যে দীৰ্ঘদিনীয়া অনিশ্চয়তাৰ পিচত ২০০০ চনত অইলে প্ৰকল্পটোৰ বাবে ৫ এম এম এচ চি এম ডি গেছ যোগানৰ বাবে সন্মত হৈছিল। গেছ লিংকেজ কমিটীয়েও ইয়াত অনুমোদন জনাইছিল। সিদিনা হিতেন গোস্বামী ডাঙৰীয়াৰ এটা প্ৰশ্নৰ উত্তৰত শক্তিমন্ত্ৰী ডাঙৰীয়াই স্পষ্টবাবে জনাইছে যে বৰ্তমান আমাৰ গোটেই প্ৰকল্পটোৰ ক্ষেত্ৰত 0.5 MM SCMD Cubic meter গেছ পোৱা গৈছে আৰু গেছ প্ৰকল্প কাৰ্য্যকৰী নোহোৱাৰ কাৰণে আৰু লাকুৱালৈ হস্তান্তৰিত কৰাৰ কাৰণে প্ৰকল্পটোৰ ভবিষ্যত অন্ধকাৰলৈ গৈছে। ৰাজনৈতিক ষড়যন্ত্ৰৰ বাবেই এনে বলি হ'ব লগা হৈছে। জন্ম লগ্নতে মৃতপ্ৰায় হোৱা এই আমগুৰি প্ৰকল্পটো যিকোনো প্ৰকাৰে জীয়াই তুলিবলৈ শক্তি মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো।

* **শ্ৰী দেৱানন্দ কোঁৱৰ ঃ** অধ্যক্ষ মহোদয়, দৈনিক জনমভূমি কাকতত প্ৰকাশ হোৱা বাতৰিটোত "ৰাজনৈতিক পাশা খেলৰ বলি হৈছে আমগুৰি প্ৰকল্প" বুলি কৈছে। আৰু এই প্ৰকল্পটো ৰাজনৈতিক ষড়যন্ত্ৰৰ বলি হোৱা বুলি কৈছে। কিন্তু ইয়াত কোনো ষড়যন্ত্ৰ নাই। যদি এই প্ৰকল্পটো হয় তেন্তে মোৰ জিলা খনৰ কাৰণে ভাল, আমাৰ ৰাজ্যখনৰ কাৰণে ভাল। এই ক্ষেত্ৰত কি হৈছে মই যুক্তি দাঙি ধৰি ক'ব খুজিছো যে লাকুৱাৰ ৬০

* Speech not corrected

মেগা ওৱাট প্ৰকল্পৰ কাৰণে এ এচ বিয়ে ১২০ কোটি টকা খৰচ কৰিছে। ৬০ মেগাৱাট এডিশ্যনেল গেছ অ' এন জি চি য়ে দিম বুলি কৈছিল। কিন্তু এক আউন্স গেছো অ' এন জি চি য়ে যোগান ধৰা নাই। প্ৰস্তাৱিত গেছ খিনি পালেহে এটা উদ্যোগ চলাব পৰা যায়। কিন্তু গেছৰ অভাবত তিনি বছৰ কাল পৰি আছে, এইটো পুণৰজীৱীত কৰিবৰ কাৰণে ০.৫ এম এম এচ চি এচ ডি গেছ দিয়াৰ কাৰণে তেখেত সকলে অনুমোদন জনাইছে কিন্তু প্ৰকল্পটো এতিয়াও হৈ উঠা নাই। অসম চুক্তিৰ আধাৰত কৰিবলগীয়া আমগুৰি গেছ ভিত্তিক তাপ বিদ্যুৎ কেন্দ্ৰটো বেচৰকাৰী খণ্ডত নিৰ্মাণ কৰিবলৈ আৰু তাৰ বাবে আন্তঃৰাষ্ট্ৰীয় নিবিদা আহ্বান কৰা হৈছিল। প্ৰ-পত্ৰ কিনা ১২ খন প্ৰতিষ্ঠানৰ মাজৰ এখন হে নিবিদা পত্ৰ দিয়ে। যোগাযোগ কৰা স্বত্বেও বাকী এঘাৰখন প্ৰতিষ্ঠানৰ পৰা কোনো সহাৰী পোৱা নগ'ল। উপৰোক্ত কাৰণত সৃষ্টি হোৱা অনিশ্চয়তাত আৰু ১২০ মেঃ ওঃ প্ৰকল্পটোৱে গেছৰ অভাৱত প্ৰায় ৫০ মেঃ ওঃ উৎপাদন কৰি থকা বাবে উপলদ্ধ সম্পদৰ সদব্যৱহাৰৰ কাৰণে ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে। আমগুৰি তাপ বিদ্যুৎ পৰিযোজনা দশম পঞ্চম বাৰ্ষিক পৰিকল্পনাত অন্তৰ্ভূক্ত কৰা হৈছে।

এই বিষয়ে এটা প্ৰশ্ন আহিছে 'আমগুৰি প্ৰকল্পটোৰ বাবে অ এন জি চি য়ে গেছ দিয়াৰ কথা কৈছিল, কিন্তু লাকুৱা এচুৱাৰেন্সৰ কাৰণে দিব পৰা নাই। আমগুৰি প্ৰকল্পটোৰ বাবে যে অ এন জি চিয়ে গেছ যোগান ধৰিব পাৰিব তাত সন্দেহ আছে। আমি এটা প্ৰস্তাব দিছিলো প্ৰথম পেট্ৰোলিয়াম মন্ত্ৰী কাম নায়ক আহোতে তেখেতে এগ্ৰি কৰিলে। বৰ্তমান সেইটো অ এন জি চিৰ পৰা নাহে। অইল ইণ্ডিয়া দুলীয়াজানে ১২০ কোটি টকা খৰছ কৰিলে সাত আঠ বছৰে।

লাকুৱা প্ৰকল্পই এক আউন্সও গেছ দিব নোৱাৰিলে। সেইকাৰণে অ এন জি চিৰ পৰা গেছ আনি কাম কৰিব বিচাৰিছো। এইটোৱে যদি হয় এডিশ্যনেল গেছৰ কাৰণে আমি লিখিছো। আমগুৰি প্ৰকল্পই গেছ নিদিয়ে নাই। আমগুৰিৰ পৰা আমি লাকুৱালৈ নিয়া আৰু যিমান পাৰো তাক পুনৰজীৱিত কৰাৰ ব্যৱস্থা কৰা হৈছে। স্থানীয় প্ৰকল্পবোৰ বন্ধ হোৱাৰ কাৰণে বাহিৰৰ পৰা ২০ শতাংশ ২৫ শতাংশ আৰু ১৫ শতাংশ কৰি আমি ল'ব লাগিব। মাননীয় সদস্য গৰাকীয়ে স্বাৱলম্বীৰ কথা উনুকিয়াইছে। আমাৰ ৰাজ্যখনত ২০০০ চনত ৬০ মেগাৱাটকৈ বেছি বিজুলি উৎপাদনৰ ক্ষমতা আছে। আৰু বিতৰণৰ ব্যৱস্থাও হৈ আছে।

অধ্যক্ষ মহোদয়, নিপকোৱে আমাৰ অসমক যিখিনি দিয়ে আমি ল'বলৈ বাধ্য। it is much cheaper ১.৭০ পইচা আমি পাওঁ। আজি আমি বঙাইগাওঁ যাওঁ যদি তাত দেখিবলৈ পাম পাৰ ইউনিট ৬ টকা লয়।

* **শ্ৰী সৰ্ব্বানন্দ সোনোৱাল ঃ** অধ্যক্ষ মহোদয়, অসমৰ জনসাধাৰণে চাৰ্ভিছ পাইছে নে নাই? মাননীয় অধ্যক্ষ মহোদয়ৰ ডঃ স্বৰণ সিং ডাঙৰীয়া ই এখন পত্ৰ দিছে Regarding deverssion of committed amount of gas supply for proposed Amguri Power Project to Lakwa Thermal Power Station of ASEB আৰু ইয়াত স্পষ্টকৈ কোৱা আছে যে ইয়াত যি কেইটা কনডিচন দিয়া আছে এই গোটেইকেইটা ক'ব নোৱাৰো। কনডিচনকেইটাত আছে। (1) ASEB will sign necessary gas supply contract with Oil India Ltd. within a period of 90 days from the date of issue of this sanction. (2) ASEB will pay the relevant transportation charges for the gas supply. (3) The commitment of Govt. for allocation of natural gas for the proposed Amguri power project stands withdrawn with the diversion of the above gas allocation to the Lakwa Thermal Power Station. আটাইতকৈ গুৰুত্বপূৰ্ণ কথা। সেইকাৰণে এই কথাবোৰৰ পৰা আমাৰ স্পষ্ট ধাৰণা হৈছে আমগুৰি প্ৰকল্পটো চিৰদিনৰ কাৰণে বন্ধ হৈ যাব। তাকে নকৰি গেছ উৎপাদনৰ ক্ষেত্ৰত কেতিয়া কেনেকৈ কাৰ্য্যক্ষম কৰিব পাৰে তাৰ কাৰণে চৰকাৰে এটা শক্তিশালী পদক্ষেত্ৰ ল'ব লাগে।

* **শ্ৰী দেৱানন্দ কোঁৱৰ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমগুৰি প্ৰকল্প হোৱা পিচত The more we have the merrier for us. হ'ব। তেওঁলোকে সকলোবিলাক চাই চিন্তি ৰি-কনচিদাৰেচন কৰিম বুলি কৈছে। তেওঁলোকে গেছ উৎপাদন কৰিব। সেইকাৰণে বিষয়টো পুনৰ উত্থাপন কৰিব খোজা নাই।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** অধ্যক্ষ মহোদয়, পইন্ট অব অডাৰ, আমি সত্য কথাটোহে জানিব বিচাৰিছো। টেণ্ডাৰ কল কৰিববৈলে দিয়া হৈছিল। ইয়াৰ কাৰণে আগষ্টত এখন মিটিং হৈছিল, জানুৱাৰীত হৈছিল আৰু মাৰ্চত হৈছিল। বহুত কষ্ট কৰাৰ পিচত অৱশেষত কেন্দ্ৰী চৰকাৰে দিলে। আমি মাননীয় মন্ত্ৰী ডাঙৰীয়াক কৈছো প্ৰকল্প কেইটাৰ দ্বাৰা গেছ উৎপাদন কৰিব পাৰিবনে নোৱাৰে? যদি নোৱাৰে নহ'ব বুলি ক'লে হয়।

* **শ্ৰী দেৱানন্দ কোঁৱৰ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমি টেণ্ডাৰ ক'ল কৰিছিলো। তেতিয়া মাত্ৰ এখনহে টেণ্ডাৰ জানুৱাৰী নে মাৰ্চত পালো। সেইমতে আমি কৰি আছো। এতিয়া তেওঁলোকে কৈছে যে গেছ দিব নোৱাৰো।

* **শ্ৰী প্ৰেমধৰ বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, লাকুৱা আৰু আমগুৰি দুটা প্ৰকল্প আছে। লাকুৱা প্ৰকল্পৰ আমাক ৬০ মেগাৱাট কাৰেন্ট দিছিলে, আমাৰ চৰকাৰে খৰছ কৰি কামটো কৰিলে। সেইটো বেক কৰাৰ কাৰণে আমাক গেছ দিয়া নাই। আমগুৰিৰ কাৰণে অইল ইণ্ডিয়াই গেছ দিছিলে। এতিয়া লাকুৱাত গেছ নোহোৱাৰ কাৰণে সাময়িকভাৱে স্থগিত ৰাখিছে।

* Speech not corrected

কাৰেন্ট বনুৱাৰ কাৰণে দিছিলে। এতিয়া সুবিধা পাই দুয়োটা চলাইছে। সেইটো অসম চৰকাৰে ৰিজেক্ট কৰিলেহে হ'ব।

* **শ্ৰী দেৱানন্দ কোঁৱৰ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, সেইটো ৰি-কনচিদাৰেচন বুলি কোৱা হৈছে।

**Mr. Speaker :** Item No. Now I call upon the Hon'ble members Sri Pabindra Deka, Sri Premadhar Bora, Sri Mishabul Islam Laskar and Sri Wazed Ali Choudhury to raise their zero Hour Motion which was published in 'Dainik Agradoot' Dt. 7-4-2002 under the caption "হস্তান্তৰৰ চুক্তি গোপন দিছপুৰ নিৰ্লিপ্ত - আৰ জি বৰুৱা অতিথিশালাত দৰমহা অবিহনে ৪৪ কৰ্মচাৰী।"

* **শ্ৰী পবিন্দ্ৰ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, "দৈনিক অগ্ৰদূত" তাং ইং ৭-৪-২০০২ আগুৱ দা কেপচন "হস্তান্তৰৰ চুক্তি গোপন দিছপুৰ নিৰ্লিপ্ত - আৰ জি বৰুৱা অতিথিশালাত দৰমহা অবিহনে ৪৪ কৰ্মচাৰী।

চাৰ, বিষয়টো অত্যন্ত মৰ্মান্তিক আৰু বেদনাদায়ক হৈছে। ইয়াত কৈছে যে ২০০০ চনৰ ৪ মে'ত পূৰ্বৰ অগপ চৰকাৰে ৰাধা গোবিন্দ বৰুৱা অতিথিশালাখন ব্যক্তিগত সংস্থালৈ হস্তান্তৰ কৰাৰ পাছত আজি পৰ্য্যন্ত চৰকাৰ অথবা কোম্পানী কোনো পক্ষৰ পৰা দৰমহা পোৱা নাই। অতিথিশালাত কাম কৰা ৪৪ জন কৰ্মচাৰীয়ে বৰ্ড অব স্পেটছৰ এই ৪৪ জন চৰকাৰী কৰ্মচাৰী জীৱনক লৈ পূৰ্বৰ অগপ চৰকাৰে হেতালি খেলাৰ পাছত শাসনাধিষ্ঠ কংগ্ৰেছ চৰকাৰেও বিগত ৯ মাহে এই ক্ষেত্ৰত চকু মুদা বুলিও ভাও ধৰিছে। ফলত দৰ্মহাহীন কৰ্মচাৰী সকলে অন্যান্য কেন্টিন, হোটেল আদিত দিন হাজিৰা কৰিও পেট প্ৰবৰ্তন কৰিব লগা হৈছে।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, তেওঁলোকে তেওঁলোকৰ দুখ দুৰ্দ্দশাৰ কথা প্ৰকাশ কৰিছে। তেওঁলোকে আজি ৯ মাহে দিন হাজিৰা কৰিছে। এই ক্ষেত্ৰত চুক্তি এখন কৰা হৈছে ঠিক আছে। এই কৰ্মচাৰী সকলক একো নিদিলেও দৰমহাটোকে দিয়ক। তেওঁলোকে তাৰে কিবা এটা কৰি খাব পাৰিম বুলি কৈছে। আজি ১৯ শ শতিকাটো এইটোৱে চলি আছে। মই মাননীয় গৌতম ৰয় ডাঙৰীয়াক ক'ব খুজিছো যে এই কৰ্মচাৰী সকলে তেখেতক বহুত বাৰ লগ কৰিছিল তেওঁলোকৰ দৰমহা আদায় দিব লাগে বুলি কৈছিল। গতিকে এই মানুহখিনিৰ কাৰণে তেখেতে কিবা এটা কৰিবলৈ মই অনুৰোধ জনালো।

* **শ্ৰী মিচবাহুল ইচলাম লস্কৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো এ, জি, পি চৰকাৰৰ দিনতে এটা চুক্তি কৰি লীজত দিয়া হৈছিল। ইয়াত কেইবা কোটি টকাৰ খেলিমেলি আছে। ৰাধাগোবিন্দ বৰুৱা অতিথিশালাটো ভাড়া দিলে মাহে ১ লাখ টকা হব। বোৰ্ডক মেক্সিমাম ৩ লাখ টকা দিব লাগিব। কিন্তু লীজত তেওঁলোকৰ কথা মেনচন কৰা নাই। এই কৰ্মচাৰী

* Speech not corrected

সকল কৰিলে যাব। তেওঁলোকক দৰমহা নিদিয়ে, তেওঁলোকে হাইকোৰ্টত কেছ কৰিছে। মই আমাৰ ডাইনামিক মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো যাতে কৰ্মচাৰী সকলক দৰমহাৰ বাবদ একেলগে কিবা এটা পইচা দি দিয়ক। কোনো মানুহে যদি লীজ লয় তাত পাৰমেনেণ্ট ষ্ট্ৰাকচাৰ এটা কৰে। এই অতিতিশালাটো এতিয়া প্ৰাইভেট প্ৰপাৰটি হৈ গ'ল।

* শ্ৰী প্ৰেমধৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আগৰে পৰা ক'ব বিচাৰি আছো, চাৰ, এই চুক্তিখন সদনত দাখিল কৰাৰ কথা আছিল। গেষ্ট হাউচটোত আমিও আছিলো। মাহে ১ হাজাৰ টকা দিব লাগে। এই চুক্তি খন এতিয়া বাতিল কৰিব লাগে । সেই চুক্তিখনৰ সাৰাংশখিনি আমাক লাগে। তাত ৩০/৩২ বছৰ ধৰি কাম কৰা কৰ্মচাৰীসকলৰ অৱস্থা কি হব। তেওঁলোকৰ এতিয়া পানীত হাহ নচৰা অৱস্থা হৈছে।

* শ্ৰী গৌতম ৰয় ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই এই কথাটো নিজে অনুভৱ কৰিছো, Now those employees above 44 who regularly reporting for duty are getting their salary regularly. 12 Nos. of employees has taken other means of employment privately. এগ্ৰিমেণ্টৰ কপি আগতে দিয়া হৈছে। তাত যিসকলে কাম কৰিছে দৰমহা পাই আছে। চাৰ মই পাৰ্চনেলী সুধিছো, তেতিয়া তেওঁলোকে কৈছে যে গৱৰ্ণমেণ্ট এমপ্লয়ী হিচাপে কাম কৰি আছে। ১দিন আহে ৩ নাহে। কাম কৰিলে টকা দিম হাইকোৰ্টত এতিয়াও তেনেকৈয়ে আছে।

* শ্ৰী প্ৰেমধৰ বৰা ঃ অধ্যক্ষ মহোদয়, এই কথাটো সহজে এৰি দিব নোৱাৰি। আমাৰ মাননীয় মন্ত্ৰীয়ে এতিয়াও চুক্তিখন পোৱা নাই। আৰ, জি, বৰুৱা অতিথিশালাটোৰ নাম ফলকখন খুলি থোৱা হৈছে।

* শ্ৰী গৌতম ৰয় (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, নামটো ডাঙৰকৈ লিখা হৈছে। মই নিজে গৈছিলো। চুক্তিখন হাউচত আগতে দিয়া হৈছে। তথাপিও আৰু এটা কপি অনাই লগে লগে দিয়াৰ ব্যৱস্থা কৰিম। এই অতিথিশালটোত ৪৪ জন কৰ্মচাৰী আছিল। যিবিলাকে কাম কৰিছে দৰমহা পাই আছে। গতিকে কাম কৰিলে টকা পাব। এই বিষয়ে আলোচনা কৰিম।

**Mr. Speaker :** Now, I call upon the the Hon'ble Member Sri Himanta Biswa Sarma to raise his Zero Hour Motion which was published in Dainik Asom dtd. 10.4.2002 under the caption "বিলাসী হোটেলৰ অনাদায় কৰৰ পৰিমাণ ১৬৩.৭৯ লাখ।"

* শ্ৰী হিমন্ত বিশ্ব শৰ্মা ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ এইবাৰ চলি থকা পবিত্ৰ সদনৰ অধিবেশনত বহুত বাৰ আলোচনা কৰা হৈছে। অধিবেশন চলি থকা অৱস্থাতে বাতৰি কাকতত বাতৰি ওলাইছে। আচলতে মই চেল টেক্সৰ বিষয়ে ক'ব বিচাৰিছিলো। কিন্তু ক'বলৈ নাপালো।

---

* Speech not corrected

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিধান সভা চলি থাকোতে বাতৰি ওলাইছে। ইয়াত সূত্ৰৰ পৰা লো বহুলি লিখিছে। বিধান কি আলোচনা কৰে এইবিলাক আলোচনা কৰে। আমাৰ ৰাইজে কয় আমাৰ বিধায়ক সকলে তাত কি কৰে, কি আলোচনা কৰে।

* **শ্ৰী হিমন্ত বিশ্ব শৰ্মা** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, বাতৰিটোত উল্লেখ কৰিছে যে ১৯৮৯-৯৯ চনৰ পৰা আদায় নোহোৱা ধনৰ পৰিমাণ ৯৬.৫৯ লাখ টকা। এয়া কেৱল হোটেল ব্ৰহ্মপুত্ৰ অশোকৰ পৰা পাব লগীয়া কৰ। ইয়াৰ ওপৰি গুৱাহাটীত বহুতো বিলাসী হোটেল যেনে, অম্বৰীশ, নন্দন, চিলাৰায় আদি হোটেল আছে। তেওঁলোকে টেক্স আদায় দিয়া নাই। আমাৰ ৰাজ্যখনৰ যি বিত্তীয় অৱস্থা হৈছে এনেদৰে কৰ অনাদায় হৈ থাকিলে ৰাজ্যখনে বহুত ৰাজহ হেৰুৱাব। এই অনাদায় হৈ থকা কৰ সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰিলে ভাল হয়। এনেকৈ অনাদায় হৈ থকা ধনৰ পৰিমাণ যথেষ্ট পৰিমাণৰ হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, এটা হৈছে টেক্স বিলাক অনাদায় হৈ আছে আৰু আনটো হৈছে বিভাগ বিলাকত দুৰ্নীতি বিষয়া ভৰি পৰিছে, কিয়নো অসমৰ শ্ৰীৰামপুৰ আৰু বক্সিৰহাটত কিছুমান চৰকাৰী বিষয়াই ফেবিকোলৰ নিচিনাকৈ লাগি আছে, তাৰ পৰা তেওঁলোকে কোনো পধ্যেই আহিব নিবিচাৰে। গতিকে এই ফেবিকোলৰ নিচিনাকৈ যিবিলাক অফিচাৰে আজি দীৰ্ঘ দিন ধৰি শ্ৰীৰামপুৰ আৰু বক্সিৰহাটত চাকৰি কৰি আছে তেওঁলোকক অতি সোনকালে আতৰাই আনিব লাগে। অধ্যক্ষ মহোদয়, প্ৰথম কথা হৈছে যিবিলাকে কৰ ফাঁকি দি আছে সেইবিলাকৰ ভিতৰত বহুতো বিলাসী হোটেল আছে। বিলাসী হোটেল বিলাকত যিখন অকুপেন্সীলিষ্ট দিয়ে সেইখন সঁচা লিষ্ট দিয়ে কিন্তু বাহিৰত যিখন চেলটেক্সৰ লিষ্ট দিয়ে সেইখন কিন্তু মিছা লিষ্ট, গতিকে থানাত গৈ এই যি দুখন সুকীয়া সুকীয়াকৈ লিষ্ট দিয়ে সেই লিষ্ট বিলাক চেলটেক্স অফিচাৰ আৰু পুলিচে একেলগে পৰীক্ষা-নিৰীক্ষা কৰিব লাগে তেতিয়া আচল কথাটো ওলাই পৰিব। তাৰোপৰি চেলটেক্সৰ লগত যিবিলাক কেৰিয়াৰ আছে, সেই কেৰিয়াৰ এজেন্ট বিলাকে কৌশলৰে টেক্স ফাঁকি দি আছে। এনট্ৰি টেক্স লগোৱাৰ পাচত এই কেৰিয়াৰ এজেন্ট বিলাকে মেঘালয়ৰ নামত বস্তু-বাহানী আমি কৌশলৰে অবাধে দুৰ্নীতি চলাই গৈ আছে। শূন্যকালত সুবিধা পাই মই এই বিষয়ে আলোচনা কৰিছো কিন্তু সময় কম হোৱাৰ কাৰণে গোটেইখিনি কথা আলোচনা কৰাটো অসুবিধা তথাপিতো পিচত সময় হ'লে এই চেলটেক্সৰ ওপৰত আলোচনা কৰাটো প্ৰয়োজন হৈ পৰিছে। বিশেষকৈ এই যিবিলাক অফিচাৰে আজি দীৰ্ঘদিন ধৰি শ্ৰীৰামপুৰ বক্সিৰহাটত কাম কৰি আছে তেওঁলোকৰ দুৰ্নীতি ওপৰত বিশেষ ভাবে চকু দিব লগীয়া হৈছে। তেওঁলোকে সুবিধা পালেই দবাই দিয়ে। অধ্যক্ষ মহোদয়, আপুনি মন কৰিলেই দেখিব এই গুৱাহাটী মহানগৰীতে জু-ৰোডত দেখা পাব সৰহ সংখ্যক এই টেক্স অফিচাৰ সকলৰ বিয়াগোম অট্টালিকা বিলাক জিলিকি আছে আমাৰ পলিটিচিয়ান

* Speech not corrected

বিলাকৰ ক'ৰবাত দুই এটা ঘৰ থাকিব পাৰে কিন্তু অফিচাৰ বিলাকৰ ঘৰে ঠাহ খাই আছে। আন এটা কথা হ'ল এই অফিচাৰ বিলাকে কেতিয়াবা তেওঁলোকক ষ্টে বা ট্ৰেন্সফাৰ কৰাৰ কাৰণে পলিটিচিয়ান সকলৰ ওচৰলৈ আহে আৰু ইয়াৰ বিনিময়ত তেওঁলোকে ১ লাখ টকা আগবঢ়ায়। কিন্তু কাম হৈ যোৱাৰ পাচত তেওঁলোকে ১ ঘন্টাৰ ভিতৰতে '১' লাখ টকা কামাই লয়। মাত্ৰ ১ লাখ টকাৰ বিনিময়ত তেওঁলোকে কিমান টকা উপাৰ্জ্জন কৰিছে সেইটো হিচাব হ'ব লাগে। সেইবুলি আমাৰ সকলো বিষয়াই যে দুৰ্নীতিৰ পৰায়ণ সেইটো নহয় আমাৰ টেক্স কমিশ্যনাৰ যি জন আছে তেওঁ দুৰ্নীতিৰ লগত জৰিত নহয়, সেইদৰে ফাইনেন্স ডিপাৰ্টমেন্টক লৈ আমি গৌৰব কৰো ফাইনেন্স কমিশ্যনাৰ, প্ৰিন্সিপাল চেক্ৰেটাৰী এই সকলৰ দুৰ্নীতিৰ লগত সম্পৰ্ক নাই কিন্তু এই সকল দুৰ্নীতি পৰায়ণ নহয় কাৰণেই তলৰ অফিচাৰ বিলাকে তেওঁলোকৰ অজ্ঞাতে সুৰুঙা উলিয়াই অবাধে দুৰ্নীতি চলাই যাব পাৰিছে। গতিকে আমি চাব লাগে এই সকলোবিলাক বাধা আঁতৰাই যি কোনো প্ৰকাৰে আমাৰ টেক্স কলেকশ্যনটো বৃদ্ধি কৰিব লাগে।

মাননীয় অধ্যক্ষ ঃ আপুনি শেষ কৰক।

* **শ্ৰী হিমন্ত বিশ্ব শৰ্মা ঃ** অধ্যক্ষ মহোদয়, এইবাৰ এই গুৰুত্বপূৰ্ণ বিষয় বিলাক আলোচনা এই সদনতে নহলেও অন্য সদনত এই অনাদায় হৈ থকা টেক্স বিলাকৰ সম্পৰ্কত বিশদ ভাবে আলোচনা কৰাৰ সুযোগ দিয়ে যেন, যাতে এই ফেবিকোলৰ নিচিনাকৈ লাগি থকা টেক্স অফিচাৰ বিলাকৰ মুখা খুলিব পাৰো।

**Mr. Speaker :** Now, Hon'ble Minister, Finance.

* **শ্ৰী দেবানন্দ কোঁৱৰ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিলাসী হোটেলৰ টেক্স অনাদায় সম্পৰ্কত মাননীয় সদস্য গৰাকীয়ে 'জিৰো-আউৱাৰচত' যি উদ্বিগ প্ৰকাশ কৰিছে সেই কথাটো অসত্য নহয় তথাপিতো এই অনাদায় হৈ থকা বহু টকা-পইচা ইতিমধ্যে আদায় কৰা হৈছে। বহু কেইটা হোটেলৰ পৰা ইতিমধ্যে

1. The Old dues of Hotel Brahmaputra Ashok has been realised this year. The Hotel paid Rs. 85 lakhs out of 96.59 lakhs during 2001-2002 through Bakijai procedure and the Hotel is paying @ Rs. 2.00 lakh per month. The Hotel is a Govt. Undertaking and is in financial difficulty, as they are to get a substantial amount from the State Govt. on account of accommodation of State Guests. etc.
2. Hotel Ambar Palace, Fancy Bazar... Rs. 2.02 lakhs. It is under stay order by Guwahati High Court.
3. Hotel Belle Beu : Rs. 28.72 lakhs. Old arrears of Rs. 26

* Speech not corrected

lakh already realised during 2002-2003. Efforts are on the realise the balance.

4. Hotel Abhinandan : .03 lakhs, the old amount has since been realised by Bakijai.
5. Hotel Prince, Beltola : Rs. 0.18 lakhs has been fully realised by Bakijai.
6. Hotel Chilari Regency : Rs. 16.84 lakhs. Attachment made by the Bakijai Officer. The Hotel is on the verge of closure.
7. Hotel Starline : Rs. 3.86 lakhs. Stayed by Sr. Division Civil Court. Other amounts are being realised through Bakijai proceedings.

এনেধৰণে অনাদায় হৈ থকা টকা-পইচা বিলাক ৰিয়েলাইজ কৰা হৈছে, ৰিয়েলাইজ নকৰা যি খিনি আছে সেই খিনি বাকী যাইৰ জৰিয়তে ৰিয়েলাইজ কৰাৰ কাৰণে চেষ্টা চলাই থকা হৈছে। সদ্য হতে বিষয়টোৰ ওপৰত মই এইখিনি কথা জনালো।

* **শ্ৰী নীলমণি সেন ডেকা :** মাননীয় অধ্যক্ষ মহোদয়, এই চেল টেক্সৰ সম্পৰ্কত মই ক'ব বিচাৰিছো, বহু সময়ত দেখা যায় টেক্সৰ যিবিলাক কাগজ-পত্ৰ সেইবিলাক কোৰ্টলৈ সময় মতে নাহে ফলত সেই কেচ বিলাক ডিপোজ নোহোৱাকৈ পৰি থাকে, দীৰ্ঘদিন ধৰি এই কেচবিলাক মীমাংসা নোহোৱাকৈ পৰি থাকে, গতিকে টেক্সৰ সম্পৰ্কত যিবিলাক কাগজ-পত্ৰ সেইবিলাক সময় মতে বাকী যাই কোৰ্টলৈ পঠাব লাগে।

* **ডাঃ হৰেণ দাস :** মাননীয় অধ্যক্ষ মহোদয়, আপুনি চাব যিবিলাক ট্ৰেন্সফাৰ পোষ্টিংৰ কেচ থাকে সেইবিলাক কেচৰ কাগজ-পত্ৰ নিয়মীয়াকৈ কোৰ্টলৈ আহে কিয়নো তেওঁলোকৰ নিজা নিজা ইন্টাৰেষ্ট তাত নিহিত হৈ থাকে কিন্তু টেক্সৰ কাগজ-পত্ৰ বিলাক বহুদিন ধৰি নহাকৈ থাকে ফলত সেইকেচ বিলাক ডিচপোজ নোহোৱাকৈ দীৰ্ঘদিন ধৰি পৰি থাকে। গতিকে এই সম্পৰ্কত চৰকাৰৰ ফালৰ পৰা বিহিত ব্যৱস্থা ল'ব লাগে।

* **শ্ৰী দেৱানন্দ কোঁৱৰ (মন্ত্ৰী) :** অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে কোৱা কথাটো হয়। তেনে কিছু কথা আছে, আমাৰ কাকত-পত্ৰ বিলাক কোৰ্টত সময়মতে দিয়া নাযায়। কোৰ্টত আমাৰ বিভাগৰ টেক্সৰ এস্কপাৰ্ট কম। তথাপি মাননীয় সদস্যজনে কোৱাৰ দৰে আমি ব্যৱস্থা গ্ৰহণ কৰিবলৈ যত্ন কৰিম।

## POINT OF ORDER

* **শ্ৰী নীলমণি সেন ডেকা :** মাননীয় অধ্যক্ষ মহোদয়, মই আজি সদনত এটা অতি মৰ্ম্মান্তিক বিষয় উত্থাপন কৰিব খুজিছো। এই বিষয়টো মোৰ কাৰণেই নহয় গোটেই সদনৰ সদস্য সকলৰ বাবেও বেদনাদায়ক। আমাৰেই এজন বিধায়ক শ্ৰী চন্দন কুমাৰ সৰকাৰৰ ল'ৰা

* Speech not corrected

শ্ৰী প্ৰদীপ সৰকাৰক উগ্ৰপন্থী সংগঠনে অপহৰণ কৰি লৈ গৈছে আৰু এতিয়ালৈকে উদ্ধাৰ কৰিব পৰা হোৱা নাই। এই বিষয়ত আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সদনত এটা বিবৃতি দিছিল, চৰকাৰৰ ফালৰ পৰা পশ্চিমবংগ চৰকাৰৰ লগত যোগাযোগ কৰি ব্যৱস্থা লোৱা বুলি কিন্তু এতিয়ালৈকে ল'ৰা জনক উদ্ধাৰ কৰিব পৰা নাই। আমি বাতৰি কাকতত পাইছো পশ্চিমবংগ চৰকাৰে যেনে ধৰণেৰে তদন্ত কৰিব লাগিছিল তেনে ধৰণে তদন্ত কৰা নাই। আজি এই পবিত্ৰ সদনত মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, আমাৰ চৰকাৰৰ দ্বাৰা কেনে ব্যৱস্থা লোৱা হৈছে, পশ্চিম বংগ চৰকাৰৰ লগত কেনে ধৰণে যোগা যোগ কৰিছে, আৰু ল'ৰাটোক উদ্ধাৰৰ বাবে কি ব্যৱস্থা লৈছে। যদি পশ্চিমবংগ চৰকাৰৰ তৰফৰ পৰা যথোপযুক্ত ব্যৱস্থা লোৱা হোৱা নাই তেন্তে, চৰকাৰৰ ফালৰ পৰা, আমাৰ সদনৰ ফালৰ পৰা কেন্দ্ৰীয় চৰকাৰক আবেদন কৰো, এই ল'ৰাটিক উদ্ধাৰৰ তদন্ত চিবিআইৰ হাতত দিয়াৰ ব্যৱস্থা কৰক। আৰু আমাৰ সদনৰ ফালৰ পৰা অপহৰণকাৰী সকলক আবেদন জনাব লাগে যাতে, ল'ৰাটিক পৰিয়ালৰ লোকৰ ওচৰত সুস্থ শৰীৰে ঘূৰাই পঠাই। আজি সদনত এই বিষয়ত এটা ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

* **শ্ৰী পবিন্দ্ৰ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী ডেকাই আজি সদনত এটা অতি মৰ্ম্মান্তিক বিষয় উত্থাপন কৰিছে আৰু এই বিষয়টোৰ ওপৰত আমাৰ চৰকাৰৰ ফালৰ পৰা কি কি ব্যৱস্থা লৈছে সদনক অৱগত কৰিলে ভাল হয়। এই বিষয়ত মই শ্ৰী নীলমণি সেন ডেকাৰ লগত সহমত আৰু সহ মৰ্ম্মবেদনাৰে মই তেওঁক সমৰ্থন দিছো।

* **ডঃ জয়নাথ শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ত আচল তথ্য জানিবলৈ হ'লে আমাৰ ৰাজ্যিক গৃহ মন্ত্ৰী পশ্চিম বংগলৈ পঠাব লাগে। তেখেতে পশ্চিমবংগ চৰকাৰৰ গৃহমন্ত্ৰীৰ লগত আলোচনা-বিলোচনা কৰি ল'ৰাজনক উদ্ধাৰৰ বাবে কি কি ব্যৱস্থা লৈছে ভালদৰে জানিব পাৰিব। আমাৰ ল'ৰা এজন অপহৰণ কৰি নি ওচৰৰ ৰাজ্য এখনত লুকুৱাই ৰাখিছে। তেওঁলোকে নিশ্চয় জানে, ফোনতো নিশ্চয় যোগাযোগ চলি আছে। গতিকে মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো, আমাৰ ৰাজ্যিক গৃহমন্ত্ৰীক পশ্চিমবংগলৈ পঠাই দিয়ক। তেখেত লাগিলে তাত ৮/১০ দিন থাকক, আৰু সকলো খবৰ নিজে লৈ আহক।

* **শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে উত্থাপন কৰা বিষয়টো সঁচাকৈয়ে মৰ্ম্মান্তিক, আৰু আমি সকলোৱে এই বিষয়টো উদ্বিগ্ন হৈ আছো। ল'ৰাটি উদ্ধাৰৰ বাবে আমাৰ ফালৰ পৰা যিমানখিনি পাৰি চেষ্টা চলাই থকা হৈছে। পশ্চিম বংগৰ মুখ্যমন্ত্ৰী আৰু গৃহ মন্ত্ৰীৰ লগত যোগাযোগ চলাই থকা হৈছে। বিষয়া পৰ্য্যায়তো বিশেষ শাখা অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধানে দৈনিক যোগাযোগ কৰি আছে। চন্দন সৰকাৰকো যোগাযোগ কৰি আছো। ল'ৰাটি জীৱিত আছে বুলি আমি খবৰ পাইছো। আমি যিমান পাৰি সোনকালে ল'ৰাটি ঘুৰাই অনাৰ বাবে চেষ্টা চলাই আছো। চন্দন

* Speech not corrected

সৰকাৰেও নিজাকৈ চেষ্টা চলাই আছে। আজি আমাৰ মাননীয় সদস্য জয়নাথ শৰ্মাই যিটো প্ৰস্তাৱ দাঙি ধৰিছে, সেই মতে আমাৰ ৰাজ্যিক গৃহ মন্ত্ৰী পশ্চিম বংগলৈ যাব আমাৰ চন্দন সৰকাৰো যাব আৰু গোটেই বিষয়টো সোনকালে অন্ত পেলোৱাৰ বাবে চেষ্টা চলাব।

মাননীয় অধ্যক্ষ ঃ মাননীয় বিধায়ক শ্ৰী চন্দন সৰকাৰৰ পুত্ৰ শ্ৰী প্ৰদীপ সৰকাৰ বৰ্তমানেও সন্ধানহীন হৈ আছে। অসম আৰক্ষী বিভাগ, সংশ্লিষ্ট চোৰাংচোৱা সংস্থা আৰু পশ্চিম বঙ্গৰ আৰক্ষী বিভাগে অপহৃত প্ৰদীপৰ উদ্ধাৰৰ বাবে সকলো প্ৰকাৰৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে যদিও এই পৰ্যন্ত ল'ৰাটিৰ উদ্ধাৰ সম্ভৱ হোৱা নাই। ইতিমধ্যে বিষয়টো যোৱা ৭ মাৰ্চ তাৰিখে সদনত আলোচনা কৰি ল'ৰাটিৰ উদ্ধাৰৰ বাবে চৰকাৰে লোৱা ব্যৱস্থাৱলীৰ বিষয়ে সদনক অৱগত কৰি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এটা বিবৃতি ও দিছিল।

শ্ৰী প্ৰদীপ সৰকাৰ অদ্যপৰিমিত সন্ধানহীন হৈ থকাত আজিৰ সদনে পুনৰ গভীৰ উদ্বেগ প্ৰকাশ কৰে। ল'ৰাটিৰ উদ্ধাৰৰ বাবে পশ্চিম বঙ্গৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ জৰিয়তে পশ্চিম বঙ্গ চৰকাৰৰ আৰক্ষী বিভাগক অধিক কাৰ্য্যক্ষম আৰু তৎপৰ ব্যৱস্থা ল'বলৈ সদনে সৰ্বসন্মতিক্ৰমে আহ্বান জনায়। লগতে যি সকল লোক বাব সংগঠন এই বাতুলৰ অপহৰণৰ সৈতে জড়িত সেই সকলৰ প্ৰতিও মানৱীয়তাৰ খাতিৰত শ্ৰী প্ৰদীপ সৰকাৰক শীঘ্ৰে মুক্তি দিবলৈ সদনে গোহাৰি জনায়।

* শ্ৰী ৰিপুন বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰস্তাৱটোৰ ওপৰৰ কথাখিনি মোৰ বোধেৰে বাতৰি কাকতত দিব নালাগে। তলৰ কথাখিনি দিব পাৰি।

মাননীয় অধ্যক্ষ ঃ এইটো আমি চৰকাৰকহে দিম।

* শ্ৰী পানীৰাম ৰাভা ঃ অধ্যক্ষ মহোদয়, প্ৰস্তাৱটো সন্ধানহীন শব্দটো দিলে নিজে নিজে হেৰোৱা বুজাব। গতিকে অপহৃত শব্দটো দিব লাগিব।

* ডঃ হৰেন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি সদনত গুপ্ত হত্যাৰ ওপৰত এটা ৰুলিং দিছিলে। কালি মই সদনত সেই সময়ত নাছিলো। বিষয়টো চাব-জুদিছ্ হৈ থকা নাই। গতিকে সদনত আলোচনা কৰিব পাৰে।

মাননীয় অধ্যক্ষ ঃ সদনত এবাৰ ৰুলিং দিয়াৰ পিচত সেইবিষয়টো আৰু আলোচনা কৰিব নালাগে।

যোৱা কালি আমাৰ ৰাজ্যিক গৃহমন্ত্ৰী শ্ৰী প্ৰদুৎ বৰদলৈয়ে এটা বিবৃত্তি দিম বুলি কৈছিলে সেই বিবৃত্তিটো দিবলৈ মই শ্ৰী বৰদলৈক অনুৰোধ জনালো।

* শ্ৰী চন্দন সৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, আজিৰ সদনত মাননীয় সদস্যসকলে মোৰ পুত্ৰৰ অপহৰণৰ সংক্ৰান্তত যিখিনি দুখ প্ৰকাশ কৰিলে আৰু মোৰ ল'ৰাক উদ্ধাৰৰ বাবে যিখিনি চেষ্টা চলাইছে তাৰ বাবে মই সকলোকে ধন্যবাদ জনাইছো।

* Speech not corrected

## STATEMENT BY MINISTER

* শ্ৰী প্ৰদ্যুৎ বৰদলৈ (বাজ্যিক মন্ত্ৰী) ঃ যোৱা ৯ এপ্ৰিল তাৰিখে অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত "প্ৰতিদিনৰ সংবাদিকৰ ঘৰত সেনাৰ উদ্ভাণ্ডালি" শীৰ্ষক বাতৰিৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছে।

এই সম্পৰ্কত আমাৰ হাতত পৰা তথ্যৰ ওপৰত ভিত্তি কৰি মাননীয় সদনৰ জ্ঞাতাৰ্থে এটা বিবৃতি ডাঙি ধৰিব খুজিছো।

যোৱা ৭ মাৰ্চ তাৰিখে মাজ নিশা 18 Sikh Regiment ৰ কমলপুৰত থকা ছাউনিৰ পৰা সেনাৰ এটা দলে হাজো আৰক্ষী থানাত কয় আৰু জনাই যে, হাজো আৰক্ষী থানাৰ অধীনৰ 'বগ্‌তা' আৰু 'বৰুৱা বামুনবাৰী' গাঁৱত তালাচী চলাব বিচাৰে। সেনাৰ অনুৰোধমৰ্মে এই তালাচী অভিযানত সহায় কৰাৰ বাবে আৰক্ষীৰ সহকাৰী উপ পৰিদৰ্শক শ্ৰী সুৰেণ চন্দ্ৰ দাস আৰু বিভাগৰ কনিষ্টবল শ্ৰী বিপুল কলিতাক পঠোৱা হয়।

সেনাৰ দলটোৱে দুটা ভাগত বিভক্ত হয়। এটা দলে 'বগ্‌তা'ৰ ফালে আৰু আনটো দল 'বৰুৱাবামুনবাৰী' গাঁৱৰ পিনে তালাচীৰ বাবে যায়। 'কড়াৰ ফালে যোৱা সেনা দলটোৰ লগত সহকাৰী উপপৰিদৰ্শক শ্ৰী সুৰেণ চন্দ্ৰ দাস যায়। প্ৰায় নিশা চাৰে বাৰ বজাত উক্ত সেনাৰ দলটো 'বগ্‌তা' গাঁৱৰ শ্ৰী খগেন কলিতাৰ ঘৰত উপস্থিত হয় আৰু শ্ৰী কলিতাৰ দেউতাক শ্ৰী ভদোৰাম কলিতা আৰু ভায়েক শ্ৰী সোনেশ্বৰ কলিতাৰ লগত কথাবতৰা হয়। এই সেনাৰ দলটোৰ সৈতে যোৱা আৰক্ষী সহকাৰী উপ পৰিদৰ্শক শ্ৰী সুৰেণ চন্দ্ৰ দাসে জনোৱামতে সেনাৰ কোনো লোকেই শ্ৰী খগেন কলিতৰ ঘৰৰ কোনো লোককেই দুৰ্ব্যৱহাৰ কৰা নাছিল। সেনাৰ দলটোৱে শ্ৰী খগেন কলিতাৰ সম্পৰ্কত সোধপোছ কৰিছিল আৰু তেওঁৰ টেলিফোন নম্বৰ আদি টুকি লৈছিল। যিহেতু সেনাৰ হাতত শ্ৰী খগেন কলিতা আৰু নিষিদ্ধ সংগঠন আলফাৰ কিছু সম্পৰ্ক থকাৰ তথ্য সেনাৰ হাতত পৰিছিল। সেনাৰ দলটো ৰাতি প্ৰায় ২-৪৫ বজাত শ্ৰী খগেন কলিতাৰ ঘৰ এৰি আহিছিল।

৮ মাৰ্চ পুৱা প্ৰায় ১ বাজি ১৫ মিনিটমানত কামৰূপ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক শ্ৰী অৰ্নৱ ডেকা আৰু হাজো থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ সৈতে শ্ৰী খগেন কলিতাৰ ঘৰত উপস্থিত হয় আৰু সেনাৰ তথ্যৰ ওপৰত ভিত্তি কৰি পৰৱৰ্তী ব্যৱস্থা হাতত লয়। শ্ৰী খগেন কলিতাৰ পিতৃ শ্ৰী বুদুৰাম কলিতা আৰু তেওঁৰ ভাতৃ শ্ৰীসোনেশ্বৰ কলিতাই কামৰূপৰ অতিৰিক্ত আৰক্ষী অধীক্ষকক জনোৱামতে সেনাৰ দলে আলফা সম্বন্ধীয় কেতবোৰ নথিপত্ৰ পোৱাৰ উদ্দেশ্যেই তালাচী চলাইছিল। সেনাৰ দলে শ্ৰীখগেন কলিতাৰ

* Speech not corrected

সম্পৰ্কে সোধ-পোছ কলিছিল আৰু শ্ৰী খগেন কলিতা গুৱাহাটীত থকাৰ কথাটো তেওঁৰ পিতৃয়ে সেনাক জনাইছিল। সেনায়ো তেওঁৰ ফোন নম্বৰ আদি টুকি লৈছিল। শ্ৰী খগেন কলিতাৰ ঘৰৰ লোকে কামৰূপৰ অতিৰিক্ত আৰক্ষী অধীক্ষকক জনাইছিল যে, সেনাৰ লোকে তেওঁলোকৰ ঘৰৰ কাকো দুৰ্ব্যৱহাৰ কৰা নাছিল আৰু ঘৰৰ কোনো বস্তু-বেহানি ভঙা নাছিল। সেনাৰ তালাচী কাৰ্য্য চলি থকাৰ সময় 'বগ্তা' গাঁৱৰ বাসিন্দা শ্ৰী বীৰেণ চন্দ্ৰ পাটোৱাৰী (পিতা হোমেন পাটোৱাৰী) তাত উপস্থিত আছিল। এই সম্পৰ্কত হাজো থানাৰ GDEনং (i) 190 dtd 7-4-02 at 22 hrs (ii) 194 dtd 7-4-02 at 22-40 (iii) 199 dtd 8-4-02 at 0100 hrs. এন্ট্ৰি উল্লেখযোগ্য।

সমগ্ৰ ঘটনাটোৰ সন্দৰ্ভত মাননীয় সদনক জনাব খোজো যে বাতৰিত প্ৰকাশ পোৱাৰ দৰে কোনো ঘটনা ঘটা নাছিল। লগতে মই মাননীয় সদনক আশ্বাস দিব খোজো যে, সেনা বা আৰক্ষীয়ে কোনো নাগৰিকক যাতে অযথা হাৰাশাস্তি কৰিব নোৱাৰে তাৰ বাবে যথোচিত নিৰ্দেশ দিয়া হৈছে। কোনো নাগৰিকক হাৰাশাস্তি বা দুৰ্ব্যৱহাৰ ঘটনা দৃষ্টিগোচৰ কৰিলে চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব।

মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৮ এপ্ৰিল ২০০২ চনৰ গধূলী ৮.১৫ বজাত ষ্টেডিয়াম ওভাৰ ব্ৰীজৰ তলত থকা চি,আৰ,পি,এফ কেম্পটোত কোনোবা অচিনাক্ত দুৰ্বৃত্তই দুটা হাত বোমা দলিয়াইছিল। ইয়াৰ ফলত দুজন চি,আৰ,পি এফ জোৱান, শ্ৰী চুভাচ পাটিল, এ,এল পাটিল সাধাৰণ ভাৱে আঘাট প্ৰাপ্ত হয়। তেওঁলোকক জি, এম, চি হস্পিতালত ট্ৰিটমেন্টৰ কাৰণে নিয়া হয় আৰু ট্ৰিটমেন্ট কৰাৰ পাচত হস্পিতালৰ পৰা মুক্তি দিয়া হয় যি সকল দুৰ্বৃত্তই আন্ধাৰৰ সুযোগ লৈ অভাৰ ব্ৰীজৰ তলত এই দুৰ্ঘটনাটো কৰিলে তেওঁলোকক ফলো কৰা হৈছিল। সেই ঠাইৰ পৰা কিছু বিস্ফোৰক সামগ্ৰী উদ্ধাৰ কৰা হৈছিল। অনুসন্ধান কালত পুলিছে হেডাইটপুৰৰ পৰা এখন এবানডেন্ট অটোৰিক্সা জব্দ কৰে। আৰু উক্ত বিস্কাৰ পৰা হেন্ড গ্ৰেনাইডৰ চেপ্তিপিন উদ্ধাৰ কৰা হৈছে। এই ঘটনা সংক্ৰান্তত লতাশিল থানাত এই সংক্ৰান্তত দুটা কেচ ৰেজিটাৰ কৰা হৈছে। আৰু আৰক্ষীয়ে জোৰ তদন্ত চলাই আছে। এই সংক্ৰান্তত ইতিমধ্যে কেইজনমানক গ্ৰেপ্তাৰ কৰা হৈছে।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া** ঃ অধ্যক্ষ মহোদয়, বোমা বিস্ফোৰণ আৰু কাঞ্চনজংঘা ৰেলত হোৱা বিস্ফোৰণৰ সংক্ৰান্তত মুখ্যমন্ত্ৰীয়ে সদনত এটা বিবৃতি দিয়াৰ কথা আছিল। আপুনি ৰুলিং ও দিছিল। কিন্তু তেনে বিবৃতি নাহিল দেখোন।

* **শ্ৰী প্ৰদ্যুৎ বৰদলৈ (বাজ্যিক মন্ত্ৰী)** ঃ তথ্য পাতি সদনত দাখিল কৰিম।

## CALL ATTENTION NOTICE

**Mr. Speaker :** Now, item No. 2 Hon'ble Member, Shri Pabindra Deka to call the attention of the Minister, Industries under Rule 54 of the Rules of procedure and conduct of Business in Assam

Legislative Assembly.

* শ্ৰী পবিন্দ্ৰ ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰীয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাবলীৰ ৫৪ নিয়মৰ অধীনত ২৪/১২/২০০১ তাৰিখৰ দৈনিক অসম কাকতৰ প্ৰকাশিত "বাহিৰৰ উদ্যোগীৰ কুট কৌশলত বিতাৰিত থলুৱা উদ্যোগী" - কৰ ৰেহাইৰ সুযোগ ল'বলৈ বহুত উদ্যোগীৰ হেতা ওপৰা" শীৰ্ষক বাতৰিটো সদনত উত্থাপন কৰিব বিচাৰিছো।

অধ্যক্ষ মহোদয়, আমি সকলোৱে পৰা দেখিছো আৰু জানি আহিছো যে অসম ইণ্ডাষ্ট্ৰীয়েলী বেক ওৱাৰ্ড। অসমত ঔদ্যোগীকৰণৰ যিমান সুবিধা আছে ভাৰত বৰ্ষৰ আন কোনো ৰাজ্যত তেনে সুবিধা নাই। অসমত চাহ উদ্যোগ, প্লাইউড উদ্যোগ, অসমৰ তেল, অসমৰ কয়লা ইত্যাদিৰ ওপৰত যিমান উদ্যোগ গঢ়িব পাৰি ভাৰত বৰ্ষত আন ৰাজ্যত তেনে সুবিধা নাই। তথাপিও কিন্তু আসম ইণ্ডাষ্ট্ৰেয়েলী বেক ওৱাৰ্ড। এই বেকওৱাৰ্ড নেচৰ প্ৰতি লক্ষ্য ৰাখিও বাহিৰৰ উদ্যোগ পতি অসমলৈ অহাত বেয়া নাপাও। কিন্তু থলুৱা যুৱক যুৱতি যাতে বাধা গ্ৰস্ত নহয় তালৈ লক্ষ্য ৰাখিব লাগে। ভাৰতবৰ্ষৰ অৰ্থনৈতিক দিশ চোচিয়েল ফৰ্ম অৱ হুকোনোমি আৰু কেপিটেল ফৰ্ম অৱ ইকোনোমি দুইটাৰে সংমিশ্ৰন আছে। এই মুক্ত অৰ্থনীতি আগত ৰাখিয়েই ডাঙৰ ডাঙৰ উদ্যোগপতি সকলে উদ্যোগৰ কাৰণে এই পিনে ধাপলি মেলিছে। আমি বাধা দিয়াৰ ইচ্ছা নাই। কিন্তু অৰ্থনীতি টনকীয়ালৰ নামত, উদ্যোগীকৰণৰ নামত বৃহত্তৰ উদ্যোগিক সকলে ক্ষুদ্ৰ উদ্যোগ যিসকলে গঢ়িব বিচাৰিছে সেই সকলক বিতাৰিত কৰিলে বৰ দুখৰ কথা হ'ব। আমাৰ প্ৰধান মন্ত্ৰী বাজপেয়ী ডাঙৰীয়াই উত্তৰ পূৰ্ব্বাঞ্চলত উদ্যোগ স্থাপন কৰিবলৈ অহা লোকক সকলক সাময়িক ৰেহাই দিয়াৰ ফলত বৃহৎ উদ্যোগপতি সকল অসমত উদ্যোগ গঢ়িবলৈ আগবাঢ়ি আহিছে। ইয়াৰ ফলত তেওঁলোকেই আমাৰ ক্ষুদ্ৰ উদ্যোগী সকলক বিতাৰিত কৰিবলৈ চেষ্টা কৰিছে। এই উদ্যোগ পতি সকলে কলিকতা মুম্বাই, মাদ্ৰাজ আদি ঠাইৰ পৰা সামগ্ৰী সমূহ ক্ৰয় কৰি আনে আৰু সেই বিলাক অসমত উৎপাদন হোৱা বুলি দেখুৱাই। যাৰ ফলত কৰ খিনি সেই ৰাজ্যলৈ গুছি যায়। আপোনালোকৰ নিশ্চয় মনত আছে ইণ্ডিয়ান টবেকো কোম্পানীয়ে অসমৰ পৰা ৬ হাজাৰ কোটি টকা আবকাৰী শুল্কৰ ৰেহাই লৈ আমাক লুণ্ঠন কৰি গ'ল চিগাৰেট কোম্পেনী সকলে আৱকাৰী শুল্ক কৰ ৰেহাই লোৱাৰ ওপৰিও এতিয়া হেনো পান মচলা আদি উৎপাদনকাৰী উদ্যোগপতি সকলে আহি বামুনি মৈদামত থকা আমাৰ চেদ বিলাকত ভিৰ কৰিছে। আৰু এই চেদ বিলাকোতো অত্যাধিক হাৰত ভাড়া দিব বিচাৰিছে যাতে থলুৱা যুৱক সকলে তাত হাত দিব নোৱাৰে। এই কোম্পেনী বিলাকৰ বহুতেই কৰ ফাঁকি দি ইতিমধ্যে গুছি গৈছে। অথচ সৰু সৰু উদ্যোগী চাবন আৰু অন্যান্য সৰু সুৱা বস্তু তৈয়াৰ কৰা লোক সকলে এওঁলোকৰ লগত

* Speech not corrected

ফেৰ মাৰিব নোৱাৰি। চেদৰ পৰা ওলাই আহিব লগা হৈছে। বাহিৰৰ উদ্যোগ অহাত আমি বেয়া পোৱা নাই। কিন্তু অসমৰ উদ্যোগীকৰণৰ ক্ষেত্ৰত ১৯৬৩ চনত চাগলাৰে এটা গুৰুত্বপূৰ্ণ কথা কৈছিল। তেওঁ কৈছিল যে উত্তৰপূৰ্বাঞ্চলত যাতায়ত ব্যৱস্থা খুব বেয়া, বিদেশী ৰাষ্ট্ৰই ঘেৰী আছে। এই অঞ্চলটো ভৱিষ্যতে থাকিব নে নাই কোনে জানে সেয়ে উদ্যোগপতি সকলে ইয়াত আহিবলৈ ভয় কৰে। এই উদ্যোগপতি সকলে ইয়াত উদ্যোগ স্থাপন কৰিলেও ইয়াৰ সামগ্ৰীৰে উৎপাদন নকৰে। কলিকতা, মুম্বাই আদিৰ পৰা সামগ্ৰী আনি ইয়াত উৎপাদন কৰে আৰু লেবেল লগাই এনেকৈ বৃহত্তৰ উদ্যোগপতি সকলে কৰ ফাঁকি দি আছে। অকল চিগাৰেট কোম্পানীয়ে ৬ হাজাৰ কোটি টকা কৰ ফাঁকি দিছে। উদ্যোগীকৰণৰ নামত উদ্যোগ নীতিৰ নামত বৃহত উদ্যোগপতি সকলে আমাৰ যি সকল নিবনুৱা যুৱক যুৱতি আছে যি সকলে ক্ষুদ্ৰ উদ্যোগ বঢ়িবলৈ আগবাঢ়ি আহিছে তেওঁলোকক যাতে বঞ্চিত কৰা নহয় এই বিষয়ে চৰকাৰৰ এটা স্পষ্ট ব্যাখ্যা বিচাৰি এই কথাখিনি সদনত উত্থাপন কৰিলো।

* শ্ৰী প্ৰদ্যুৎ বৰদলৈ (বাণিজ্যিক মন্ত্ৰী) ঃ গুৱাহাটী বামুনীমৈদাম উদ্যোগ পাম অসম উদ্যোগিক আন্তঃগাথনি উন্নয়ন নিগমৰ দ্বাৰা পৰিচালিত আৰু কেন্দ্ৰীয় আবকাৰী শুল্ক ৰেহাই ঘোষণা পাত্ৰৰ এলেকাধীন। উত্তৰ পূৱ উদ্যোগনীতি ঘোষণাৰ পাছত আৰু চিগাৰেট তথা ধপাত জাতীয় সামগ্ৰীৰ ওপৰত আবকাৰী শুল্ক ৰেহাই ঘোষণাৰ পৰিপ্ৰেক্ষিতত অসমৰ বাহিৰৰ কেইবাটাও চিগাৰেট প্ৰস্তুতকাৰী কোম্পানীয়ে চিগাৰেট আৰু ধপাত জাতীয় সামগ্ৰী উৎপাদনৰ বাবে অসমলৈ অহাটো সঁচা। কেইবাটাও থলুৱা উদ্যোগ প্ৰতিস্থানেও বৃহৎ ধপাত জাতীয় সামগ্ৰী প্ৰস্তুতকাৰী প্ৰতিস্থানৰ সহযোগত এই ব্যৱসায় কৰিবলৈ আগবাঢ়ি আছে।

বামুনীমৈদাম উদ্যোগ পামত চলি থকা বা বন্ধ মুঠ ৭৩ টা উদ্যোগ গোটৰ ১৮ টা উদ্যোগ গোটে চিগাৰেট বা ধপাত উদ্যোগৰ ওপৰত থকা আবকাৰী শুল্ক ৰেহাই আৰু এনে উদ্যোগত হ'ব পৰা সম্ভাব্য লাভৰ প্ৰতি লক্ষ্য ৰাখি যেনে-তেনে চলি থকা তেওঁলোকৰ উদ্যোগ বা সম্পূৰ্ণভাৱে বন্ধ হৈ থকা তেওঁলোকৰ উদ্যোগৰ 'শ্বেড' (shed)ত তেওঁলোকৰ নামত আবন্টিত মুকলি স্থান আংশিক ভাৱে বা সম্পূৰ্ণৰূপে হস্তান্তৰ কৰি এনেধৰণৰ উদ্যোগ স্থাপন কৰাত সহায় কৰিছে। (শ্বেড হস্তান্তৰ কৰা তালিকা Annexure-Aত গাঠি দিয়া হৈছে)। এনে হস্তান্তৰৰ প্ৰক্ৰিয়া পূৰ্বৰ আবন্টিত 'শ্বেড'ৰ মালিক সকলৰ সন্মতি সাপেক্ষেহে আৰু তেওঁলোকৰ পৰা পোৱা আবেদনৰ ভিত্তিত AIIDC য়ে অনুমোদন দিছে। লাখ লাখ টকাৰ লেনদেনৰ শ্বেড হস্তান্তৰ কৰা আৰু অসমীয়া উদ্যোগীক উৎখাত কৰি বাহিৰৰ কোম্পেনীৰ নামত আবন্টন দিয়া কথাটো উদ্যোগ বিভাগৰ জ্ঞাত নহয়।

* Speech not corrected

কেন্দ্রীয় চৰকাৰে চিগাৰেট আৰু পান মচলা জাতীয় উদ্যোগৰ ওপৰত আৱকাৰী শুল্ক ৰেহাই প্ৰত্যাহাৰ কৰাত বামুনীমৈদাম উদ্যোগ পামত অৱস্থিত জয় ৰিয়েল প্ৰডাক্টচ প্ৰাইভেট লিমিটেড নামৰ একমাত্ৰ চিগাৰেট প্ৰস্তুতকাৰী গোটটোৱে উৎপাদন বন্ধ কৰি দিয়ে। বামুনীমৈদাম উদ্যোগ পামত বৰ্তমান পান মচলা গুট্‌কা প্ৰস্তুত কৰা এটা উদ্যোগ চলি আছে আৰু পান মচলা প্ৰস্তুতকাৰী অন্য এটা প্ৰতিস্থানে আৱদ্ধ কৰি ৰখা দুটা শ্বেডৰ আৱন্টন নাকচ কৰিবৰ বাবে জাননী জাৰী কৰা হৈছে কাৰণ তেওঁলোকে উৎপাদন কাৰ্য্য এই শ্বেড্ দুটাত কৰা নাই।

Cosmetics প্ৰস্তুতকাৰী উদ্যোগ এই উদ্যোগ পামত চলি আছে আৰু ইয়াত কোনো চাবোন বনোৱা উদ্যোগ গোট নাই কিছুমান কোম্পেনীয়ে মুম্বাই, দিল্লী, কলকতাৰ সামগ্ৰী উৎপাদিত হোৱা বুলি কোটি টকাৰ কৰ ফাঁকি দিয়া বুলি প্ৰকাশিত বাতৰিৰ সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰৰ আৱকাৰী বিভাগে পৰীক্ষা কৰি ব্যৱস্থা লয়।

জি.পি. এফৰ নামত ২০ টকাকৈ গুন্দাকৰ শ্ৰমিক ঠিকাদাৰে শ্ৰমিকৰ পৰা সংগ্ৰহ কৰা আৰু স্থানীয় এটা সংঘই শ্ৰমিকৰ পৰা গুন্দাকৰ সংগ্ৰহ কৰা সম্বন্ধে চৰকাৰ জ্ঞাত নহয়।

প্ৰসঙ্গত উল্লেখ কৰিব পাৰি যে ক্ষুদ্ৰ উদ্যোগ প্ৰতিস্থা কৰিবৰ বাবে নিৰ্মিত এই উদ্যোগ পামত অন্য উদ্যোগ স্থাপন কৰিবলৈ দিওঁতে AIIDC ৰ আইনৰ সংশ্লিষ্ট ধাৰা অনুযায়ী এককালীন Transfer Premium তেনেবোৰ উদ্যোগৰ পৰা লোৱা হৈছে আৰু হস্তান্তৰৰ অনুমতি দিয়া হৈছে।

* **শ্ৰী পবিন্দ্ৰ ডেকা ঃ** বাহিৰৰ উদ্যোগপতি সকলক অহা কাৰণে বেয়া পোৱা নাই। কিন্তু এই উদ্যোগ বিলাকত যিবিলাক চাকৰি ওলাই সেই বিলাকত থলুৱা লোক সকলক বঞ্চিত কৰে। বাহিৰৰ লোক আনি নিয়োগ কৰে। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যাতে সেই উদ্যোগ বিলাকত শতকৰা ১০০ ভাগেই আমাৰ মানুহক চাকৰি দিয়ে তাৰ ব্যৱস্থা কৰিব।

* **শ্ৰী প্ৰদ্যুৎ বৰদলৈ (বাজ্যিক মন্ত্ৰী) ঃ** উত্তৰ পৰ্ব্বাঞ্চল উদ্যোগ নীতিৰ অধীনত যিবিলাক নতুন উদ্যোগ অসমলৈ আহিছে আমাৰ সমীক্ষা মতে এই উদ্যোগ সমূহত ৪ হাজাৰ যুৱক যুৱতিক কৰ্মসংস্থাপন দিছে গতিকে থলুৱা লোকক কৰ্মসংস্থাপন দিয়া নাই বুলি কোৱা কথাটো সত্য নহয়।

## MATTER UNDER RULE 301

**Mr. Speaker :** Now, item no. 3 Hon'ble Member, Dr. Zoii Nath Sarma to draw the attention of the Chief Minister of raising the matter.

* **ডঃ জয়নাথ শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰীয়া আৰু কাৰ্য্য পৰিচালনাৰ

* Speech not corrected

নিয়মাৱলী ৩০২ নং নিয়মৰ অধীনত ২৬/২/২০০০ তাৰিখৰ আমাৰ অসম কাকতত প্ৰকাশিত "ডেৰ কুৰি বিষয়া ৰাজ্যৰ বাহিৰত, অসম সচিবালয় বিষয়টো উত্থাপন কৰিব বিছাৰিছে। কথাটো বাতৰি কাকতত লিখিছে, ইয়াৰ অন্তৰনিহিত কথা খিনি হে মই মুখ্যমন্ত্ৰীক পৰ্য্যালোচনা কৰিবলৈ অনুৰোধ জনাইছো। প্লেন আলোচনাৰ কাৰণে বিষয়া সকল দিল্লীলৈ যাবলগীয়া হয় সেইটো দোষনীয় কথা নহয়। কিন্তু মই আমাৰ মহন্ত ডাঙৰীয়া মুখ্যমন্ত্ৰী থাকোতে কৈছিলো যে ৭ খন ৰাজ্যৰ গোটেই বিষয়া সকল প্লেন আলোচনাৰ কাৰণে দিল্লীলৈ যাব লাগে। আমাৰ বৰ্তমান মুখ্যমন্ত্ৰী গগৈ ডাঙৰীয়াৰ দিল্লীত হোল্ড আছে। গতিকে তেওঁ দিল্লীত আলোচনা কৰি এই ৭ খন ৰাজ্যৰ বিষয়া সকল যাতে দিল্লীত যাব নালাগে প্লেনৰ আলোচনাটো গুৱাহাটী বা চিলংত কৰিব পাৰি তাৰ ব্যৱস্থা কৰক। কাৰণ তাৰ পৰা বিষয়া সকল ইয়ালৈ আহিলে তেওঁলোকৰ খৰছত আহিব তেতিয়া আমাৰ খৰছ বাচি যাব। মই এই বাৰ নিজেই গম পাইছো কলিয়াবৰ উপনিৰ্বাচনৰ সময়ত প্লেন আলোচনা কৰি আছিল তেতিয়া কোনো বিষয়াক গুৱাহাটীত বিছাৰি পোৱা নগ'ল।

অধ্যক্ষ মহোদয়, প্লেনিঙৰ নামত বহুত টকা খৰচ হৈ আছে। মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো, কেন্দ্ৰীয় চৰকাৰৰ প্লেনিং কমিশ্বনৰ লগত আলোচনা কৰক, এই বিষয়টো চালি জাৰি চাব লাগে। আমি তালৈ যোৱাতকৈ, তেখেত সকলে ইয়ালৈ আহক, ইয়াত থাকক, ইয়াত আলোচনা কৰক। তেতিয়া ষ্টেটৰ বাৰ্ডেন ল'ব লগা নাই। সেই কাৰণে চালি জাৰি চোৱাটো ভাল হ'ব। প্লেনিঙৰ কথা আহিছে, বাজেটত যিমান টকা ধাৰ্য্য হয়, তাতকৈ বেছি খৰছ হয়। সেই কাৰণে মই অনুৰোধ কৰিছো এক্সপেন্‌ডিচাৰ কেলেন্ডাৰ কৰক। ইমানখিনি খৰচ হয়, যি বিভাগে খৰচ কৰা নাই, কিয় কৰা নাই শুধক। দিশপুৰত প্লেনিং বোৰ্ড থাকে, মাননীয় মুখ্যমন্ত্ৰী নিজে চেয়াৰম্যান, আৰু ভাইচ চেয়াৰম্যান থাকে। তেখেতক ক'ব পাৰে, তিনি মাহৰ মুৰে মুৰে খৰচ হওক। কমিশ্বনৰ মানুহ ইয়ালৈ আহিব, আমাৰ পৰিস্থিতি অধ্যয়ন কৰিব পাৰিব।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ডঃ শৰ্মা ডাঙৰীয়াই অতি গুৰুত্বপূৰ্ণ কথা কৈছে। এইটো গুৰুত্বপূৰ্ণ বিষয়। যি সময়ত অসমৰ বিত্তীয় সমস্যা চলি আছে, প্লেনৰ আলোচনা কৰিবলৈ গৈছে। ঠিকেই কৈছে। যেতিয়া বাই ইলেক্‌শ্বন হৈছিল, অসমৰ পৰা কেবাজনো বিষয়া দিল্লীলৈ গৈছিল। বাই ইলেক্‌শ্বনৰ বাবে টি,এ,ডি,এ, সকলোবোৰ কেন্দ্ৰীয় চৰকাৰে বহন কৰে। কিন্তু অসম চৰকাৰৰ পৰা পাচ লাখ টকা টি,এ,ডি,এ, লোৱা বুলি বাতৰি কাকতত ওলাইছে। কেন্দ্ৰীয় চৰকাৰে খৰছ কৰাৰ পাচত অসম চৰকাৰৰ পৰা ল'ব পাৰে নেকি? ই সাংঘাতিক ক্ৰাইম। বিষয়া সকলৰ এনেকুৱা টেন্‌ডেন্সি হয় যে সপ্তাহত দিল্লীলৈ গৈ থাকে। কাৰণ দিল্লীত পৰিয়াল থাকে, পৰিয়ালৰ

---

* Speech not corrected

লগত বিভিন্ন সময়ত টেলিফোনেৰেও কথা হয়, ফলত দুই লাখ টকা খৰচ হৈছে। কিন্তু ইয়াৰ একো একচন হোৱা নাই। মুখ্য সচিবৰ দ্বাৰা তদন্ত কৰোৱা হৈছিল। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত শ্ৰী হৰেণ দাস ডাঙৰীয়াক লৈ ফিচকেল কমিটি গঠন কৰা হৈছিল। কমিটিৰ ৰিপোৰ্ট দাখিল কৰা হৈছে। মুখ্য সচিবে সেই মতে নিৰ্দ্দেশ দিয়াৰ পিচত বিষয়া সকলে গৰজি উঠিছে। মাননীয় সদস্য ডঃ জয় নাথ শৰ্মা ডাঙৰীয়াই যি পৰামৰ্শ দিছে, সেই মতে তেওঁলোকক ইয়ালৈ মাতি আনক। দিল্লীত এজন বিষয়া আছে, বিভিন্ন সময়ত বিভিন্ন বিষয়া যাব নেলাগে। বিষয়া সকলে টেলিফোনত কথা পাতি পইচা খৰছ কৰি বাহিৰলৈ গৈছে। এদিনৰ ঠাইত দহ দিন থাকে। অসমৰ মুখ্যমন্ত্ৰী মহোদয়ে স্বচ্চ নিকা মুখ্যমন্ত্ৰী হিচাবে আহিছিল। সেই মতে ক্ৰাম কৰক। বিষয়া সকলে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক বুঢ়া আঙুলি দেখুৱাই দিয়ে। মুখ্য সচিবক নামানে। যি জন বিষয়াই নামানে সিদিনা বাতৰি কাকতত লিখিছে, সেই জন বিষয়াই গাড়ী কিনিছে বুলি কৈছে। সেই বিষয়া জনক চাচ্‌পেন কৰিব লাগিছিল। সেই বিষয়া জনে বাতৰিত ওলোটাই হেডলাইন দিছে। আমি অসমৰ পৰা যামেই বুলি বিষয়া সকলে কৈছে, সাত জন বিষয়া গৈছে। গতিকে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো, আই, এ,এচ, বিষয়া সকলে যি কৰি আছে, তালৈ যাতে চকু দিয়ে। মন্ত্ৰী এনেকুৱা কামত কিয় লিপ্ত হ'ব, যদি লিপ্ত হয় মন্ত্ৰীৰ চাকৰি খেদাব লাগে। সেইটো আপোনাৰ কথা, মই ক'ব নোৱাৰো। কিন্তু এই বিষয়টো অতি গুৰুত্বপূৰ্ণ বিষয়।

* **শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, প্লেনিঙৰ কাৰণে আমাৰ বিশ ত্ৰিশ জন বিষয়া গৈছিল সঁচা কথা। যাব লাগিব, কমিশ্বনত নিয়াৰ কাৰণে সিদ্ধান্ত কৰা হৈছে। প্লেনিং কমিশ্বনে ইয়ালৈ আহিলে ভাল হয়, কিন্তু এইটো সম্ভৱ নহয়। প্লেনিং কমিশ্বনৰ চেক্ৰেটাৰীৰ পৰা আৰম্ভ কৰি গোটেই অফিচ লৈ আহিব কৈছে, চিৰিয়াচ হোৱা নাই বুলি কৈছে। গোটেই অফিচ অনা সম্ভৱ নহয়, এইটো নকৰে। এইটো ফিজিবুল বুলি মই নাভাবো। ইলেকৃশ্বনৰ সময়ত অবজাৰভাৰ যাব লাগে। আমাৰ ইয়ালৈ আহিলে টকা ষ্টেটে বিয়েৰ কৰিব লাগে। যদি আন ষ্টেটৰ পৰা আমাৰ ইয়ালৈ আহে, কমিশ্বনৰ নিৰ্দ্দেশ মতে খৰচ আমাৰ ষ্টেটে বহন কৰিব লাগে। যিখন ষ্টেটলৈ আহে সেই খন ষ্টেটে খৰছ বহন কৰিব লাগে। বাকী যি বিলাক কথা কৈছে মই সিদ্ধান্ত ল'বলৈ হ'লে ফিচকেল ৰিফৰ্মচৰ ওপৰত টি,এ,দি,এ, ফিক্স কৰিম। যদি আন কিবা কৰে, তেতিয়া হ'লে নিজে খৰছ বহন কৰিব লাগিব। এইটো কৰিম। সকলো বিলাক অফিচাৰ দিল্লীলৈ যায়, এইটো সঁচা নহয়। দিল্লীলৈ যাব লাগিব। সকলো বিলাক নেচেচেৰি বুলি নকওঁ, চাব লাগিব। আজি কালি যি চিষ্টেম হৈছে, ফলো নকৰে। ফলো নকৰিলে কাম নহয়। মই মুখ্যমন্ত্ৰী হৈ অফিচাৰক ফোন কৰো, এডিশ্বনেল চেক্ৰেটাৰীক ফোন কৰি মাতি আনি কথা পাতো।

* Speech not corrected

আগৰ চিষ্টেম মতে নহয়, ইয়াৰ পৰা চিঠি যাব, চিঠি ছয় মাহলৈ পৰি থাকিব।অফিচাৰ যাব লাগিব, নহলে পৰি থাকিব। এইবাৰ শতকৰা ৯৪ ভাগ খৰচ কৰা হৈছে। যদি খৰচ নকৰে, তেতিয়া হ'লে দ্বিতীয় বছৰত কম আহিব। মুখ্য সচিব, আয়ুক্তই সঘনে চোৱাৰ বাবে শতকৰা ৯৪ ভাগ খৰচ কৰিব পৰা হৈছে।

* শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ এজন মন্ত্ৰীয়ে অফিচাৰৰ বিৰুদ্ধে কাগজত বিজ্ঞাপন আকাৰে দি প্ৰকাশ কৰাইছিল। সেই বিষয়ত মন্ত্ৰী জনৰ কামৰ প্ৰতি সতৰ্ক কৰি দিয়াৰ কিবা কৰিছে নে নাই জানিব বিচাৰিছো।

* শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী) ঃ সেই বিষয়টো মই চাম বাৰু।

## STATEMENT BY MINISTER

মাননীয় উপাধ্যক্ষ ঃ এতিয়া বিবৃত্তি দিব পাৰে।

* শ্ৰী প্ৰদ্যুৎ বৰদল�ৈ (বাজ্যিক গৃহমন্ত্ৰী) ঃ মাননীয় সদস্য গৰাকীয়ে যোৱা পাচ এপ্ৰিল তাৰিখে যিটো ট্ৰেইনত বোমা বিস্ফোৰণৰ সম্পৰ্কীয় কথা কৈছিল সেইটো সম্পৰ্কত কওঁ যে কোকৰাঝাৰ এচ-পিয়ে যোৱা পাচ এপ্ৰিলৰ দিনাখন ৰাতিপুৱা চাৰি বজাত খবৰ পায় যে ৫৬৫৮ ডাউন কাঞ্চনজংঘা এক্সপ্ৰেচ খনহাকমা ফৰেষ্ট ৰিজাৰ্ভ পাওঁতে ওচৰতে প্ৰায় ৪-১৫ মান বজাত দুটা বোমা বিস্ফোৰণ সংঘটিত হয় আৰু কামটো তাত থকা উগ্ৰপন্থী সংগঠনে কৰা বুলি খবৰ পায়। ট্ৰেইন পাৰ হৈ যোৱাৰ পিচত আহত পেচেঞ্জাৰ শ্ৰী উৎপল চাহা আৰু তিনিজন টি-টি-ই ক্ৰমে সুকুমাৰ সৰকাৰ, এ-চি-দে আৰু ডি নাগ এই তিনিজন আহত হয়। আহত ব্যক্তিসকলক আগতে গোঁসাইগাওঁ চিভিল হস্পিটালত চিকিৎসা দি পিচত আলিপুৰদুৱাৰ হস্পিটাললৈ স্থানান্তৰ কৰা হয়। ইয়াৰ ফলত ট্ৰেইনৰ ট্ৰেক ক্ষতিগ্ৰস্ত হৈছে। লগে লগে মেৰামতি কৰি ট্ৰেইন অহা যোৱা ব্যৱস্থা কৰা হয়। এই সম্পৰ্কত অসমৰ আৰক্ষীয়ে জোৰ তদন্ত কৰি আছে। সেই ঠাইত দুটা তিনিটা উগ্ৰপন্থীয়ে কাম কৰি থকা আৰক্ষী অৱগত হৈছে। জোৰ তদন্ত এতিয়াও অব্যাহত আছে।

Information received from the S.P. Kokrajhar dtd. 5.4.2002 at around 0400 hours while 5658 DN Kanchanjangha Express Train proceeding towards Srirampur from Gossaigaon Railway Station and when the train arrived near B.G. K.M. No. 189/2 at Hakua Forest area (Gossaigaon) P.S. at about 0415 hours, 2(two) bombs were exploded on the railways track by some unknown miscreants. As a result, 2 (two) nos of boggies were partially damaged and following 4 (four) persons received injuries on their persons.

1) Utpal Saha (passenger), 2) Sukumar Sarkar, TTE, 3) A.C.

* Speech not corrected

Dey, TTE, 4) D. Nag, TTE.

On receipt of the information Gossaigaon Police rushed to the spot to take stock of the situation and initiate in this connection. During search one unexploded bomb was recovered by police from the P.O. The injured persons are shifted to Gossaigaon Civil Hospital and where-from they were referred to Alipurduar Civil Hospital (WV) for better treatment.

## CONSIDERATION AND PASSING OF GOVERNMENT BILLS

**Mr. Speaker :** Now item No. 4 (b) Hon. Minister Finance has already moved a Govt. amendment under clause 2 of "The Assam General Sales Tax (Amendment) Bill, 2002" on 8.4.2002.

Now, I have received an amendment from Shri Pabindra Deka in explanation 3 (ii) of clause 2 of the proposed Bill.

Now, Hon. Member Sri Pabindra Deka to move his amendment.

**Sri Pabindra Deka :** Sir, I beg to move that in explanation 3 (II) of Clause 2 of the proposed Bill, occuring in the last line after the word "Contractor" the following words shall be added -

"and the concerned officer of the department".

Assam General Sales Tax (Amendment) Bill 2002...1993 4 law amalgamated.

মাননীয় অধ্যক্ষ মহোদয়, ইয়াত অসম চেল টেক্স ১৯৯৯ আৰু ২০০২ উত্থাপন কৰা হৈছে। এইবিলখন ১৯৯৩ চনৰ আইনৰ আধাৰত উত্থাপন কৰা হৈছে। আগতে চাৰিখন আইন এমালগেমেট কৰি এই বিলখন কৰা হৈছিল আইন কেইখন আছিল ঃ Assam Sales Tax Act. 1947, Assam Finance Sales Tax Act., 1956, Assam Sales of Petroleum Product including Motor Spirit and Lubricant Taxation Act., 1955 and Assam Purchase Tax Act., 1967.

তেখেতৰ বাজেট বক্তৃতাত বিলখন কিয় আনিবলগীয়া হ'ল আৰু কিমান টকা আহিব তাত কৈছে তেখেতে The existing rates of tax on different commodities under the Assam General Sales Tax Act, 1993 were effected as per the Uniform Floor Rates of tax with effect from 1.1.2000 except in case of potable liquor. As per the Uniform Floor Rates of tax, potable liquor is to be taxed @ 20 per cent. Accordingly,

sales tax @ 20 per cent has been levied on potable liquor by a Govt. notification w.e.f. 19.02.2002. The Govt. have also by another notification segregated 'coconut oil' from 'edible oils', made 'groundnut seed' taxable at first point of sale in place of last purchase within the State and brought 'rice bran oil' to first point of sale from last point of sale within the State. These amendments were effective from 19.02.2002. These measures are likely to generate an additional annual revenue of Rs. 4.00 crores.

তাৰ পৰা পাচ কোটি টকা আহিব বুলি তেখেতে কৈছে। মই সিদিনাও সদনত কৈছো যে ৰাজহ বঢ়াবলৈ টেক্স বঢ়াব লাগিব কিন্তু টেক্স সংগ্ৰহৰ সুৰুঙা বিলাক বন্ধ কৰিব লাগিব। এই সুৰুঙা বিলাকৰ মাজেৰে মিচএপ্ৰপ্ৰিয়েট কৰে আৰু টেক্সৰ ক্ষেত্ৰত ফাঁকি দিয়ে।

মাননীয় অধ্যক্ষ ঃ আপুনি এমেণ্ডমেন্টৰ ওপৰত কওক। আন কথা এতিয়া ক'ব নালাগে।

শ্ৰী পবিন্দ্ৰ ডেকা ঃ মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে এতিয়া অৱস্থাৰ ভালেখিনি ইম্প্ৰভ কৰা বুলি কৈছে আৰু বহুখিনি বাকী আছে বুলি কৈছে। অধ্যক্ষ মহোদয়, আপুনি যদি বাধা দিয়ে মই আৰু টেক্সৰ সুৰুঙাৰ বিষয়টো নকওঁ। কিন্তু আমি বিষয়াৰ হেমাহিৰ কাৰণে টেক্স ঠিক মতে নাপাওঁ। মাননীয় সদস্য শ্ৰী জয়নাথ শৰ্মা আৰু গোস্বামীয়ে সংশোধনীৰ ক্ষেত্ৰত বহুখিনি কথা কৈছে। মই আৰু সেই বিষয়ত নকওঁ মাত্ৰ এটা কথা ক'ব বিচাৰিছো যে ইয়াত দুই নম্বৰত যিটো আছে যে ভেণ্ডৰে যোগানকাৰীক দি চালান বা বেংকড্ৰাফট্ ল'ব। কিন্তু চৰকাৰী বিষয়া নাথাকিব যোগানকাৰী জনৰ দ্বাৰা উপযুক্ত ভাবে শ্ব নকৰাও হ'ব পাৰে। ভেণ্ডৰে বেংকড্ৰাফট বা ট্ৰেজাৰি চালানৰ এটা কপি চৰকাৰক দিয়া নিয়ম হ'ব লাগে।

**Mr. Speaker :** Now, Hon'ble Minister, Finance to reply.

**Shri Debananda Konwar (Minister) :** Mr. Speaker Sir, I do not think this is a very substantial Amendment. সংশোধনী এই বাবে অনা হৈছে যে ডেপ'জিট বেংকৰ প্ৰপাৰ হেডত কৰিবই। দৰকাৰ হ'লে অফিচাৰে বেংকত গৈ চাই আহিব পাৰে। একাউন্টটো চালেই ওলাই পৰিব। This is not necessary. This is redundent therefore, I will appeal to the Hon. Member kindly to withdraw this Amendment.

**Mr. Speaker :** Mr. Deka, will you withdraw your amendment?

* শ্ৰী পবিন্দ্ৰ ডেকা ঃ অধ্যক্ষ মহোদয়, মই উইড্ৰ কৰিম। The retail vendor while depositing the cost price and duty shall also deposit the tax payable under

this Act in the designated bank by challan and hand over one of the challan copy to the contractor. মই মাথো কৈছো যে কনট্ৰেক্টৰ সলনি কন্‌চার্নিং অফিচাৰ এজন দিব লাগে যাতে তেওঁ ভালদৰে সময়মতে টকা পইচা জমা হৈছে নে নাই সেইটো চাব পাৰে। সেইটো কৰিলে ভাল হ'ব বুলি ভাবো।

* শ্ৰী দেবানন্দ কোঁৱৰ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, গোটেই বস্তুটো প্ৰপাৰ হেডত বেংকত জমা হ'ব। প্ৰয়োজন হ'লে তাতো গৈ আমাৰ অফিচাৰে জমা হৈছেনে নাই চাব পাৰিব। They will again make payment on it. He will hand over to the proper person and they will just show to the department.

মাননীয় অধ্যক্ষ ঃ আপুনি ডইথড্ৰ কৰিব নে?

* শ্ৰী পবিন্দ্ৰ ডেকা ঃ বেংকত জমা হ'ব আৰু সেইটো বিষয়া সকলে যেতিয়া চাবই হ'ব আৰু মই উইথড্ৰ কৰিছো।

**Mr. Speaker :** Is it the pleasure of the House to grant leave to withdraw the amendment?

(After a pause)

With the leave of the House the amendment is withdrawn.

**Mr. Speaker :** I now call upon Hon'ble Minister Finance again to move his amendment.

**Sri Debanand Konwar :** Mr. Speaker Sir, I beg to move that in the Assam General Sales Tax (Amendment) Bill, 2002 in clause 2 after the existing provision, the following shall be inserted : namely, "Explanation 3(i) in case of potable liquors mentioned in serial number 27A in Schedule-II, except country spirit, the licencee of the bonded warehouse or wholesale licence holder who sells these items to a regular holding 'on' or 'off' licence shall be deemed to be the first point seller, irrespective of whether he imports such items from out-side the State or he purchases such items from a manufacturer or a bottling unit or another bonded warehouse within the State and he shall be liable to pay tax on the sale price of such items, as defined in clause (34) of section 2 including excise duty or countervailing duty payable thereon, irrespective of whether such duty is payable by the licencee of the bonded warehouse or the wholesale licence holder or the retail licence holder;

(ii) in case of country spirit mentioned in serial number 27A,

* Speech not corrected

in Schedule-II, the licensed contractor who sells or supplies such items to a licensed retail vendor shall be deemed to be the first point seller who shall be liable to pay tax on the sale price of the item as defined in clause (34) of section 2 including still head duty payable thereon. The retail vendor while depositing the cost price and duty shall also deposit the tax payable under this act in the designated bank by challan and hand over one copy of the challan to the contractor".

**Mr. Speaker** : I now put the amendment before the House

The question is that -

"In the principal Act, in section 8 in sub section (1) after explanation (2) sought to be amended by clause 2 of the proposed Bill the explanation (3) shall be inserted as follows -

"Explanation (3)(i) in case of potable liquors mentioned in serial number 27A in Schedule-II, except country spirit, the licensee of the bonded werehouse or wholesale licence holder who sells these items to a retailer holding 'on' or 'off' licence shall be deemed to be the first point seller, irrespective of whether he imports such items from outside the State or he purchased such items from a manufacturer or a bottling unit or another bonded werehouse within the State and he shall be liable to pay tax on the sale price of such items, as defined in clause (34) of section 2 including excise duty or countervailing duty is payable by the licensee of the bonded warehouse or the wholesale licence holder or the retail licence holder.

In case of country spirit mentioned in serial number 27A in Schedule-II the licensed contractor who sells or supplies such items to a licensed retail vendor shall be deemed to be the first point seller who shall be liable to pay tax on the sale price of the item as defined in clause (34) of section 2 including still head duty payable thereon. The retail vendor while depositing the cost price and duty shall also deposit the tax payable under this act in the designated bank by challan and hand over one copy of the challan to the contractor"

Those who are in favour, say, 'Ayes'

Those who are against say, 'Noes'

'Ayes' have it; 'Ayes' have it; 'Ayes' have it.

The amendment is accepted.

Clause 2 do form part of the Bill.

There is no amendment in clause 3,4, and 5 of the Bill. I now put clause, 3,4 and 5 of the Bill before the house for approval.

The question is that -

Clasue 3,4 and 5 do stand part of the Bill

Those who are in favour, say, 'Ayes'

Those who are against say, 'Noes'

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

**Clause 3,4 and 5 do form part of the Bill**

There is an amendment in clause 6 of the Bill in the name of Hon'ble Members Sri Gunin Hazarika, Sri Abdul Jabbar and Sri Sarbananda Sonowal to move.

I now call upon the Hon'ble Member Sri Gunin Hazarika, Sri Abdul Jabbar and Sri Sarbananda Sonowal to move their amendment.

**Sri Gunin Hazarika :** Sir, I beg to move that in the Principal Act in section 44, in sub-section (4) sought to be amended by clause 6 of the proposed Bill, the words "not below the rank of superintendent of Taxes" shall be inserted between the words "Authority" and before the word "is" appearing in the 8th line of the Bill. Sir, I beg to move that in sub-section (4) of clause 8 of new section 46 B of the Principal Act, appeared at pages 4&5 of the proposed Bill, in the first line the word "immediately" shall be inserted between words "shall" and before the word "dispose" of and in the second line the words "above purchasing value" shall be inserted between the words "goods" and the word "in".

**Mr. Speaker :** I now call upon Dr. Zoii Nath Sarma to move his amendment.

**Dr. Zoii Nath Sarma :** Sir, I beg to move that in sub clause (1) of the new section 46 B of the Principal Act, sought to be amended by clause 8 of the proposed Bill the words "on credit" shall be added after the words "may purchase such goods" appearing

in 10th line at page 5 of the Bill.

* **শ্ৰী গুণীন হাজৰীকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিলখনৰ মূল উদ্দেশ্য হ'ল প্ৰশাসনিয় ভাবে চেলটেক্সৰ বিষয়া সকলৰ ওপৰত ক্ষমতা প্ৰদান কৰা। তেওঁলোকক এই ক্ষমতা দিবলৈ বিচৰা হৈছে যাতে তেওঁলোকে ব্যক্তিগত মানুহৰ ঘৰলৈ গৈ চাৰ্চ কৰিব পাৰে। এই প্ৰসংগত মই দুটা কথা ক'ব বিচাৰিছো যে আমাৰ চেল টেক্স বিভাগত কমিচনাৰ আছে এচিটেন্ট কমিচনাৰ আছে, জইন্ট কমিচনাৰ আছে, ডেপুটি কমিচনাৰ আছে। সেই সকলৰ ওপৰত ক্ষমতা দিব লাগে। পুলিচৰ বি আই ইও বিভাগটো যেনেকৈ ৰাজনৈতিক বিভাগৰ আন্ধাৰত চলে ঠিক তেনেকৈ এই বিভাগটো বিত্ত বিভাগৰ পৰা নি কৰ আয়ুক্তৰ তত্বাবধানত ৰাখিব লাগে। হৰেণ দাস কমিটিৰ ৰিপৰ্টটো আছে "This wing may work under the day to day control of the head of the bureau. In order to avoid any conflict with the provisions of the law, the officers must discharge their functions udner the the overall supervision of the Commissioner of Taxes to whom, or to such officer as may be designated him, these tax officers will report the results of the investigations for further follow up action." এই বিভাগটো শক্তিশালী কৰাৰ লগে-লগে বিষয়া সকলেও যথেষ্ট ক্ষমতা পাব। এই বিভাগে কেচ ৰেজিষ্টাৰ্ড কৰিলেই নহয়। তেনেকৈ টেক্স সংগ্ৰহ কৰিব পাৰি সেইটো চাব লাগে। দ্বিতীয়তে যিবিলাক চাৰ্জে কৰিবলৈ দিয়া হয় সেইবোৰ সময়মতে নহয়। এইকথা কেগৰ' প্ৰতিবেদনতো কোৱা হৈছে। সময়মতে চাৰ্জে কৰিব নোৱাৰাৰ ফলত যিমানখিনি টেক্স কালেকচন কৰিব লাগিছিল সিমানখিনি কৰিব নোৱাৰে। মন্ত্ৰী মহোদয়ে কৈছে যে চেলটেক্স বঢ়োৱাৰ কাৰণে ব্যৱস্থা কৰা হৈছে। কিন্তু কি ব্যৱস্থা কৰা হৈছে। কমপিউটাৰৰ বাবে কিবা ব্যৱস্থা হাতত লৈছে নেকি? দিল্লী চৰকাৰে ইতিমধ্যে এই সম্পৰ্কে ব্যৱস্থা গ্ৰহণ কৰিছে। আমাৰ ইয়াত ৰাজ্য চৰকাৰে চেলটেক্স বঢ়োৱাৰ কাৰণে কি কি ব্যৱস্থা ল'ব বা অন্য কিবা নতুন আইন কৰিব নেকি আৰু সেই বিষয়ে মন্ত্ৰী মহোদয়ে জনাব বুলি আশা কৰিলো।

* **ডঃ জয় নাথ শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহাশয়, মই আমাৰ মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে বিত্ত মন্ত্ৰী মহোদয়ক ক'ব বিচাৰিছো যে ৬ নং দফাত Provided that no such authority below the rank of the commissioner of Taxes shall enter into and search any residentional accommodation unless such authority is specifically authorised in writing by the commissioner in this regard. অধ্যক্ষ মহোদয়, ইনকামটেক্সৰ অফিচাৰ বিলাকৰ যিমান ক্ষমতা আছে সেই ক্ষমতা আমাৰ চেলটেক্স অফিচাৰ বিলাকৰ নাই। যিয়েই হওক

* Speech not corrected

বৰ্তমান চেলটেক্স যিটো ৰেটত আছে সেই ৰেটতে লোৱা ব্যৱস্থা কৰিব লাগে। আমাৰ যে চেল টেক্স বঢ়া নাই আৰু এটা উদাহৰণ দিব বিচাৰিচো। আমি এবাৰ পি এ চিৰ কমিটিৰ পৰা শ্ৰীৰামপুৰলৈ গৈছিলো। তাত যিখন বিত্ত বিভাগৰ গেট আছে সেই গেটখন দেখা গৈছে যে ৫০০০ হাজাৰ ট্ৰাক পাৰ হৈছে যদিও ১০০০ হাজাৰ ট্ৰাকহে ৰেকৰ্ডত আছে। এই গেটখন ট্ৰেন্সপৰ্টৰ একেবাৰে ওচৰতে। সেই কাৰণে বিভাগে যিমান টেক্স পাব লাগে সিমানখিনি নাপায়। আজি আমি টেক্স বঢ়ালেই নহ'ব। সময়মতে টেক্স আদায় কৰাৰ বাবে বিভাগে যত্ন কৰিব লাগিব। ৮ নং ক্লজত যিটো আছে - 46B. Power to purchase goods in case of under valuation of goods.

**Sri Debanand Konwar (Minister) :** No, 'residential' is the word.

* **ডঃ জয় নাথ শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে চেল টেক্সৰ পেনাল্টি ইমপোজ কৰাৰ কাৰণে যিমানবোৰ কেচ কৰে সেই সকলোবোৰ কেচতে আমাৰ চৰকাৰ হাৰে। এইটো ৰেকৰ্ডত চালেই গম পাব। সেয়েহে এই সম্পৰ্কত মই এটা পৰামৰ্শ দিব বিচাৰিছো যে যিবোৰ কেচত পেনাল্টিট ইমপোজ কৰোতে চৰকাৰে হাৰিছে সেই ৰাহা পইন্ট ইনকৰপেনৰেট কৰাৰ ব্যৱস্থা কৰিব লাগে। মই বিত্ত মন্ত্ৰীক ক'ব বিচাৰিছো যে আপুনি নিজৰ হাত শক্তিশালী কৰক। টেক্স যিটো ৰেটত ইমপোজ কৰিছে সেইটোৱেই ৰাখক। নহ'লে ৰাইজৰ ওপৰত মাধমাৰ মৰা হ'ব। টেক্স সংগ্ৰহৰ যিবোৰ লিকেজ আছে সেইবোৰ বন্ধ কৰাৰ ব্যৱস্থা ল'ব লাগে। আমাৰ চৰকাৰৰ দিনতো আমি কৈছিলো যে টেক্স বঢ়াব নালাগে। এতিয়া আমাৰ বহুত মানুহে চেল টেক্সত কাম কৰিব নোখোজে। যদি এজন ভাল বিষয়াই টেক্স সংগ্ৰহৰ কাৰণে ভালকৈ কাৰোবাক ধৰিবলৈ যায় তেতিয়া সেই বিষয়াজনে সেই ঠাইত বেছি দিন থাকিব নোৱাৰে। বিষয়াজনক ট্ৰেডাৰে ধমকি দি কয় - আপোনাক চাই লম, এই ঠাইত কিমান দিন থাকিব পাৰে। সেই কাৰণে তেওঁলোকে যিমান পৰিমাণে টেক্স সংগ্ৰহ কৰিব লাগিছিল ঠিক সেই ধৰণে কৰিব নোৱাৰে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি অলপ চুটি কৰক।

* **ডঃ জয় নাথ শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মইটো এইবাৰ কবলৈ পোৱাই নাই। এই বিধান সভাতো মোক ক'বলৈ নিদিলে, ৰাজ্যপালৰ ভাষণৰ ওপৰতো ক'বলৈ নিদিলে, বাজেটৰ ওপৰতো ক'বলৈ নিদিলে। ছাৰ মই চুটি কৰিছোৱেই। অলপ ক'বলৈ দিয়ক। মই বিত্ত মন্ত্ৰী মহোদয়ক ক'ব বিচাৰিছো যে আপোনালোকে এটা ৰিচাৰ্চ চেল কৰক। যিবোৰ অফিচাৰে ভাল কাম কৰে সেইবোৰ অফিচাৰক পুৰস্কৃত নকৰিলেও সেই ঠাইতে ৰখাৰ ব্যৱস্থা কৰক। আমাৰ পুলিচ বিভাগৰ কোনো মানুহে এচ,বি বা বৰ্ডাৰ বিভাগলৈ যাব নোখোজে। যদি তেওঁলোকক ইনটেনচিভ দিয়াৰ ব্যৱস্থা কৰে তেনেহলে তেওঁলোকে তালৈ যাব। টেক্স বঢ়াব নালাগে, যিটো ৰেটত আছে সেই ৰেটতে লোৱা ব্যৱস্থা কৰক।

* Speech not corrected

*** শ্ৰী দেৱানন্দ কোঁৱৰ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় হাজৰিকা আৰু শৰ্মা ডাঙৰীয়াই যি কেইটা পৰামৰ্শ দিছে সেই কেইটা ঠিকেই আছে। কিন্তু এইটো নহয় যে টেক্স বঢ়োৱাৰ কাৰণে টেক্স সংগ্ৰহৰ ভলিয়ামো বাঢ়িব। গতিকে যিটো এমেণ্ডমেন্ট আনিছে ক্লজ চিক্সত আৰু ক্লজ এইটত। আমি সেইটো এক্সচেপ্ত কৰিব নোৱাৰো।

*** শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, পইন্ট অৱ অৰ্ডাৰ ছাৰ। পিয়ন বা চকীদাৰ এজনক দিলেই হ'ব নেকি?

*** শ্ৰী দেৱানন্দ কোঁৱৰ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইনচ্পেক্টৰ বিলাকক দিব পৰা হ'ব। তেওঁলোকে অকল চাৰ্জ আৰু চেইজাৰৰ বাবে সহযোগ কৰিব লাগিব। সেই কাৰণে কমিচনাৰ লেভেলত দিয়াৰ ব্যৱস্থা কৰা হৈছে। অধ্যক্ষ মহোদয়, শৰ্মা ডাঙৰীয়াই ৮ নং ক্লজত আন ক্ৰেডিটত কৰিব লাগে বুলি কৈছে, এই প্ৰভিজনটো আমি ৰাখিব লাগে বুলি কৈছে, এই প্ৰভিজনটো আমি ৰাখিব বিচাৰিছো। বাকী যিখিনি কথা কৈছে সেইখিনি থিকেই কৈছে। ৰিচাৰ্চ চেলৰ কথা যিটো কৈছে সেইটো ঠিক। বিহাৰৰ পাটনাৰ পি, এন, সিং নামৰ কৰ্মচাৰী এজনে টেক্স সংগ্ৰহৰ ওপৰত ৰিকোগনিচন পাইছে। মাননীয় সদস্য হাজৰীকা ডাঙৰীয়াই ভেট ৰিজিমৰ যি কথা কৈছে সেইটো এতিয়া কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা চলি আছে আৰু ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে এটা কম্পিউটাৰ স্কীম লৈছে। কম্পিউটাৰ অকল আমাৰ অফিচাৰ সকলৰ কাৰণে কৰিলে নহব, ডিলাৰ সকলৰ কাৰণেও কৰিব লাগিব। আমি দুটা স্তেজত ভেট কৰিবলৈ বিচাৰিছো। ইয়াৰ বাবে আমি এটা ড্ৰাফট কৰিবলৈ চেষ্টা কৰি আছো। ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে আমাক এটা মডেল দিব। গোটেই কথাবিলাক আলোচনা কৰা হ'ব।

*** ডঃ জয় নাথ শৰ্মা ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে প্ৰদিউচিং ষ্টেটৰ বেনিফিটটো চাব লাগে। কনজিউমিং ষ্টেটৰ ক্ষেত্ৰত কিছু অসুবিধা আছে। আমাৰ কনজিউমিং ষ্টেটত ভেট চিষ্টেম আঘাট দিব। প্ৰডাকচন ষ্টেট আৰু কনজিউমিং ষ্টেটৰ মাজত ভেট চিষ্টেমৰ বেনিফিটটো কি সেইটো কেন্দ্ৰীয় চৰকাৰৰ লগত ভালদৰে আলোচনা কৰি চাব লাগে।

*** শ্ৰী গুণীন হাজৰীকা ঃ** অধ্যক্ষ মহোদয়, ভেট আহিলে কনজিউমিং ষ্টেটৰ কিমান টকা কালেকচন হ'ব এইটো এচেচমেন্ট কৰি চাব লাগে।

*** শ্ৰী দেৱানন্দ কোঁৱৰ (বিত্তমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত কিছু ভেৰিয়েচন হ'ব। কিন্তু কিমান হ'ব বা নহ'ব সেইটো আলোচনা কৰি থকা হৈছে। কনজুমাৰ ষ্টেট আৰু মেনুফেকচাৰিং ষ্টেটৰ মাজৰ ৰেচিঅ' উলিয়াবৰ কাৰণে চেষ্টা কৰি থকা হৈছে। নিউ উদ্যোগৰ কাৰণে গেইন হয়। একষ্টিং উদ্যোগৰ ক্ষেত্ৰত কিছু ইনচেন্টিভ দিব লাগে বুলি আমি কৈছো। আমাৰ কিছু লচ হ'ব পাৰে। এইটো কেনেকৈ কমপেনচেট কৰিব পাৰি, বিশেষকৈ হান্ড্ৰেদ পাৰচেন্ট দিবৰ কাৰণে চেষ্টা কৰি থকা হৈছে।

* Speech not corrected

* ডঃ জয় নাথ শৰ্মা ঃ অহা চেচনত মন্ত্ৰী মহোদয়ে ভেট চিচটেমৰ ওপৰত এটা ষ্টেটমেন্ট দিলে মই উইথড্ৰ কৰিম।

* শ্ৰী দেৱানন্দ কোঁৱৰ (বিত্ত মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এইটো কৰিব পৰা যাব।

* শ্ৰী গুণীন হাজৰীকা ঃ অহা চেচনত ভেটৰ ওপৰত মন্ত্ৰী মহোদয়ে ষ্টেটমেন্ট দিলে মই উইড্ৰ কৰিম।

**Mr. Speaker :** Amendment in clause 6, Mr. Hazarika, Mr. Jabbar and Mr. Sonowal, will you withdraw your amendment?

**Shri Gunin Hazarika :** I withdraw sir.

**Mr. Speaker :** Is it the pleasure of the House to grant leave to withdraw the amendment?

With the leave of the house the amendment is withdrawn.

Clause 6 do stand part of the Bill.

Those who are in favour, say, 'Ayes'

Those who are against, say, 'Noes'

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

Clause 6 do form part of the Bill.

There is no amendment in clause 7 of the Bill. I now put clause 7 of the Bill before the House for approval. Clause 7 do stand part of the Bill.

Those who are in favour, say, 'Ayes'.

Those who are against, say, 'Noes'.

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

Clause 7 do form part of the Bill.

In clause 8 there are amendments in the name of Hon'ble Member Shri Gunin Hazarika, Shri Abdul Jabbar and Shri Sarbananda Sonowal and Dr. Zoii Nath Sarmah. Now, Mr. Hazarika, Mr. Jabbar, Mr. Sonowal and Dr. Sarmah, will you withdraw your amendments?

(Yes, Yes)

Is it the pleasure of the House to grant leave to withdraw the amendment? (Voices - yes, yes). With the leave of the House the amendment is withdrawn.

---

* Speech not corrected

Clause 8 do stand part of the Bill.

Those who are in favour, say, 'Ayes'.

Those who are against, say, 'Noes'.

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

Clause 8 do form part of the Bill.

There is no amendment in clause 9 of the Bill. I now put clause 9 of the Bill before the House for approval.

The question is that -

Clause 9 do stand part of the Bill.

Those who are in favour, say, 'Ayes'.

Those who are against, say, 'Noes'.

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

Clause 9 do form part of the Bill.

I now put clause 1, Preamble, Enacting Formula and short title of the Bill before the House.

The question is that -

Clause, 1, Preamble Enacting Formula and Short Title do stand part of the Bill.

Those who are in favour, say, 'Ayes'.

Those who are against, say, 'Noes'.

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

Clause 1, Preamble, Enacting Formula and Short Title do form part of the Bill.

Now Item No. 4(c) Hon'ble Minister Finance to move.

**Shri Debanand Konwar (Minister) :** Mr. Speaker sir, I beg to move that "The Assam General Sales Tax (Amendment) Bill, 2002" be passed.

**Mr. Speaker :** I now put the motion before the House. The motion is that "The Assam General Sales Tax (Amendment) Bill, 2002, be passed."

Those who are in favour, say, 'Ayes'.

Those who are against, say, 'Noes'.

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

The motion is passed. The Bill is passed.

**Mr. Speaker :** Now item No. 5(a), Hon'ble Minister, Panchayat and Rural Development.

**Dr. Bhumidhar Barman (Minister) :** Mr. Speaker Sir, I beg to move that "The Assam Panchayat (NO.II) (Amendment) Bill, 2002" be taken tinto consideration".

**Mr. Speaker :** I now put the motion before the House for approval. The motion is that "The Assam Panchayat (NO.II) (Amendment) Bill, 2002" be taken into consideration".

Those who are in favour, say, 'Ayes'.

Those who are against, say, 'Noes'.

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

The motion is passed.

In Item 5(b), there are 3 amendments in clause 2 of the Bill standing in the names of Hon'ble Members, Dr. Zoii Nath Sarmah and Shri Hitendra Nath Goswami. I now call upon Dr. Zoii Nath Sarmah to move his amendments.

**Dr. Zoii Nath Sarmah :** Mr. Speaker Sir, "In the Principal Act in section 3, in sub section (2) (a) sought to be amended by the word "fourth-fifth" in sub clause (i) of clause 2 of the proposed Bill shall be substituted by the original word "two-third".

"In the existing sub section (5) of section 3 of the principal Act sought to be amended by sub clause (ii) of clause 2 of the proposed Bill shall be substituted by the following -

"The President of the Zilla Parishad shall be the Ex-Officio Vice-Chairman of the District Planning Committee". মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক কথাটো কৈছো আৰু আগতেও এই বিষয়ে আলোচনা কৰিছো। কোৰামৰ ক্ষেত্ৰত আগতে আছিল তিনি ভাগৰ দুই আৰু এতিয়া কৰিবলৈ লোৱা হৈছে পাচ ভাগৰ চাৰি। এতিয়া আপোনালোকে বুজি পোৱা নাই। পিচত কিন্তু ই অসুবিধাত পেলাব পাৰে। আচলতে আপোনালোকে ডেমক্ৰেটিক পাৱাৰ কাৰটেইল কৰিছেনে এড কৰিছে? কোৰাম কিমানত হ'ব? আপোনালোকক ক্ষমতা দিলেও ল'ব নোখোজে। জিলা পৰিষদৰ সভাপতিক ডিষ্ট্ৰিক প্লেনিং কমিটিৰ সভাপতি পাতিলে যথেষ্ট অসুবিধা হ'ব। জিলা পৰিষদৰ সভাপতিয়ে গাঁৱৰ কাম কৰিব কিন্তু চহৰ অঞ্চলৰ কথা কোনে চিন্তা কৰিব? সেয়ে মই পৰামৰ্শ দিব খুজিছো যে, ডি,পি,চিৰ চেয়াৰমেন জন এজন মন্ত্ৰী

হৈ থাকক। জিলা পৰিষদৰ সভাপতি জনক ইয়াত এক্স অফিচিঅ' ভাইচ চেয়াৰমেন কৰি ৰাখিব পাৰে। এনে কৰিলে কিবা ক্ষেত্ৰত খেলি-মেলি বা তৰ্কাতৰ্কিৰ সৃষ্টি হ'লে মন্ত্ৰীজন চেয়াৰমেন হৈ থাকিলে তেওঁ সিদ্ধান্ত দিব পাৰিব আৰু সেই সিদ্ধান্ত সকলোৱে মানি ল'ব। সেই কাৰণে এইটো ব্যৱস্থা কৰিলে ভাল হ'ব বুলি মই ভাবো।

মাননীয় মন্ত্ৰী মহোদয়ে সদনত এটা ডাঙৰ কথা ক'লে-যে চেন্ট্ৰেল গভৰ্ণমেন্টৰ পৰা এইটো নিৰ্দ্দেশ আহিছে। যদি আহিছে তেতিয়াহলে চিঠিখন পঢ়ি দিলে ভাল হয়। ডিষ্ট্ৰিক প্লেনিং কমিটিৰ চেয়াৰমেন জন মন্ত্ৰী এজন হ'ব লাগে। আমি এক্স-অফিচিও ভাইচ প্ৰেচিডেন্ট হিচাবে জিলা পৰিষদৰ সভাপতি গৰাকীক দিব লাগে। এইটো যিটো আপোনালোকে কৰিবলৈ বিচাৰিছে সেইটো কৰিলে ৰুলিং পাৰ্টীৰ মাজতেই অসুবিধা হ'ব। আমাৰ হাততটো পাৱাৰ নাই। পাৱাৰ আপোনালোকৰ হাততেই আছে। এইটো কৰিলে আপোনালোকৰ মাজত খোৱা কামোৰা হ'ব। আপোনালোকৰ স্বাৰ্থতহে মই সেই কথাখিনি ইয়াত কৈছো। এইটো কৰিলে গণ্ডগোল হ'ব। সেই মই দুই এখন মিটিংলৈ নোযোৱা হৈছো। মই যেতিয়া ৰাজহ মন্ত্ৰী আছিলো তেতিয়া মই এম, এল, এ সকলক চেয়াৰমেন দিছিলো। এম, এল, এ জনৰ সোৱে বাওঁৱে কোন বহে চাইয়ে ভাল লাগে। সেই কাৰণে মই মাননীয় মন্ত্ৰীক এইটো সংশোধন কৰাৰ কথা কৈছো। মন্ত্ৰী নাথাকিলে জিলা পৰিষদৰ সভাপতি গৰাকীয়ে কিবা এটা কথা ক'লে বাকী সদস্য সকলে গৰ্জী উঠিব। আমি নকৰিলেও বাকী এম, এল, এ সকলে গুজৰি গুমৰি উঠিব। সিদিনা খন হাইকোৰ্ট ভিতৰতে কাৰোবাৰ কাৰোবাৰ মাজত কাজিয়া লগা বুলি শুনিছো। গতিকে এই ক্ষেত্ৰত এটা চোলিউচন হ'লে ভাল হয়। আজি যদি কিবা কাৰণত সংশোধন নকৰেও তেতিয়া হ'লে ৬ মাহ পিচত সংশোধনী আনিব লাগে আৰু মন্ত্ৰী চেয়াৰমেন পাতিব লাগে আৰু জিলা পৰিষদৰ সভাপতিজনক এক্স অফিচিও ভাইচ চেয়াৰমেন পাতিব লাগে।

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমতে মোভ কৰিব বিচাৰিছো। I beg to move "in the existing Sub-Section 5 of Section 3 of the Principal Act. sought to be amended by Sub-clause (ii) clause 2 of the proposed Bill, shall be deleted and original provision shall be retained II. ইতিমধ্যে মই কথাখিনি কৈছোৱেই আৰু মই দীঘল কৰিব খোজা নাই। ইনট্ৰোডাকচন ষ্টেজত মই গোটেইখিনি কথা কৈছেৱেই। বোধকৰো তেওঁলোকে সংশোধন নকৰে। মাননীয় জয় নাথ শৰ্মা ডাঙৰীয়াই প্ৰথমটো সংশোধনী দিছে। সেইটো আগৰ সংশোধনীটো আছে। এতিয়া মই জনাত চেন্ট্ৰেল গভৰ্ণমেন্টে নহয়, বোধ কৰো সিদিনা ক্ষমতা প্ৰদান (এমপাৱাৰ) কৰাৰ কাৰণে পঞ্চায়তৰ এখন মিটিং হৈছিল। এইটো সম্পৰ্কে টেলিগ্ৰাফ কাকত আৰু দৈনিক জনমভূমি কাকতত প্ৰকাশ পাইছে। সেই মিটিংত ছোনীয়া গান্ধীয়ে কৈছে যিবিলাক ৰাজ্যই নিজাববীয়াকৈ কিছুমান

আঁচনি লৈছে সেই বিলাক আঁচনি বন্ধ কৰিব লাগে। ৰাজ্য চৰকাৰে নিজাববীয়াকৈ কোনো প্ৰগ্ৰেম কৰিব নালাগে। মিনিষ্টাৰৰ ৰিটেন স্পীচ্‌ত এই কথাটো কোৱা আছে। আমাৰ ষ্টেটৰ ফাণ্ড থাকিলে ৰাজ্য চৰকাৰে কৰিব পাৰে। নহ'লে চেন্ট্ৰেল গভৰ্ণমেন্টৰ ফাণ্ডটো ডাইভাৰ্ট হ'ব। সেইটো আপোনালোকৰ হাই কমাণ্ডৰ নিৰ্দ্দেশও হ'ব পাৰে। জিলা পৰিষদৰ চেয়াৰমেন জনক যদি ডিষ্ট্ৰিক প্লেনিং কমিটিৰ চেয়াৰমেন কৰিবলৈ আপোনালোকৰ দলৰ ফালৰ পৰা নিৰ্দ্দেশ দিছে তেতিয়াহ'লে সেই নিৰ্দ্দেশ মানিবই লাগিব। এক্ট খনৰ যিটো উদ্দেশ্য আছিল সেইটো ইয়াত স্পষ্টকৈ কৈছে the Govt. shall constitute in every district a District Committee to consolidate the Plans prepared by Zilla Parishad, Anchalik Panchayats, Gaon Panchayats, Town Committees, Municipalities and Municipal Corporations. In the district and to prepare a draft development plan for the district and to prepare a draft development plan for the district as a whole. যিটো তেওঁলোকে পিচত ৰাজ্য চৰকাৰলৈ পঠিয়াব। প্লেনিং কমিটি বনোৱাৰ মূল কথা হৈছে যি কেইটা আমাৰ লোকেল চেলফ্ গভৰ্ণমেন্ট বডি আছে তেওঁলোকে তাত টোটেল ড্ৰাফট প্লেন বনাব। পইচা দিয়া সম্পৰ্কত মই ক'ব বিচাৰিছো যে এবাৰ কিবা এটা পইচা মিউনিচিপালিটিক কমকৈ দিব বিচাৰিছিল। প্লেনিং কমিটিৰ মিটিং যেতিয়া হ'ব তেতিয়া পইচা পাতি ভাগ কৰাৰ কথা আহিব। কিন্তু সেইটো কৰোতে কৰবাত কৰবাত পাৰ্থক্য হ'ব। তেতিয়া জিলা পৰিষদৰ চেয়াৰমেন জনৰ কাৰণে কিচু অসুবিধা হ'ব ড্ৰাফট্ প্লেন কেনেকৈ বনাব সেইটো এক্টত দিয়া আছে। ১২৬ নম্বৰ এক্টৰ ১,২ আৰু ৩ আছে –

126(1) -- Every Gaon Panchayat shall prepare every year a development plan and submit it to the Anchalik Panchayat before such date and in such form as may be prescribed by the District Planning Committee as under Section 3(1).

(2) - Every Anchalik Panchayat shall prepare every year a development plan for its area after including the development plans of the Gaon Panchayats and submit it to the Zilla Parishad before such date and in such form as may be prescribed by the District Planning Committee as under Section 3(1).

(3) - Every Zilla Parishad shall prepare every year a development plan of the district after including the development plans of the Anchalik Panchayats and submit it before such date and such form as may be prescribed by the District Planning Committee to the District Planning Committee constituted under section

3(1) of this Act. ইয়াত কৈছে যে ডিষ্ট্ৰিক প্লেনিং কমিটিয়ে দিয়া নিৰ্দ্দেশ মতে জিলা পৰিষদে ড্ৰাফট প্লেন বনাই দিব। আমাৰ মিনিষ্টাৰ বা এম, এল, এ সকলৰ যিটো সুবিধা আছিল সেইটো নাইকীয়া কৰা হৈছে। একেখন জিলা পৰিষদৰ চেক্ৰেটাৰীক ইয়াত এক্স অফিচিও চেক্ৰেটাৰী হিচাবে ৰাখিছে যিটো মই আগতেই কৰিব নেলাগে বুলি কৈছিলো। ইয়াত মোৰ কথাটো গ্ৰাহ্য নকৰিলে। ডি,চি জন হ'ল সেই কমিটিৰ মেম্বাৰ। এই কথাটো অলপ কনট্ৰোভাৰচি হৈছে। মিনিষ্টাৰজন নিজে জিলা প্লেনিং কমিটিৰ চেয়াৰমেন হ'লে ভাল হয়। ইয়াত আছে - কাৰ্য্য বিৱৰণী

Constitution of District Planning Committee :

3(3) - The Deputy Commissioner shall be a permanent invitee of the Committee as an Ex-Officio Member.

3(4) - The Chief Executive Officer of the Zilla Parishad shall be the Ex-Officio Secretary of the Committee.

3(5) - The President of the Zilla Parishad shall be Ex-Officio Chairman of the District Planning Committee.

জিলা পৰিষদৰ মূল পলিটিকেল ডেহ জনকেই ডিষ্ট্ৰিক প্লেনিং কমিটিৰো চেয়াৰমেন কৰা হৈছে। গতিকে তেওঁ জিলা পৰিষদৰো হেড আৰু ডিষ্ট্ৰিক প্লেনিং কমিটিৰো হেড্। সেই কাৰণে এইটো আমি চেঞ্জ কৰিব বিচাৰিছো। ডিষ্ট্ৰিক প্লেনিং কমিটিৰ চেয়াৰমেন জন আই, এ, এচ অফিচাৰ বা ভি,চি হ'লে ডিচেণ্ট্ৰেলাইজ প্লেনিংৰ কামকাজ কৰাত সুবিধা হ'ব। কিছুমান আই, এ, এচ অফিচাৰ বা ডি,চি ভাল মানুহ আছে আৰু কিছুমান আই, এ, এচ অফিচাৰ বা ডি,চি বেয়া মানুহও আছে। তেওঁলোকৰ ওপৰত কাৰোবাৰ লগত ভাল থাকিলে মন্ত্ৰী, এম,এল,এৰ কথাও নুশুনে। ডি, চি জন যদি ডিষ্ট্ৰিক প্লেনিং কমিটিৰ চেয়াৰমেন থাকিলহেঁতেন তেতিয়াহ'লে কাম কৰিবলৈ ভাল হ'লহেঁতেন। আপোনালোকে যদি কিবা কাৰণত জিলা পৰিষদৰ চেয়াৰমেন জনকেই ডিষ্ট্ৰিক প্লেনিং কমিটিৰ চেয়াৰমেন কৰিব খুজিছে তেতিয়াহলে ডি,চি জনক এক্স অফিচিও চেক্ৰেটাৰী জনকেই আপোনালোকে ডিষ্ট্ৰিক প্লেনিং কমিটিৰো চেক্ৰেটাৰী কৰিব খুজিছে। গতিকে জিলা পৰিষদৰ চেক্ৰেটাৰীয়ে কিবা হুকুম দিলে ডি,চিয়ে মানিবলৈ বাধ্য নহয়। জিলা পৰিষদৰ চেয়াৰমেন ডিষ্ট্ৰিক প্লেনিং কমিটিৰ চেয়াৰমেন হ'লে আপোনালোকৰ কাম কাজ কৰাত অসুবিধা হ'ব।

অধ্যক্ষ মহোদয়, এই কথা বিলাকৰ কাৰণে মই কৈছিলো যে, আপোনালোকলৈ ওপৰৰ পৰা নিৰ্দ্দেশ অহাৰ বাবেহে আপোনালোকে এনেদৰে কৈছো। জিলা পৰিষদৰ চেক্ৰেটাৰিক প্লেনিং কমিটিৰ চেক্ৰেটৰি কৰিছে। আমাৰ ভাৰত বৰ্ষত এটা সুবিধা দিছে যে ৰাইজে যাক যত পঠায় পঠাব পাৰে। মন্ত্ৰী মহোদয়ে আমি দিয়া এমেণ্ডমেন্ট গ্ৰহণ

নকৰিলেও ডি,চিক জিলা পৰিষদৰ চেয়াৰমেন কৰি দিয়ক। মোৰ অভিজ্ঞতাৰ পৰা ক'ব বিচাৰো যে, ডি,চিক জিলা পৰিষদৰ চেয়াৰমেন কৰি দিলে নিজৰ জিলাৰ উন্নয়ণ কৰিব পাৰে।

* শ্ৰী গুণীন হাজৰীকা ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য ডঃ জয় নাথ শৰ্মাদেৱ আৰু হিতেন্দ্ৰ নাথ গোস্বামীদেৱে যিটো এমেণ্ডমেন্ট আনিছে সেইটোত আমাৰ ক'বলগীয়া একো নাই। আপোনালোকে বাৰে বাৰে কৈছে যে, চেন্ট্ৰেল গভৰ্ণমেন্টৰ এখন চিঠি আছে। বিধান সভাত এটা এমেণ্ডমেন্ট কৰিব বিচাৰিছো আৰু আপোনালোকে চিঠিখনৰ দ্বাৰা বন্ধ কৰিবলৈ বিচাৰিছে। আপোনালোকৰ দলে এমেণ্ডমেন্ট কৰিব বিচাৰিছে যেতিয়া কৰক।

* শ্ৰী পবিন্দ্ৰ ডেকা ঃ অধ্যক্ষ মহোদয়, আজি যিটো এমেণ্ডমেন্ট অনা হৈছে তাত কিবা এদমিনিচষ্ট্ৰেটিভ অসুবিধা হ'ব নেকি?

মাননীয় অধ্যক্ষ ঃ আপুনি দীঘলীয়া নকৰিব। চমুকৈ কওক।

* শ্ৰী পবিন্দ্ৰ ডেকা ঃ অধ্যক্ষ মহোদয়, এইটো কৰিলে অসুবিধা হ'বনেকি?

* ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই প্ৰথমেই ক'ব বিচাৰিছো যে, অসম পঞ্চয়তীৰাজ আইন ১৯৯৪ চনতে হৈছিল। সেইমতে আমি পঞ্চায়তক ক্ষমতা দিম। যদি মন্ত্ৰীৰ হাতত ক্ষমতা থাকে তেনেহলে দিচেন্ট্ৰেলাইজ নহ'ব। দ্বিতীয়তে শৰ্মা দেৱে কৈছে যে, আপোনালোকে মানুহ কমাই আনিছে। এতিয়া ১০০ জনৰ ভিতৰত ৮০ জন হয়। জিলা পৰিষদৰ সদস্য থাকিব পাৰে টু থাদ তেতিয়া ৬৭ জন হ'ব। আমাৰ ৰিপ্ৰেজেনটেটিভ বাঢ়িব। আমাৰ অলপতে পঞ্চায়তৰ মিটিং হৈ গৈছে আমাৰ অপজিচনৰ লিদাৰ ছোনিয়া গান্ধী আৰু আমাৰ প্ৰধান মন্ত্ৰী মহোদয়েও কৈছে যে, চেয়াৰমেন তেওঁ হ'ব লাগে। আপোনালোকৰ দিনতো দিল্লীত এখন মিটিং হৈছিল। এতিয়া চিঠিখন মই পঢ়ি দিছো। "You would recall that Article 243 ZD of the Constitution of India envisages the constitution of a District Planning Committee in each District to facilitate the process of decentralised planning and to prepare Composite Plans covering rural and urban areas. It may further be recalled that the Conference of the Minister of the States in charege of Panchayati Raj (held in New Delhi on 11th July, 2001) had recommended, inter-alia, that DPCs should be constituted by all State/Union Territories by the end of December, 2001. The consensus also emerged in the Conference that the system, where prevalent, of Ministers in-charge of Districts being Chairpersons of the DPCs needs to be discontinued and that the Chairperson of District Panchayat

* Speech not corrected

should be the Chairperson of the DPC. The proceedings of the Conference were forwarded vide the hon'ble Minister of Rural Development's D.O. Letter No. R. 12011/2/2001-PR dated 6th August, 2001 to your address."

মাননীয় সদস্য হাজৰীকা দেৱে কৈছে দি, চিক কিয় দিয়া নাই? জিলা পৰিষদৰ চেয়াৰমেন ইলেকটেদ হ'ব। পঞ্চায়তৰ সকলোখিনি কাম কৰাৰ বাবে, এ,দি,চিয়েই হ'ব। দি,চিৰ কাম বহুত গতিকে এইটো কৰা হৈছে। মই তেখেতসকলক উইড্ৰ কৰিবলৈ কৈছো।

**Mr. Speaker :** Then Dr. Sarma and Shri Goswami, will you withdraw your amendment?

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** অধ্যক্ষ মহোহয়, উইড্ৰ কৰিম। এটা সমস্যা হৈছিল। তেখেতে কৈছে যে ভুল কনচেপ্ট হৈছে। অল ইণ্ডিয়া পের্টানত হৈছে। আমাৰ আঞ্চলিক পঞ্চায়তৰ প্লেন, জিলা পৰিষদৰ প্লেন আছে। আমি কেতিয়াও পঞ্চয়াতৰ বন্দি পাবাৰ ল'বলৈ বিচৰা নাই। মিটিংত সিদ্ধান্ত লৈছিল যদি সেই ধৰণে আপোনালোকে বিচাৰিছিল। ভুল বাখ্যা হ'ব নালাগে। জিলা পৰিষদক শক্তিশালী কৰাৰ বাবে দি,চিক আহিবলৈ কলে ভাল হয়। দি,চিৰ দাইৰেক্ট চেক্ৰেটৰি হ'লে ড্ৰাফট্ সবল হয়।

**Mr. Speaker :** Is it the pleasure of the House to grant leave to withdraw the amendment?

("Yes", "Yes", "Yes", "Yes".)

With the leave of the House the amendment is withdraw.

There is no amendment in Clause 3 of the Bill. I now put Clause 3 of the Bill before the house for approval.

The question is that -

Clause 3 do stand part of the Bill.

Those who are in favour, say, 'ayes'.

Those who are in against, say, 'Noes'.

'Ayes' have it, 'Ayes', have it, 'Ayes' have it.

Clasue 3 do form part of the Bill.

I now put clause 1, Preamble, Enacting Formula and Short Title before the House.

The question is that -

Clause 1, Preamble, Enacting Formula and Short title of the

* Speech not corrected

Bill do stand part of the Bill.

Those who are in favour, say, 'ayes'.

Those who are in against, say, 'Noes'.

'Ayes' have it, 'Ayes', have it, 'Ayes' have it.

Clasue 1 Preamble, Enacting Formula and short title do form part of the Bill.

Now Item No. 5(c). Hon'ble Minister to move.

**Dr. Bhumidhar Barman (Minister) :** Sir, I beg to move that "The Assam Panchayat (NO.II)(Amendment) Bill, 2002 be passed.

**Mr. Speaker :** I now put the Motion before the House,

The Motion is that -

The Assam Panchayat (NO.II)(Amendment) Bill, 2002 be passed.

Those who are in favour, say, 'ayes'.

Those who are in against, say, 'Noes'.

'Ayes' have it, 'Ayes', have it, 'Ayes' have it.

The Motion is passed.

The Bill is passed.

## VALEDICTORY SPEECH

**মাননীয় অধ্যক্ষ ঃ** একাদশ অসম বিধান সভাৰ তৃতীয় তথা ২০০২-২০০৩ চনৰ বাজেট অধিবেশন যোৱা ১ মাৰ্চৰ দিনা আৰম্ভ হৈ সৰ্বমুঠ ২১ দিন সদনৰ কাৰ্য্য-ক্ৰমনিকা সম্পন্ন হোৱাৰ অন্তত আজি ১০-৪-২০০২ তাৰিখে এই অধিবেশনৰ সফল পৰিসমাপ্তি ঘটিছে। প্ৰথমেই উল্লেখ কৰিব খোজো যে, অসম বিধান সভাৰ অধিবেশন সমূহৰ বিগত যোৱা কেইবছৰ মানৰ ভিতৰত কেৱল এইবাৰৰ বাজেট অধিবেশনতে সুদীৰ্ঘ ২১ টা দিনৰ বাবে সদনৰ কাৰ্য্য ক্ৰমণিকা সম্পন্ন হৈছে। ইয়াৰ ফলত ৰাজ্যখনৰ বিভিন্ন জৰুৰী বিষয় আৰু জ্বলন্ত সমস্যাৱলীৰ ওপৰত মাননীয় সদস্য সকলে বিস্তৃতভাৱে আলোচনা কৰাৰ সুযোগ পোৱাৰ লগতে চৰকাৰৰ পক্ষৰ পৰাও উক্ত বিষয় আৰু সা-সমস্যাবোৰ ওপৰত গ্ৰহণ কৰা ব্যৱস্থাৰ বিষয়ে সদনৰ জৰিয়তে ৰাজ্যখনৰ জনসাধাৰণক অৱগত কৰাৰ সুযোগ লাভ কৰিছে। ই নিঃসন্দেহে সংসদীয় গণতান্ত্ৰিক পৰম্পৰাৰ এক সুস্থ নিদৰ্শণ। বৰ্তমানৰ অসম বিধান সভাই অধিক গতিশীলতা লাভ কৰিবলৈ সমৰ্থ হৈছে বুলিও আমাৰ অনুভৱ হৈছে।

এইবাৰৰ বাজেট অধিবেশনৰ প্ৰথম দিনাই সংসদীয় গণতান্ত্ৰিক প্ৰথা অনুযায়ী অসমৰ মাননীয় ৰাজ্যপাল ডাঙৰীয়াই প্ৰদান কৰা ভাষনেৰে সদনৰ কামকাজ আৰম্ভ হয়। মই

অসম বিধান সভাৰ হৈ মাননীয় ৰাজ্যপাল ডাঙৰীয়ালৈ তেখেতৰ ভাষনেৰে বাজেট অধিবেশনৰ কাৰ্য্যক্ৰমণিকাৰ সূচনা কৰাৰ বাবে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

এইবাৰৰ অধিবেশনৰ কাৰ্য্যকালত বিধান সভাৰ কাৰ্য্য-উপদেষ্টা সমিতিয়ে নিৰ্দ্ধাৰণ কৰি দিয়া মতে সদনৰ নিয়মীয়া কাৰ্য্যসূচী সমূহ সম্পন্ন হোৱাৰ লগতে যোৱা ৩ এপ্ৰিলৰ দিনা অসম বিধান সভাৰ উপাধ্যক্ষ পদবীত মাননীয় সদস্য শ্ৰী টংক বাহাদুৰ ৰাই ডাঙৰীয়া বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হয়। এই বাৰৰ অধিবেশনত অসম চৰকাৰে উত্থাপন কৰা গুৰুত্বপূৰ্ণ "তথ্য জনাৰ অধিকাৰ" শীৰ্ষক বিধেয়কখন সদনে গৃহীত কৰাৰ উপৰিও আন ১১ খন গুৰুত্বপূৰ্ণ বিধেয়ক আলোচনাৰ অন্তত গৃহীত কৰা হয়।

তদুপৰি অধিবেশনৰ কালছোৱাত ২০০২-২০০৩ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী আৰু পৰিপূৰক বিনিয়োজন সমূহৰ তালিকা উপস্থাপন কৰি আলোচনাৰ অন্তত গৃহীত কৰা হয়। অধিবেশনৰ মাজতে অসম বিধান সভাৰ চাৰিওখন "Departmentally Related Standing Committee"ৰ সভা অনুষ্ঠিত কৰি বিভিন্ন চৰকাৰী বিভাগৰ বাজেট প্ৰস্তাৱ সমূহৰ ওপৰত বিতং আলোচনাৰ অন্তত প্ৰতিবেদন প্ৰস্তুত কৰি সদনৰ মজিয়াত উত্থাপন কৰা হয়। উক্ত চাৰিওখন সমিতিৰ মাননীয় সভাপতি আৰু মাননীয় সদস্য সকলকে ধৰি বিষয়া-কৰ্মচাৰী সকললৈকো-আমাৰ ধন্যবাদ জ্ঞাপন কৰা হ'ল।

এইবাৰৰ অধিবেশনৰ কেউদিনৰ কাৰ্য্যসূচী সুকলমে পৰিচালনা কৰাৰ ক্ষেত্ৰত আমাক সকলো প্ৰকাৰৰ দিহা-পৰামৰ্শেৰে সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে সদনৰ নেতা তথা অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰী তৰুণ গগৈ ডাঙৰীয়া, সংসদীয় পৰিক্ৰমা বিভাগৰ মাননীয় মন্ত্ৰীকে ধৰি অসম মন্ত্ৰী সভাৰ মাননীয় মন্ত্ৰী সকল, শাসকীয় দলৰ মাননীয় সদস্য / সদস্যা সকল, বিৰোধী দল আৰু গোট সমূহৰ মাননীয় সদস্য / সদস্যা সকলৰ প্ৰতি অসম বিধান সভাৰ হৈ মই ধন্যবাদ আৰু আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। অধিবেশনৰ কেউদিনৰ কাৰ্য্যসূচী অতি সৌহাৰ্দ্যপূৰ্ণ ভাৱে সম্পন্ন কৰিব পৰাত আমি আটায়ে গৌৰৱ অনুভৱ কৰিছো। তদুপৰি মাননীয় ৰাজ্যপাল মহোদয়ে সদন সুকলমে পৰিচালিত হোৱাত সন্তুষ্টি প্ৰকাশ কৰি প্ৰশংসাসূচক মন্তব্য কৰা কাৰ্য্যইও আমাক উৎসাহিত কৰিছে।

